

১ম বছৰ: ১ম সংখ্যা: সূৰ্য: জুলাই: ১৯৮০ চন



OKDISCD

# ঃসূর্য সম্পৰ্কীয় ঘোষণাঃ

- সূৰ্য সাহিত্য সংস্কৃতিৰ মাহেকীয়া আলোচনী।
- সমাজ আৰু সমাজ ব্যৱস্থাক স্পর্শ কৰা সকলো বিষয়-বস্তুৱে ইয়াত স্থান পাব আৰু লেখনিৰ ওপৰত ভিত্তি কৰি ন-পুৰণি উভয় লেখকে সমান মর্যদা পাব।
- সূর্যলৈ পঠোৱা কোনো প্ৰবন্ধ-পাতি ঘূৰাই পঠোৱা নহয়।
- সূৰ্য প্ৰতি ইংৰাজী মাহৰ প্ৰথম সপ্তাহত প্ৰকাশ পাব।
- বিহু আৰু উৎসৱ আদিত সময় বিশেষে একোটাকৈ বিশেষ সংখ্যা প্ৰকাশ পাব।
- **গ্ৰাহক হোৱাৰ নিয়ম ঃ** গ্ৰাহক মূল্য ঃ বছৰেকীয়া ২২'০০ টকা। ছমহীয়া ১২'০০ টকা। বিশেষ সংখ্যা কেইটি এই মূল্যৰ ভিতৰতে পাব।
- **এজেন্সি সংক্রান্ত নিয়ম ঃ** প্ৰতি সাধাৰণ সংখ্যাৰ মূল্য ২'০০ টকা। ১০ খনৰ কমে এজেন্সি দিয়া নহয়। কমিচন ২৫% ভাগ।
- এজেন্সিৰ বাবে যোগাযোগৰ ঠিকনা ঃ

প্ৰচাৰ সচিব, সূৰ্য
মাৰফৎ ঃ—সূৰ্য প্ৰকাশন,
গনেশমন্দিৰ, দিছপুৰ
গুৱাহাটী–৭৮১০০৬

- **লেখক সকলৰ প্ৰতি ঃ** লেখনি সমূহ পৰিস্কাৰ কৰি কাগজৰ এপিঠিত লিখি পঠিয়াব। লেখনি সমূহ যথা সম্ভৱ চুটি হোৱা বাঞ্চনীয়। যোগাযোগৰ ঠিকনা ঃ

সম্পাদক, সূৰ্য
মাৰফৎ—ঃ সূৰ্যপ্ৰকাশন
গনেশ মন্দিৰ, দিছপুৰ
গুৱাহাটী—৭৮১০০৬

Sankardev Nagar, Hojai ... Assam

# সূৰ্য

॥ সাহিত্য-সংস্কৃতিৰ মাহেকীয়া আলোচনী ॥

প্ৰথম বছৰ ঃঃ প্ৰথম সংখ্যা ঃঃ জুলাই ঃঃ ১৯৮০ চন

## ॥ সৌৰজগত ॥

॥ **সাময়িকী** ॥ দৃষ্টিপাত ঃ অসমৰ সাম্প্ৰতিক আন্দোলন ॥ ॥ সুনীল পৱন বৰুৱা ॥৫॥

॥ **অন্যমত** ॥ অসমৰ আন্দোলন প্ৰসঙ্গত ভাৰতৰ বিভিন্ন পত্ৰ–পত্ৰিকা ॥ ॥ বিশেষ প্ৰতিনিধি ॥১২॥

॥ **কবিতা** ॥ ৰোহিনী কুমাৰ পাঠক ॥ ৰবীন শৰ্মা ॥ কৃষ্ণা দাস ॥ ॥ দিলীপ দাস ॥ লক্ষ্মী প্ৰসাদ সিং ॥১৭-১৯॥

॥ **অনুবাদ কবিতা** ॥ নিকানোৰ পাৰ্ৰা ॥ অনু ঃ অৰনী চক্ৰৱৰ্ত্তী ॥২০॥

॥ **প্ৰবন্ধ** ॥ যৌন উশৃংখলতা আৰু যৌন বিকৃতি ॥ বিষ্ণুৰাম বৈশ্য ॥২১॥

॥ **গল্প** ॥ ত্ৰাস ॥মিনতি চৌধুৰী ॥২৯॥ জুই ॥ অচ্যুত শৰ্মা ॥৪১॥

॥ **গাওঁ-চহৰে** ॥ অসমত বিশেষ কু–চক্ৰীৰ গুপুত ঘাটি ॥ বিঃ প্ৰঃ ॥ ৩৬॥

॥ **ব্যক্তি আৰু প্ৰতিভা** ॥ মেদিনী মোহন চৌধুৰী মানুহজন আৰু তেওঁৰ উপন্যাস 'তাত নদী নাছিল' ॥ নিৰুপমা বৰগোহাঞি ॥৪৫॥

॥ **নিশাৰ কাহিনী** ॥ লাজতে এটুপি ধৰা এম, এল, এ, ॥ ॥ ভুবনচন্দ্ৰ কলিতা ॥৫০॥

॥ **আদালত** ॥ পুতুল চন্দ্ৰ শৰ্মা ॥ মৃন্ময় কুমাৰ নাথ ॥ সুনীলৰঞ্জন চৌধুৰী ॥ জয়ন্ত বৰুৱা ॥ ৰেবকুমাৰ হাজৰিকা ॥ দিপাঞ্জলী পূজাৰী ॥ ॥ কুশল দত্ত ॥৫৩–৫৪॥

॥ **সম্বৰণিকা** ॥ কমৰেড ৰাভা নে কলাগুৰু ৰাভা নে ৰাভা ককাইদেউ ॥ ॥ যতীন্দ্ৰ কুমাৰ বৰগোহাঞি॥৫৫॥

॥ **খেলৰ পৃথিৱী** ॥ মস্কো-৮০ ঃ প্ৰস্তুতিৰ শেষ স্তৰ ॥ভূপেন দাস ॥৫৮॥

॥ **চেলুলয়ড** ॥ অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ অগ্ৰগতি ॥ অমিতাভ ॥৬১॥

॥ **সূৰ্যস্নান** ॥ বাৰ্ট্ৰাণ্ড ৰাচেল ॥৪৯॥

॥ **হাঃ হাঃ হাঃ** ॥ উদয়শঙ্কৰ শইকীয়া ॥৪০॥

॥ **সম্পাদকীয়** ॥ চিন্তা-দুঃ চিন্তা ॥৩॥

★ কাৰ্য্যবাহী প্ৰকাশক ঃ সদানন্দ গগৈ ★ সহঃ সম্পাঃ ভূপেন দাস (অবৈঃ)
★ বিজ্ঞাপন সচিব ঃ ব্ৰজেন দাস ★ বিভাগীয় সম্পাদক ঃ হীৰেণ নাথ
★ বেটুপাত ঃ জুনটি ★ সহযোগত ঃ অভিজিৎ চক্ৰৱৰ্ত্তী

# অসম প্ৰকাশন পৰিষদৰ কেইখনমান অমূল্য গ্ৰন্থ

**LONDON MEMORIES**
**Dr. S. K. Bhuyan**
**Royal Size : Cloth bound : 164 pages : Price : Rs. 20·00**

হোমাৰৰ ইলিয়াদ
অনুবাদ ঃ অমূল্যকুমাৰ চক্ৰৱৰ্তী
ৰয়েল চাইজ, সুদৃশ্য বেটুপাত, পকা বন্ধা, ৪৮৪ পৃষ্ঠা, মূল্য ঃ ২০.০০ টকা

বিশ্ব ইতিহাসৰ জিলিঙনি ঃ দ্বিতীয় খণ্ড (দ্বিতীয় সংস্কৰণ) ঃ জৱাহৰলাল নেহেৰু
ৰয়েল চাইজ, সুদৃশ্য বেটুপাত, ৭০৮ পৃষ্ঠা, মূল্য ঃ ২০.০০ টকা

সুখৰ সন্ধান ঃ বাৰ্ট্ৰাণ্ড ৰাছেল
অনুবাদ ঃ সুৰেন চৌধুৰী
ডিমাই চাইজ, ২৩৮ পৃষ্ঠা, মূল্য ঃ ৭·০০ টকা

প্ৰাণী জগতৰ বিস্ময়
ডিম্বেশ্বৰ চলিহা
ডিমাই চাইজ, ১৫৩ পৃষ্ঠা, মূল্য ঃ ৮·৩০ টকা

অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব
কালিৰাম মেধি
ৰয়েল চাইজ, ৪৬৬ পৃষ্ঠা মূল্য ঃ ৩০·০০ টকা

কুমায়ুনৰ মানুহ খোৱা বাঘ
অনুবাদ ঃ বিৰাজ চৌধুৰী
ডবল ডিমাই, পকা বন্ধা, ২৭৪ পৃষ্ঠা, মূল্য ঃ ১০·০০ টকা

গোপীনাথ বৰদলৈ
ৰয়েল চাইজ, মূল্য ঃ ৩০·০০ টকা

ইবছেনৰ নাট্য প্ৰতিভা
তাৰিনীকান্ত ভট্টাচাৰ্য
ৰয়েল চাইজ, ২৬৩ পৃষ্ঠা, মূল্য ঃ ১২·০০ টকা

**অসম প্ৰকাশন পৰিষদ**


সম্পাদকীয়

# ঃ চিন্তা-দুঃচিন্তা ঃ

কোনো দায়বদ্ধ লেখক-কবিয়ে সামাজিক পৰিস্থিতি বা পৰিৱেশৰ উৰ্দ্ধত থাকি সু-ৰচনা কৰিব নোৱাৰে আৰু কল্পনাৰ দেউকাৰে তেনে কৰিলেও সি হ'ব বাস্তৱ বিবৰ্জিত সামাজিক আবৰ্জনা । অৱশ্যে এইটোও ঠিক, এই সাহিত্যিক-শিল্পীসকলেই হ'ল সমাজৰ অগ্ৰগামী ভবিষ্যত-দ্ৰষ্টা ।

শিল্পী সাহিত্যিকৰ সৃষ্টি বা ৰচনাই যিকোনো সমসাময়িক পৰিস্থিতি বা পৰিৱেশক কেনেধৰণে আন্দোলিত বা প্ৰভাবিত কৰিব— সি এক বিতৰ্কৰ বিষয় । তথাপি ই নিঃসন্দেহ, যিকোনো বাস্তৱ গুণ ৰহিত, ক'লা সন্মত সৃষ্টি বা লেখনিয়ে সমাজক সাময়িক ভাবে হলেও প্ৰভাৱান্বিত কৰিবলৈ বাধ্য । সেয়ে, এইখিনিতেই আহি পৰে শিল্পী-সাহিত্যিকৰ দায়িত্ব ।

**বৰ্তমান দিনৰ** কথা ঃ অসমৰ আন্দোলন সম্পৰ্কত বা এই আন্দোলনক কেন্দ্ৰ কৰি নবীন-প্ৰবীণ ভালেমান লেখক কবি, শিল্পী সাংবাদিকে যথেষ্ট সংখ্যক ৰচনাৰ জন্ম দিছে । বিতৰ্ক হৈছে—মত বিৰোধ হৈছে । কোনো কোনোৱে এটা নায্য দাবীক ভিত্তিকৰি গঢ়ি উঠা এই আন্দোলনটোক উদ্দেশ্য প্ৰণোদিত ভাবে নস্যাত কৰিবলৈ কুচেষ্টা কৰিছে আৰু কোনো কোনোৱে আমাৰ দোষৰ দিশটোৰ চকু বন্ধ কৰি আবেগিক ভাবেই দোষীক দোষ কৰিবলৈ উদগনি দিছে । অৱশ্যে এই আটাইবোৰ দিশলৈ লক্ষ্য ৰাখি দায়বদ্ধ ভাবে হাতত কলম তুলি লোৱা লেখক-কবিও দুই-চাৰিজন নোহোৱা নহয় । কিন্তু ওপৰোক্ত কাৰণ দুটাৰ বাবেই হয় এই সকল লেখক-কবি বিচ্যুত হৈ পৰিছে, নহয় এওঁলোকৰ বক্তব্য ম্লান পৰি আছে।

সেয়ে এই আন্দোলনৰ লাই খুটা ছাত্ৰ সমাজ তথা যুৱশক্তি সচেষ্ট হোৱাৰ প্ৰয়োজন হৈ পৰিছে। আৰু অতীৱ প্ৰয়োজন হৈ পৰিছে আত্ম-সমালোচনা তথা ঠাই বিশেষে উদ্ভুত উদ্ধত কামৰ যথোপযুক্ত বিশ্লেষণৰ । অন্যথাই ন্যস্ত স্বাৰ্থ জড়িত সুবিধাবাদী চক্ৰান্তকাৰীহঁতে এই আন্দোলনক মূল লক্ষ্যৰ পৰা বিপথে পৰিচালিত কৰি আমাৰ বাবে কঢ়িয়াই আনিব কাল আন্ধাৰ । ●

পালটি কৰি শ্ৰীমতী গান্ধী আৰু তেওঁৰ দল ক্ষমতালৈ ঘূৰি আহিল। আৰম্ভণিতে প্ৰধানমন্ত্ৰীয়ে অসমৰ সমস্যাৰ প্ৰতি যথেষ্ট মনযোগ দিয়াৰ চিন পৰিলক্ষিত হৈছিল আৰু যথেষ্ট আগ্ৰহ সহকাৰে গণ-সংগ্ৰাম পৰিষদৰ মূল সহযোগী সদৌ অসম ছাত্ৰ সন্থাৰ নেতাসকলৰ লগত আলোচনাত বহিছিল। বিদেশী নাগৰিকৰ মূল সমস্যাটো নীতিগত ভাবে মানি ললেও সংগ্ৰাম পৰিষদ তথা ছাত্ৰ সকলে আগবঢ়োৱা ১৯৫১ চনৰ সময় সীমা চৰকাৰে মানি নোলোৱাত আলোচনাত এক-ৰকম অচল অৱস্থাৰ সৃষ্টি হ'ল। দেশৰ পৰিবৰ্তিত ৰাজনীতি আৰু ৯ খন ৰাজ্যত অনুষ্ঠিত বিধান সভাৰ নিৰ্বাচনক কেন্দ্ৰ কৰি প্ৰধান মন্ত্ৰীয়ে পূৰ্বৰ নীতি সম্পূৰ্ণ সলনি কৰাত বৰ্তমান কেন্দ্ৰীয় চৰকাৰে এক অনমনীয় মনোভাব গ্ৰহণ কৰা দেখা গৈছে। ইতিমধ্যে সমগ্ৰ ৰাজ্যখনক অশান্ত অঞ্চল ৰূপে ঘোষণা কৰি দেশৰ সংহতি আৰু সংখ্যা-লঘুৰ নিৰাপত্তাৰ নামত চৰকাৰে আন্দোলন নিৰ্মূল কৰিবলৈ সকলো প্ৰকাৰৰ কঠোৰ দমন নীতিৰ আশ্ৰয় লৈছে। কিন্তু অসমৰ গণ আন্দোলনৰ সমৰ্থক প্ৰতিজন ব্যক্তিয়ে জাতীয় অস্তিত্ব বিপন্নৰ আশংকাত কোনো দমন নীতিৰ ওচৰত নত স্বীকাৰ কৰা নাই, বৰং আন্দোলনৰ নেতা সকলে যুগুত কৰা প্ৰতিটো কাৰ্যসূচীত মৰণ পণেৰে যোগদান কৰি অভিলেখৰ সৃষ্টি কৰিছে। লগতে অসমৰ গণ আন্দোলনৰ খবৰ ৰাজ্য খনৰ ভিতৰতে আবদ্ধ নাথাকি, ৰাষ্ট্ৰীয় সীমা অতিক্ৰম কৰি, আন্ত-ৰাষ্ট্ৰীয় মাধ্যমলৈও চাল লৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত সাম্প্ৰতিক আন্দোলনৰ ৰেহ-ৰূপ আৰু চাৰিত্ৰিক বৈশিষ্ট্য সমূহ চালি-জাৰি চাই বিভিন্ন দিশৰ পৰা আলোকপাতেৰে এটা পৰ্য্যালোচনা আগবঢ়োৱাই হ'ল এই নিবন্ধৰ উদ্দেশ্য।

বিপ্লৱ কোনো বিপ্লৱী নেতাই সৃষ্টি নকৰে। সামাজিক তথা ঐতিহাসিক বাতাবৰণৰ পৰাহে বিপ্লৱৰ জন্ম হয়। অসমৰ সাম্প্ৰতিক আন্দোলনক গণ বিপ্লৱৰ আখ্যা দিব খুজিলে এই ক্ষেত্ৰতো ওপৰোক্ত কথাষাৰৰ প্ৰাসঙ্গিকতা আছে। ইতিহাসৰ শিকনিয়ে আমাক শিকাইছে যে যি কোনো দেশৰ ৰাষ্ট্ৰীয় জীৱনত দেখা দিয়া বিপ্লৱৰ বা অভ্যুত্থানত সময়ৰ প্ৰভাব হ'ল সকলোতকৈ বেছি। প্ৰকৃততে সময়েই সকলো ঘটনাৰ গতি নিৰ্দ্ধাৰণ কৰে, বিশ্বৰ ৰাজনীতি, সমাজনীতি তথা অৰ্থনীতিৰ গতি পৰিবৰ্তন কৰা যুগান্তকাৰী বিপ্লৱৰ ক্ষেত্ৰতো দেখা যায় যে দীৰ্ঘদিনীয়া নিৰৱ প্ৰস্তুতিৰ পটভূমিত অৱশেষত সময়ে ইয়াৰ দুৱাৰ মুকলি কৰে। সম্প্ৰতি অসম আৰু অসমীয়াৰ অস্তিত্বৰ প্ৰতি দেখা দিয়া প্ৰত্যাহ্বান আৰু অস্তিত্বৰ বিপন্নৰ আশংকা কৰি আন্দোলনৰ পটভূমি বহুত দিনৰ আগতেই ৰচিত হৈছিল যদিও ব্যাপক ৰূপত ইয়াৰ আত্মপ্ৰকাশৰ সময় উপস্থিত হোৱা নাছিল, এই দশকৰ সামৰণি পৰোতেই ইমানদিনে অনুভৱ কৰি অহা অৱহেলা, অৱজ্ঞা, বৈষম্যৰ লগত উত্তৰ-পূৰ অঞ্চলৰ পুনৰ গঠন, ভাৰতীয় ৰাজনীতিত দেখা দিয়া দ্ৰুত পৰিবৰ্তন, আন্তঃৰাষ্ট্ৰীয় ঘটনা প্ৰবাহ, চুবুৰীয়া ৰাষ্ট্ৰৰ লগত নতুনকৈ দেখা দিয়া সম্পৰ্ক, চিৰাচৰিত মূল্য-বোধ আৰু দৃষ্টিভঙ্গীৰ পৰিবৰ্তনৰ আধাৰত দেখা দিয়া অৰ্থনৈতিক নিৰাপত্তাৰ শংকাই অসমত বিদেশী নাগৰিক বহিস্কাৰৰ দাবীত আৰম্ভ হোৱা আন্দোলনৰ পৰিধি বহল হৈ পৰিল। আৰু সময়ৰ দাবীতে এই আন্দোলনৰ গুৰি ধৰিবলৈ এচাম নবীন নেতাৰ আৱিৰ্ভাব হ'ল যি সকল সৌ সিদিনালৈকে আছিল অপৰিচিত সাধাৰণ যুবক। আন্দোলনৰ জনপ্ৰিয়তা, ব্যাপকতা আৰু গুৰুত্বই তেওঁলোকৰ মনলৈ আনিছে সাহস আৰু আত্ম-বিশ্বাস। আন্দোলনৰ মাজতে হেৰাই নগে সময়ত তেওঁলোকে সুকীয়া ক্ষেত্ৰত অসমৰ ৰাইজৰ বাবে অতি প্ৰয়োজনীয় "আঠু নোলোৱা সাহসী নেতৃত্ব" দিবলৈ সক্ষম হ'ব বুলি সৰ্বসাধাৰণ ৰাইজে কামনা কৰে।

অসমৰ সাম্প্ৰতিক আন্দোলনে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় দৃষ্টি আকৰ্ষণ কৰাৰ মূল কাৰণ হ'ল---কোনো বিশেষ ৰাজনৈতিক দলৰ দ্বাৰা অসমৰ আন্দোলন পৰিচালিত হোৱা নাই। লোক-শক্তিৰ দ্বাৰা পৰিচালিত এই আন্দোলনে প্ৰকৃত অৰ্থত গণ-আন্দোলনৰ মৰ্য্যাদা লাভ কৰিছে। দ্বিতীয়তে আন্দোলনৰ ঘোষিত শান্তিপূৰ্ণ অহিংস গান্ধীবাদী নীতিয়ে সামগ্ৰীকভাবে ইয়াৰ এটা সুকীয়া ভাৱ-মূৰ্ত্তি দাঙি ধৰিছে। গান্ধীজীৰ আদৰ্শৰে অহিংস অসহযোগৰ মাধ্যমেৰে গঢ়ি তোলা গণ-আন্দোলনে ভাৰতৰ স্বাধীনতা ঘূৰাই আনিলেও, স্বাধীন ভাৰতৰ ৰাজহুৱা জীৱনত গান্ধীবাদ আজিকালি এক অপ্ৰাসঙ্গিক বিষয়। দেশৰ বাহিৰত গান্ধীবাদক নতুন দৃষ্টিভঙ্গীৰে চোৱাৰ সময়ত গান্ধীজীৰ শিকনিয়ে একৰকম আমাৰ পৰা মেলানি মাগিছে। ঠিক এনে এটা সময়তে ভাৰতৰ উত্তৰ-পূৰ সীমান্তত অৱস্থিত কেন্দ্ৰৰ বাবে সাধুকথাৰ "চিন্তাৰেখা" স্বৰূপ অসমত গান্ধীবাদে বিশেষ প্ৰসাৰ আৰু স্থান লাভ কৰাটো বিশেষভাবে মন কৰিব লগীয়া কথা। অৱশ্যে গান্ধীজীৰ আন্দোলনত হিংসা আৰু ফেচীবাদী মনোভাবৰ কোনো স্থান নাই। তেওঁ সদায়েই দৃঢ়ভাবে ইয়াৰ বিৰোধিতা কৰি

OKDISCD

আহিছে । ফলত আন্দোলনৰ নেতৃবৃন্দৰ দায়িত্ব বাঢ়িছে ; কিয়নো ইয়াৰ স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰিবলৈ যাওঁতে তেওঁলোকে প্ৰণয়ন কৰা সকলো ধৰণৰ কাৰ্য্যসূচী ৰূপায়নত ইতিমধ্যে ঘোষিত গান্ধীবাদী ৰূপটো বজাই ৰখাটো কেৱল প্ৰয়োজনেই নহয় এক কথাত সেইটো এতিয়া অপৰিহাৰ্য্য হৈ পৰিছে । কাৰণ আন্দোলনৰ মূল লক্ষ্যত উপনীত হোৱা আৰু ইয়াৰ সফল পৰিসমাপ্তিৰ বাবে সংখ্যাগৰিষ্ঠ অংশৰ নৈতিক সমৰ্থন আদায় কৰাৰ এইটোৱেই এতিয়া একমাত্ৰ মূলধন হিচাপে বিবেচিত হৈছে । আন্দোলনৰ নেতৃত্ব দিয়া অথবা ইয়াৰ প্ৰতি সক্ৰিয় সমৰ্থন আগবঢ়োৱা প্ৰতিজন ব্যক্তিয়েই এই দিশটোৰ প্ৰতি বিশেষভাবে চকু ৰখাটো একান্ত বাঞ্চনীয় ।

অসমত ইংৰাজ আমোলৰ সময়চোৱাতে আজিৰে পৰা ১০৭ বছৰৰ পূৰ্বে অৰ্থাৎ ১৮৭৩ চনতে অসমীয়া ভাষাই আত্ম-প্ৰতিষ্ঠাৰ বাবে চলোৱা প্ৰথমখন যুদ্ধত জয়লাভ কৰিলেও কিন্তু সেই সংগ্ৰাম অব্যাহত থাকিল । প্ৰতিবেশী শক্তিশালী জনগোষ্ঠীৰ ভাষা-সংস্কৃতিৰ লগত সন্মানজনক প্ৰতিযোগিতাত আজি অসমীয়া সাহিত্য-সংস্কৃতিৰ স্বকীয় বৈশিষ্ট্য বজাই ৰাখিবলৈ যি দেখা গৈছে অদূৰ ভৱিষ্যতেও এই সংগ্ৰাম চলি থাকিব । অৱশ্যে উনবিংশ শতাব্দীৰ শেষভাগত আহি পৰা শঙ্কাৰ লগত আজি অসমীয়া ভাষা-সংস্কৃতিৰ উজ্জ্বল ভৱিষ্যতৰ তুলনা নহয় । সেইকাৰণে অসমৰ ভৌগোলিক তথা ৰাজনৈতিক অৱস্থান আৰু লগতে অসমীয়া জাতি গঠনৰ ক্ৰমবৰ্দ্ধমান প্ৰক্ৰিয়ালৈ লক্ষ্য ৰাখি, ভাষা-সংস্কৃতিৰ অস্তিত্ব বজাই ৰখাৰ সংগ্ৰামত আমাৰ স্থিতি দুৰ্ব্বল কৰিব পৰা কোনো কাৰ্য্যসূচী, বিবৃতি বা দৃষ্টিভঙ্গী যে অত্যন্ত বিপদজনক সেই কথা সাম্প্ৰতিক আন্দোলনৰ মাজেদি অধিক প্ৰকট হৈ পৰিছে । আন্দোলনৰ নীতি নিৰ্দ্ধাৰণ কৰা সকলৰ বাবে এই দিশটোৰ প্ৰতি সতৰ্ক দৃষ্টি ৰখা একান্ত বাঞ্চনীয় । অন্যহাতেদি গণ আন্দোলনৰ মাজেদি ইতিমধ্যে ভাঙোন ধৰা উত্তৰ-পূব ভাৰতৰ পাৰ্ব্বত্য জনজাতি সকলৰ সৈতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাইজৰ এক আবেগিক সংহতিয়ে পুনৰ সাৰ পাই উঠিছে । এই সংহতি কামত খটুৱাব পাৰিলে ইয়াৰ স্থায়ী মূল্য আছে । প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে অসমলৈ চলি থকা জন-প্ৰব্ৰজন অথবা অনুপ্ৰবেশৰ মূল কাৰণ হ'ল অৰ্থনৈতিক । এই দিশটোলৈ চকু ৰাখি আমাৰ সমসাময়িক জীৱনৰ মূল্যবোধ আৰু দৃষ্টিভঙ্গী সলনি কৰিব পাৰিলেহে এই সমস্যাৰ স্থায়ী সমাধান হব পাৰে ।

ভাৰতৰ উত্তৰ-পূৱ অঞ্চলত একে সময়তে দেখা দিয়া ব্যাপক জনজাগৰণ বিশেষকৈ অসমৰ গণ-আন্দোলনৰ বা-বাতৰি সংগ্ৰহ কৰিবলৈ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় সকলো বাতৰি কাকত, অনাতাঁৰ অথবা দুৰদৰ্শনৰ লগত জড়িত লোক সকল তৎপৰ হৈ পৰিছে। সংবাদসেৱী, বাতৰি যোগনীয়াৰ তথা প্ৰেছ ফটোগ্ৰাফাৰ সকলে অধিক নিৰ্ভৰ-যোগ্য বাস্তৱধৰ্মী বাতৰি সংগ্ৰহ কৰিবলৈ বৰ্ত্তমান দলে দলে অসমত ভ্ৰমণ কৰিছে। বাস্তৱিকতে দেশৰ বহুলভাবে প্ৰচাৰিত দৈনিক, সাপ্তাহিক, আলোচনী, বাৰ্ত্তালোচনীয়ে অধিক আকৰ্ষণীয় ভাবে আন্দোলনৰ ওপৰত বাতৰি পৰিবেশন কৰিবলৈ একৰকম প্ৰতিযোগিতাত নমা যেন লাগিছে। ফলত এনে কাকতৰ অন্ততঃ অসমত বিক্ৰি বাঢ়িছে । সাধাৰণ ভাবে কিতাপ কাগজ কিনাত বিশেষ অভ্যস্ত নোহোৱা লোকেও গণ-আন্দোলন সম্পৰ্কে ৰাজ্যৰ বাহিৰৰ সাংবাদিকৰ মন্তব্য বা বিবৰণ পঢ়িবলৈ উৎকণ্ঠাৰে বাট চাই থাকে । এনেধৰণৰ কাকত-আলোচনীত চকু ফুৰালে এটা কথা সততে চকুত পৰে যে সাধাৰণ ভাবে দুটা উদ্দেশ্য লৈ সাংবাদিক সকল অসমলৈ আহিছে । এক শ্ৰেণীয়ে নিষ্ঠা আৰু আন্তৰিকতাৰে বৰ্ত্তমান চলি থকা গণ-আন্দোলনৰ কাৰণ জানিবলৈ আৰু ইয়াৰ মূল তাৎপৰ্য্যৰ বিষয়ে উপলব্ধি কৰিবলৈ চেষ্টা কৰে আৰু দেশৰ উত্তৰ-পূৱ অঞ্চলৰ বিষয়ে তুলনামূলক ভাবে কম জনা পঢ়ুৱৈ সকলৰ বাবে এই আন্দোলন আৰু অসমীয়া ৰাইজৰ প্ৰকৃত ক্ষোভৰ কাৰণ সহ বিতং তথ্যৰে ফটফটীয়া চিত্ৰ এখন দাঙি ধৰিব খোজে। আনটো শ্ৰেণীৰ উদ্দেশ্য বেলেগ। তেওঁলোকে অসমলৈ অহাৰ বাটত আগতীয়াকৈ এই আন্দোলনৰ বিষয়ে এটা নিজস্ব ধাৰণাৰ সৃষ্টি কৰি লৈছে। এইসকল সাংবাদিকৰ মূল উদ্দেশ্য হ'ল আন্দোলনৰ মাজত কিমানখিনি দোষ ত্ৰুটী থাকে সেইটো বিচাৰি উলিওৱা আৰু এই আন্দোলন যে প্ৰকৃততে অহিংস নহয়, ভাৰতীয় সকলৰ বিৰুদ্ধে বিদেশী শক্তিৰ সাহায্যত চলা এটা বিচ্ছিন্নতাবাদী আন্দোলন সেই কথা পাৰিলে পোনপটীয়া আৰু নোৱাৰিলে আওপকীয়া ভাবে প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা । আৰু এনে বাতৰিৰ ওপৰত ভিত্তি কৰি ইচ্ছাকৃত বা অনিচ্ছাকৃত ভাবে অসম সম্বন্ধে অজ্ঞ ৰাজনীতিবিদ, বুদ্ধিজীৱি তথা নিজৰ স্বাৰ্থ বিপন্ন হোৱাৰ আশংকা কৰা মধ্যবিত্ত চাকৰি জীৱি গৃহস্থ আৰু ধনী ব্যৱসায়ী সকলে নিজৰ মত জাহিৰ কৰিবলৈ উঠি পৰি লাগে । ইতিমধ্যে বিদেশী সাংবাদিক সকলেও

OKDISCD

কৌতুহলবশতঃ অযথা উদ্দেশ্য প্ৰাণোদিতভাবে সঘনাই এই অঞ্চলত ভ্ৰমণ কৰিবলৈ লৈছে । উদ্দেশ্য প্ৰণোদিত বাতৰিয়ে জনসাধাৰণক প্ৰকৃত লক্ষ্যত উপনীত হোৱাত সহায় নকৰে বৰং ক্ষতিহে কৰে । অলপতে নতুন দিল্লীত অনুষ্ঠিত ভাৰতীয় বাতৰি কাকত সম্পাদক মণ্ডলীৰ কাৰ্যনিৰ্বাহকেও অসমৰ বৰ্তমান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰি বাতৰি কাকত সমূহক সংযত আচৰণ কৰিবলৈ আহ্‌বান জনাইছে। সেয়েহে অসমৰ সাম্প্ৰতিক গণ-আন্দোলনৰ সঠিক বাতৰি পৰি-বেশন কৰাৰ বাবে কলিকতাৰ পৰা প্ৰচাৰিত বাংলা কাকত এখনৰ দায়িত্ব যিমান বেছি সেইদৰে বোম্বাইৰ মাৰাঠী বা গুৱাহাটীৰ পৰা প্ৰকাশিত অসমীয়া বাতৰি কাকতৰ দায়িত্বও সিমানেই গভীৰ ।

অসমত বিদেশী নাগৰিক বহিষ্কাৰৰ বাবে চলোৱা আন্দোলনত বিদেশী শক্তিৰ কিমানখিনি হাত আছে, সেই কথা বিচাৰি উলিওৱাৰ বাবে একাংশ ৰাজনৈতিক নেতা আৰু বাতৰি কাকতে আপ্ৰাণ চেষ্টা কৰা দেখা গৈছে । সংবিধান প্ৰদত্ত অধিকাৰেৰে আৰম্ভ কৰা এই আন্দো-লনক কলঙ্কিত কৰিবলৈ এই কুৎসা ৰটনা আৰম্ভণিৰে পৰা চলি আহিছে । তাৰ বাবে সংসদৰ মজিয়াও বাদ পৰা নাই। প্ৰকৃতপক্ষে যি-সকলে এই কথাত অধিক গুৰুত্ব দিছে তেওঁলোকে বোধহয় ইয়াৰ মূল তাৎপৰ্য উপলব্ধি কৰিব পৰা নাই নতুবা ইচ্ছাকৃতভাবে সত্যৰ অপলাপ কৰিছে। অসমত ভ্ৰমণৰত কিছুসংখ্যক বাতৰি কাকত আৰু বাৰ্তালোচনীৰ সংবাদ-দাতাই এই ক্ষেত্ৰত অত্যন্ত টুলুঙা আৰু তৰল যুক্তি দাঙি ধৰিছে । সাম্প্ৰতিক আন্দোলনত বিদেশী শক্তিৰ প্ৰভাব সম্বন্ধে প্ৰশ্ন কৰাত অলপতে বাঙগালোৰত বিভিন্ন ৰাজ্যত প্ৰচাৰৰ বাবে যোৱা সংগ্ৰাম পৰিষদৰ সজাতি দল এটাৰ মুখপাত্ৰ এজনে এটা সুন্দৰ কথা কৈছে। তেওঁ কৈছে যে, "আপোনালোকে যদি অসমীয়া মানুহখিনিক বিদেশী বুলি ভাবে, তেনেহলে কথাটো সঁচা। এইটো বিদেশীয়ে চলোৱা আন্দোলন ।" অৱশ্যে এই সন্দেহৰ আন এটা দিশও নথকা নহয় । অসমৰ নিচিনা স্বতঃস্ফুট গণ-আন্দোলনৰ সুবিধা লবলৈ বৃহৎ বিদেশী ৰাষ্ট্ৰৰ চোৰাংচোৱাসকল সদায় তৎপৰ হৈ থাকে । গতিকে বৰ্তমানৰ আন্দোলনৰ গয়না লৈ কেতিয়াবা বিদেশী শক্তিয়ে নিজৰ গোপন ইচ্ছা চৰিতাৰ্থ কৰিবলৈ কৌশলৰে চেষ্টা চলালে আচৰিত হবলৈ একো নাই। কিয়নো ভাৰতৰ পৰা পৃথক কৰি উত্তৰ-পূব অঞ্চলক লৈ এখন সুকীয়া স্বাধীন ৰাষ্ট্ৰ গঠনৰ ষড়যন্ত্ৰৰ খবৰ মাজে সময়ে ওলাই থাকে । বৰ্তমান অসমত দেখা দিয়া বিদেশী নাগৰিকৰ সমস্যাটোৰে যে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰটো বিশেষ গুৰুত্ব লাভ কৰিছে সেই কথা আন্দোলনৰ সকলো দিশৰ খবৰ ৰখা সকলৰ বাবে অবিদিত নহয়। উদাহৰণ স্বৰূপে সৌ সিদিনা মাথোন এ, পিয়ে পৰিৱেশন কৰা বাতৰি এটাৰ কথাকে উনুকিয়াব পাৰি । বাতৰিটো হল— "ভাৰত মহাসাগৰলৈ সোমোৱাৰ বাট বিচাৰি চীনে অসমৰ সংকট গভীৰ কৰি তুলিছে ।" টাছৰ এজন টিপ্পনীকাৰীয়ে দাবী কৰিছে যে "চীনে অসমৰ অশান্তিত ইন্ধন যোগাইছে । কাৰণ দক্ষিণ পূব এচিয়াত চীনা সমৰ্থক ৰাষ্ট এখন গঠনৰ বাবে পিকিঙে দীৰ্ঘদিনীয়া সপোন এটা পুহি আছে । ইয়াৰ বাদেও অলপতে "নিউজ উইক" নামৰ মাকিন পত্ৰিকাতো অসম আৰু চিকিমক স্বাধীন দেশ হিচাপে চিহ্নিত কৰি এখন মেপ প্ৰকাশিত হৈছে। অসমৰ অশান্তি সম্পৰ্কত সন্দেহ-জনক কাৰ্যকলাপৰ বাবে ইতিমধ্যে এজন মাকিন লোককো বহিষ্কাৰ কৰা হৈছে । এনে বাতৰিৰ সত্যতা কিমানখিনি তালৈ নগৈ এটা কথাত একমত হব পাৰি যে অসমৰ চলিত আন্দোলনে বৃহৎ ৰাষ্ট্ৰৰ মাজত নিৰবে চলি থকা শীতল যুদ্ধত লাহে লাহে এটা উল্লেখ-যোগ্য বিষয় হিচাবে পৰিগণিত হৈছে । এই দিশটো কিন্তু সহজে উৰাই দিব নোৱাৰি । ●

(অহা সংখ্যাত)

## ॥ শ্ৰদ্ধাঞ্জলী ॥

● অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত এতিয়ালৈকে প্ৰাণ আহুতি দিয়া নামী-অনামী সকলো শ্বহীদৰ আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলী নিবেদন কৰিলো আৰু শোক সন্তপ্ত পৰিয়াল-বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলো ।

● যোৱা ২৪ জুনৰ পুৱা আকস্মিকভাবে পৰলোকপ্ৰাপ্ত হোৱা ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ৺ভি, ভি, গিৰিৰ আত্মাৰ সদ্‌গতি কামনা কৰিলো ।

● ভাৰতৰ কংগ্ৰেছ (ই) ৰ বৰেণ্য যুবনেতা সঞ্জয় গান্ধীৰ অকাল কৰুণ মৃত্যুত গভীৰ দুখ প্ৰকাশ কৰি তেখেতৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিলো আৰু আত্মাৰ সদ্‌গতিৰ অৰ্থে প্ৰাৰ্থনা জনালো ।

—সূৰ্য—

OKDISCD

# অন্যমত

## অসমৰ আন্দোলন প্ৰসংগত

# ভাৰতৰ বিভিন্ন পত্ৰ-পত্ৰিকা

বিশেষ প্ৰতিনিধি

অসমৰ সাম্প্ৰতিক আন্দোলনে প্ৰায় এবছৰত ভৰি দিয়েহে লাগে। ফলশ্ৰুতি বা বিদেশী নাগৰিকৰ সমস্যাৰ সমাধানৰ প্ৰতিশ্ৰুতি আজিও এক নিৰ্দিষ্ট দিশত আগবঢ়া নাই। আন্দোলনৰ নেতৃবৃন্দৰ কঠোৰ দৃঢ়তা, অসমৰ আন্দোলনকাৰী ৰাইজৰ দুৰ্বাৰ মনোবলে যি-দৰে মাহৰ পিচত মাহ জুৰি আন্দোলনটোক বিশালৰপৰা বিশালতৰ কৰি আনিলে প্ৰতিপক্ষ কেন্দ্ৰীয় চৰকাৰেও প্ৰথম ছোৱাত ল'ৰা-ধেমালি বুলি ভাৱহেলা, দ্বিতীয়তে আন্দোলনৰ ব্যাপ্তি অনুভৱ কৰাত আৰু সমস্যাটোৰ তাৎপৰ্য উপলব্ধি কৰাত ব্যৰ্থতা, আৰু আন্দোলনে সৰ্বব্যাপী ৰূপ ধাৰণ কৰাৰ পিচত এতিয়া থৈয়া-নথৈয়া ৰণথলী কৰি সমা-ধানৰ পথ সুদূৰ পৰাহত কৰি দিয়াৰ ফলত আজি ৯/১০ মাহেও কোনো আশাপ্ৰদ সমাধানৰ সূত্ৰ চৰকাৰে দিব নোৱাৰিলে। অসমৰ সাম্প্ৰতিক আন্দোলনে যি পৰিধি লাভ কৰিলে, দেশৰ চৌদিশে আনকি বিদেশতো ইয়াৰ খলকনি যিদৰে বিয়পিলে, এনে নজিৰ স্বাধীনোত্তৰ কালৰ ইতিহাসত পাবলৈ নাই।

অসমৰ সাম্প্ৰতিক আন্দোলনৰ খবৰ যোৱা ৮/৯ মাহে দেশৰ সকলো কাকতে-পত্ৰই বিস্তাৰিতভাবে প্ৰকাশ পাইছে। বৰ্তমান দেশত এনে কোনো দৈনিক, সাপ্তাহিক, পষেকীয়া, মাহেকীয়া বাতৰি কাগজ, আলোচনী কোনোখনেই বাকী নাই য'ত অসম আন্দোলনে প্ৰাধান্য লাভ কৰা নাই বা শীৰ্ষ টোকাৰ স্থান পোৱা নাই। যোৱা কেইমাহত অসমৰ মানুহ বা অসমৰ মাটিৰ সৈতে কস্মিন কালেও সম্পৰ্ক নঘটা ভাৰতৰ বহু বিখ্যাত-অখ্যাত কাকতৰ সাংবাদিক অসমলৈ আহি অসমৰ আন্দোলন সম্পৰ্কে বুজিবৰ চেষ্টা কৰিছেহি। কোনোৱে খোলা মন লৈ, কোনোৱে পূৰ্বধাৰণা লৈ আন্দোলন দেখাৰ বাবেই হওঁক বা কাকতৰ সম্পাদকীয় নীতিৰ লগত মিলাই লোৱাৰ বাবে হওঁক প্ৰায় সকলোবোৰ কাকতৰ মতামত ভিন্ন দিশদৰ্শী। বহু কাকতৰ প্ৰতিনিধিয়ে অসমলৈ আহি সমস্যাৰ মূলৰূপ বুজাৰ চেষ্টা নকৰি বা বুজাত ব্যৰ্থ হৈ কেৱল আন্দোলনৰ বাহ্যিক নিগেটিভ ৰূপটো প্ৰকট কৰি আন্দোলন বিৰোধীসকলৰ প্ৰশংসা লভিছে। অসম সমস্যাই সম্প্ৰতি সৰ্বভাৰতীয় স্তৰত গুৰুত্ব লাভ কৰা বাবে ভালেমান কাকতৰ প্ৰতিনিধিয়ে অসম সমস্যাৰ ওপৰত মুখৰোচক গল্পৰ সৃষ্টি কৰি কাকতৰ ব্যৱসায় বঢ়াইছে বা হটকেকৰ দৰে বিক্ৰী বঢ়াইছে।

আন্দোলনৰ বিষয়টোৱে লাভ কৰা বিশালতাৰ পৰিপ্ৰেক্ষিতত একেটা প্ৰবন্ধতে আটাইখিনি কাকতৰ মতামতৰ পৰ্য্যালোচনা আগ বঢ়োৱা সম্ভৱ নহয়। সংক্ষেপে হাতত পৰা অসমৰ বাহিৰৰ দুই এখন কাকতত প্ৰকাশিত সম্পাদকীয়, নিবন্ধ আৰু অন্যান্যৰ লেখা প্ৰবন্ধৰ উল্লেখ কৰিয়েই ক্ষান্ত থাকিম। আন্দোলনৰ প্ৰথম স্তৰত অৰ্থাৎ যোৱা বছৰ জুন মাহত বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত আহ্বান কৰা আন্দোলনৰ প্ৰথম সূচীৰ পৰা মধ্যৱৰ্তীকালীন নিৰ্বাচনৰ প্ৰস্তুতি-পৰ্বলৈকে অসমৰ আন্দোলনক অসমৰ বাহিৰত বিশেষ গুৰুত্ব দিয়া নাছিল। কলিকতাৰ প্ৰেছে মুলতঃ আন্দোলনটোক বাঙালী বিৰোধী আৰু ৰাষ্ট্ৰবিৰোধী, বিচ্ছিন্নতাবাদী আন্দোলন বুলি চিহ্নিত কৰাৰ পৰা সেই ধাৰণা আজিও বহু কাকত বা সাংবাদিকৰ মনৰ পৰা আঁতৰা নাই। সেই সময়ত ইণ্ডিয়া টুডে আৰু চানডে কাকতে আন্দোলনটোক প্ৰচ্ছন্ন বিচ্ছিন্নতাবাদী আখ্যা দি সৰ্বভাৰতীয় পৰ্যায়ত আন্দোলনটোৰ কুখ্যাতি বিয়পালে। আনন্দবাজাৰ, যুগান্তৰ প্ৰভৃতি বাংলাপত্ৰিকাসমূহৰ ভূমিকাৰ কথা লেখত ধৰাই নাই।

অসমত মধ্যৱৰ্তীকালীন নিৰ্বাচন স্থগিত কৰণৰ বাবে চলি থকা গণসত্যাগ্ৰহৰ সময়ত ডিচেম্বৰ মাহত ইলাষ্ট্ৰেটেড্ উইক্‌লী কাকতৰ সম্পাদক প্ৰবীণ সাংবাদিক শ্ৰী এম, ভি, কামাথ অসমলৈ আহি আন্দো-লনৰ স্বৰূপ দেখি ২০ জানুৱাৰী সংখ্যাত লেখা Neglected Assam শীৰ্ষক প্ৰবন্ধ ইহে প্ৰথমবাৰৰ বাবে সৰ্বভাৰতীয় ভিত্তিত অসমৰ আন্দো-লনৰ হিংস্ৰ বিচ্ছিন্নতাবাদী, ৰাষ্ট্ৰবিৰোধী বুলি চলা অপবাদ কিছু পৰিমাণে লাঘব কৰে। অসমৰ প্ৰায়সকলো পাঠকৰ মাজতে বিস্তৃত-ভাবে পঠিত শ্ৰীকামাথৰ প্ৰবন্ধৰ পুনৰুদ্ধৃতি দিয়াৰ প্ৰয়োজন নাই বুলি ভাবিছো। আন্দোলনৰ সপক্ষে মতপ্ৰকাশ কৰা অন্য কাকতখন হ'ল শ্ৰীৰাজমোহন গান্ধী সম্পাদিত Himmat। 'হিম্মত'ত প্ৰকাশিত শ্ৰীগান্ধীৰ The wounds of Indifference শীৰ্ষক প্ৰবন্ধইও অসমৰ আন্দোলন সম্পৰ্কীয় অপপ্ৰচাৰ প্ৰথমতে আংশিকভাবে হলেও ৰোধ কৰিবলৈ সমৰ্থ হয়।

OKDISCD

## অন্যমত | অসমৰ আন্দোলন প্ৰসংগত

# ভাৰতৰ বিভিন্ন পত্ৰ-পত্ৰিকা

● বিশেষ প্ৰতিনিধি

অসমৰ সাম্প্ৰতিক আন্দোলনে প্ৰায় এবছৰত ভৰি দিয়েহে লাগে। ফলশ্ৰুতি বা বিদেশী নাগৰিকৰ সমস্যাৰ সমাধানৰ প্ৰতিশ্ৰুতি আজিও এক নিৰ্দিষ্ট দিশত আগবঢ়া নাই। আন্দোলনৰ নেতৃবৃন্দৰ কঠোৰ দৃঢ়তা, অসমৰ আন্দোলনকাৰী ৰাইজৰ দুৰ্বাৰ মনোবলে যি-দৰে মাহৰ পিচত মাহ জুৰি আন্দোলনটোক বিশালৰপৰা বিশালতৰ কৰি আনিলে প্ৰতিপক্ষ কেন্দ্ৰীয় চৰকাৰেও প্ৰথম ছোৱাত ল'ৰা-ধেমালি বুলি ভাৱহেলা, দ্বিতীয়তে আন্দোলনৰ ব্যাপ্তি অনুভৱ কৰাত আৰু সমস্যাটোৰ তাৎপৰ্য উপলব্ধি কৰাত ব্যৰ্থতা, আৰু আন্দোলনে সৰ্বব্যাপী ৰূপ ধাৰণ কৰাৰ পিচত এতিয়া থৈয়া-নথৈয়া ৰণথলী কৰি সমাধানৰ পথ সুদূৰ পৰাহত কৰি দিয়াৰ ফলত আজি ৯/১০ মাহেও কোনো আশাপ্ৰদ সমাধানৰ সূত্ৰ চৰকাৰে দিব নোৱাৰিলে। অসমৰ সাম্প্ৰতিক আন্দোলনে যি পৰিধি লাভ কৰিলে, দেশৰ চৌদিশে আনকি বিদেশতো ইয়াৰ খলকনি যিদৰে বিয়পিলে, এনে নজিৰ স্বাধীনোত্তৰ কালৰ ইতিহাসত পাবলৈ নাই।

অসমৰ সাম্প্ৰতিক আন্দোলনৰ খবৰ যোৱা ৮/৯ মাহে দেশৰ সকলো কাকতে-পত্ৰই বিস্তাৰিতভাৱে প্ৰকাশ পাইছে। বৰ্তমান দেশত এনে কোনো দৈনিক, সাপ্তাহিক, পষেকীয়া, মাহেকীয়া বাতৰি কাগজ, আলোচনী কোনোখনেই বাকী নাই য'ত অসম আন্দোলনে প্ৰাধান্য লাভ কৰা নাই বা শীৰ্ষ টোকাৰ স্থান পোৱা নাই। যোৱা কেইমাহত অসমৰ মানুহ বা অসমৰ মাটিৰ সৈতে কস্মিন কালেও সম্পৰ্ক নঘটা ভাৰতৰ বহু বিখ্যাত-অখ্যাত কাকতৰ সাংবাদিক অসমলৈ আহি অসমৰ আন্দোলন সম্পৰ্কে বুজিবৰ চেষ্টা কৰিছেহি। কোনোৱে খোলা মন লৈ, কোনোৱে পূৰ্বধাৰণা লৈ আন্দোলন দেখাৰ বাবেই হওঁক বা কাকতৰ সম্পাদকীয় নীতিৰ লগত মিলাই লোৱাৰ বাবে হওঁক প্ৰায় সকলোবোৰ কাকতৰ মতামত ভিন্ন দিশদৰ্শী। বহু কাকতৰ প্ৰতিনিধিয়ে অসমলৈ আহি সমস্যাৰ মূলৰূপ বুজাৰ চেষ্টা নকৰি বা বুজাত ব্যৰ্থ হৈ কেৱল আন্দোলনৰ বাহ্যিক নিগেটিভ ৰূপটো প্ৰকট কৰি আন্দোলন বিৰোধীসকলৰ প্ৰশংসা লভিছে। অসম সমস্যাই সম্প্ৰতি সৰ্বভাৰতীয় স্তৰত গুৰুত্ব লাভ কৰা বাবে ভালেমান কাকতৰ প্ৰতিনিধিয়ে অসম সমস্যাৰ ওপৰত মুখৰোচক গল্পৰ সৃষ্টি কৰি কাকতৰ ব্যৱসায় বহলাইছে বা হটকেকৰ দৰে বিক্ৰী বঢ়াইছে।

আন্দোলনৰ বিষয়টোৱে লাভ কৰা বিশালতাৰ পৰিপ্ৰেক্ষিতত একেটা প্ৰবন্ধতে আটাইখিনি কাকতৰ মতামতৰ পৰ্য্যালোচনা আগ বঢ়োৱা সম্ভৱ নহয়। সংক্ষেপে হাতত পৰা অসমৰ বাহিৰৰ দুই এখন কাকতত প্ৰকাশিত সম্পাদকীয়, নিবন্ধ আৰু অন্যান্যৰ লেখা প্ৰবন্ধৰ উল্লেখ কৰিয়েই ক্ষান্ত থাকিম। আন্দোলনৰ প্ৰথম স্তৰত অৰ্থাৎ যোৱা বছৰ জুন মাহত বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত আহ্বান কৰা আন্দোলনৰ প্ৰথম সূচীৰ পৰা মধ্যৱৰ্তীকালীন নিৰ্বাচনৰ প্ৰস্তুতি-পৰ্বলৈকে অসমৰ আন্দোলনক অসমৰ বাহিৰত বিশেষ গুৰুত্ব দিয়া নাছিল। কলিকতাৰ প্ৰেছে মূলতঃ আন্দোলনটোক বাঙালী বিৰোধী আৰু ৰাষ্ট্ৰবিৰোধী, বিচ্ছিন্নতাবাদী আন্দোলন বুলি চিহ্নিত কৰাৰ পৰা সেই ধাৰণা আজিও বহু কাকত বা সাংবাদিকৰ মনৰ পৰা আঁতৰা নাই। সেই সময়ৰ ইণ্ডিয়া টুডে আৰু চানডে কাকতে আন্দোলনটোক প্ৰচ্ছন্ন বিচ্ছিন্নতাবাদী আখ্যা দি সৰ্বভাৰতীয় পৰ্যায়ত আন্দোলনটোৰ কুখ্যাতি বিয়পালে। আনন্দবাজাৰ, যুগান্তৰ প্ৰভৃতি বাংলাপত্ৰিকাসমূহৰ ভূমিকাৰ কথা লেখত ধৰাই নাই।

অসমত মধ্যৱৰ্তীকালীন নিৰ্বাচন স্থগিত কৰণৰ বাবে চলি থকা গণসত্যাগ্ৰহৰ সময়ত ডিচেম্বৰ মাহত ইলাষ্ট্ৰেটেড্ উইক্‌লী কাকতৰ সম্পাদক প্ৰবীণ সাংবাদিক শ্ৰী এম, ভি, কামাথ অসমলৈ আহি আন্দোলনৰ স্বৰূপ দেখি ২০ জানুৱাৰী সংখ্যাত লেখা Neglected Assam শীৰ্ষক প্ৰবন্ধ ইহে প্ৰথমবাৰৰ বাবে সৰ্বভাৰতীয় ভিত্তিত অসমৰ আন্দোলনৰ হিংস্ৰ বিচ্ছিন্নতাবাদী, ৰাষ্ট্ৰবিৰোধী বুলি চলা অপবাদ কিছু পৰিমাণে লাঘব কৰে। অসমৰ প্ৰায়সকলো পাঠকৰ মাজতে বিস্তৃত-ভাবে পঠিত শ্ৰীকামাথৰ প্ৰবন্ধৰ পুনৰুদ্ধৃতি দিয়াৰ প্ৰয়োজন নাই বুলি ভাবিছো। আন্দোলনৰ সপক্ষে মতপ্ৰকাশ কৰা অন্য কাকতখন হ'ল শ্ৰীৰাজমোহন গান্ধী সম্পাদিত Himmat। 'হিম্মত'ত প্ৰকাশিত শ্ৰীগান্ধীৰ The wounds of Indifference শীৰ্ষক প্ৰবন্ধইও অসমৰ আন্দোলন সম্পৰ্কীয় অপপ্ৰচাৰ প্ৰথমতে আংশিকভাবে হলেও ৰোধ কৰিবলৈ সমৰ্থ হয়।

OKDISCD

অসমৰ আন্দোলনৰ ওপৰত বস্তুনিষ্ঠ আৰু যুক্তিসমৃদ্ধ পৰ্য্যালোচনাৰে দেশৰ বিভিন্ন ঠাইত জনমত গঠন কৰাত সহায় কৰা দুজন প্ৰবীণ সাংবাদিক হ'ল ইনফাৰ শ্ৰীইন্দৰজিৎ আৰু গান্ধী শান্তি প্ৰতিষ্ঠানৰ শ্ৰীবি, জি, ভাৰ্গিজ। বিভিন্ন ঠাইত বিভিন্ন সময়ত প্ৰকাশ কৰা বিবৃতিৰ উপৰিও শ্ৰীভাৰ্গিজে ১৬ এপ্ৰিল সংখ্যাৰ ইণ্ডিয়া টুডেত লেখা Confusion worse founded শীৰ্ষক প্ৰবন্ধত অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ গভীৰতা, চৰকাৰৰ অমনোযোগিতা আৰু দূৰদৃষ্টিহীন কাৰ্যই জটিলতৰ কৰা সমস্যা আৰু ইয়াৰ সাংবিধানিক সমাধানৰ বাবে আগবঢ়োৱা পৰামৰ্শই যিকোনো সচেতন পাঠকক অসমৰ সমস্যা সম্পৰ্কত এটি নিৰ্ভুল আভাস দিব। সংবিধানৰ আধাৰেই যে অসমৰ বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ একমাত্ৰ উপায় তাক ভাৰ্গিজে স্পষ্টভাবে উল্লেখ কৰিছে। সংবিধানত নিৰ্ধাৰিত বিদেশী নাগৰিকৰ সংজ্ঞাক ৰাষ্ট্ৰযন্ত্ৰৰ খেয়াল খুচি অনুযায়ী ব্যৱহাৰ কৰিব নোৱাৰি আৰু সেয়ে হ'লে ভৱিষ্যতৰ যিকোনো কাৰ্যৰ বাবে সি বিপদৰ সূচনা হ'ব বুলি ভাৰ্গিজে সকিয়াই দিছে। তদুপৰি এই প্ৰবন্ধত শ্ৰীভাৰ্গিজে তেওঁৰ সমাধান সূত্ৰ আগবঢ়াইছে এনেদৰে,—চৰকাৰে সাংবিধানিক দিশৰ পৰা শুদ্ধ ১৯৫১-৫২ চনৰ বছৰটো মানি লৈ অসমত বৰ্তমানে চলি থকা অস্থিৰ অৱস্থাৰ শাম কাটিবলৈ দিয়ক। ১৯৭১ চনৰ পিচৰ অনুপ্ৰবেশকাৰী সকলক নিজ নিজ ৰাষ্ট্ৰলৈ ঘূৰাই পঠাওক। মাজৰ যিখিনি ভাৰতবৰ্ষৰ মাটিত জন্ম গ্ৰহণ কৰি ইয়াতে বিয়া-বাৰু কৰাই নিগাজী হৈছে সিসকলক সংবিধানৰ চৰ্ত অনুসৰি নাগৰিকত্বৰ বাবে আবেদন কৰিবলৈ সুবিধা দিয়ক। বাকীসকলক আপাততঃ ৰাষ্ট্ৰীয়তাহীন ৰূপে চিহ্নিত কৰি অন্যান্য ৰাজ্যতো থাকিবলৈ দিয়া হওক যাতে তেওঁলোকৰ দায়িত্ব কেৱল অসমে বহন কৰিব লগা নহয়। ছাত্ৰসন্থা আৰু গণসংগ্ৰাম পৰিষদৰ মূল দাবীৰ পৰা ভাৰ্গিজৰ পৰামৰ্শ বিশেষ ভিন্ন নহয়। গান্ধী শান্তি প্ৰতিষ্ঠানৰ শ্ৰীৰাধাকৃষ্ণই অসমত প্ৰকাশ কৰা বিবৃতিৰ উপৰিও দিল্লীত অসম সমস্যা সম্পৰ্কত অনুষ্ঠিত বিভিন্ন আলোচনা সভাত আগবঢ়োৱা মন্তব্যও প্ৰসঙ্গতঃ প্ৰনিধান যোগ্য। অসম আন্দোলন সম্পৰ্কত একেবাৰে বস্তুনিষ্ঠ সমালোচনা আগবঢ়াই অহা ইনফাৰ শ্ৰীইন্দৰজিতৰ কথা আগেয়েই উল্লেখ কৰিছো। Economic Times, Assam Tribune প্ৰভৃতি কাকতত প্ৰকাশিত কেবাটাও প্ৰবন্ধেৰে অসম আন্দোলনৰ লগত জড়িত বিভিন্ন দিশ পৰিস্কাৰ কৈ চালি জাৰি অসমৰ বাহিৰত বিভ্ৰান্তি গুচোৱাত বহুদূৰ সহায় কৰিছে। Economic Times অত প্ৰকাশিত আৰু ২ মে'ৰ Assam Tribune ত পুনমুদ্ৰিত now or never for Assam শীৰ্ষক প্ৰবন্ধত ইন্দৰজিতে কয় যে আন্দোলনৰ ফলত ৰাজ্যখনৰ বিভিন্ন ঠাইত সংঘটিত হিংস্ৰ ঘটনাবোৰ যিমান দুঃখজনক তাতোকৈ বেচি দুৰ্ভাগ্যজনক হৈছে কেন্দ্ৰীয় চৰকাৰে ইমান দিনে কোনো এটা সন্তোষজনক সমাধানত উপনীত হব নোৱাৰি বৰ্ত্তমানৰ অৱস্থা এইদৰে চলি থাকিবলৈ দিয়াটোহে। শ্ৰীমতী গান্ধীয়ে তেওঁৰ দলৰ পৰা অধিক ৰাজনৈতিক মূল্য দিব লগা যাতে নহয় তাৰ বাবে ১৯৭১ চনৰ পৰা ইফাল-সিফাল হব নোখোজে।

আকৌ ১০ মে' তাৰিখৰ প্ৰবন্ধ Assam : Playing with fire শীৰ্ষক প্ৰবন্ধত ইন্দৰজিতে কয় যে বিদেশীৰ প্ৰশ্নত অসমৰ মানুহক ভুৱা প্ৰতিশ্ৰুতি আৰু কিছুমান অসাৰ কথাৰে ভোলাই ৰাখিব পৰা নহব। দৰদাম কৰি সময় লৈ নাইবা দমনমূলক ব্যৱস্থাৰে অসমৰ আন্দোলন মষিমূৰ কৰিব পৰা নাযাব। মৰ্য্যদা আৰু ৰাজনৈতিক পাকচক্ৰ এফলীয়াকৈ থৈ অকণো সময় অথলে নোযোৱাকৈ কেউফালে বিয়পি পৰা এই সমস্যাটোৰ এক ৰাষ্ট্ৰীয় সমাধান বিচাৰি উলিয়াবই লাগিব। আজিৰ গ্ৰহণযোগ্য সমাধান কাইলৈ গ্ৰহণযোগ্য হৈ নেথাকিব পাৰে। জুইৰ লগত খেলাৰ পৰা নতুন দিল্লী বিৰত থাকিব লাগিব।

হিম্মত কাকতৰ প্ৰতিনিধি নীৰজা চৌধুৰী আৰু ৰূপা চিনাই বিস্তৃত ভ্ৰমণেৰে অসম আন্দোলনৰ ওপৰত ১৮ এপ্ৰিল, ২৫ এপ্ৰিল আৰু ৩০ মে'ৰ সংখ্যাত লেখা প্ৰবন্ধ কেইটাত অসমৰ প্ৰতি কেন্দ্ৰৰ সুদীৰ্ঘ অৱহেলা, অসমৰ আন্দোলনৰ সামগ্ৰিক শান্তিপূৰ্ণৰূপ, আন্দোলনত চহৰ-নগৰৰ লক্ষ-লক্ষ মানুহৰ সহযোগ আৰু এই আন্দোলনে অসমত সৃষ্টি কৰা নৱ-জাগৰণ প্ৰভৃতি দিশ প্ৰতিফলিত হৈছে। লগতে ২ মে' তাৰিখৰ সংখ্যাত প্ৰকাশিত ৰাজমোহন গান্ধীৰ Assam the uglier Truth শীৰ্ষক প্ৰবন্ধত অসমৰ স্বাৰ্থৰ প্ৰতি কেন্দ্ৰ তথা ভাৰতীয়মনৰ অনুদাৰতা, অমনোযোগিতা আৰু অৱহেলাৰ কথা প্ৰকাশিত হৈছে। অসমৰ আন্দোলনক সহানুভূতিৰে চিত্ৰিত কৰা অন্য এখন কাকত হ'ল বোম্বেৰ The Current। কাকতখনৰ সম্পাদক আবু ছৈয়দ অসমলৈ আহি আন্দোলনৰ নেতৃবৃন্দ, অসমৰ বিভিন্ন ক্ষেত্ৰৰ মানুহৰ লগত সাক্ষাত কৰি ৩ মে'ত লেখা বিবৰণে অসমৰ বাহিৰত আন্দোলনৰ প্ৰচাৰত

OKDISCD

এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিলে। আবু ছৈয়দে অসমৰ এই আন্দোলনক এক গণ-অভ্যুত্থান বুলি অভিহিত কৰি কৈছে যে এনে আন্দোলন তেওঁ কেতিয়াও দেখা নাছিল। আন্দোলনৰ সৈতে প্ৰত্যেকজন অসমীয়াৰ গভীৰ আবেগিক সম্পৰ্ক, অসমৰ মুছলমান সম্প্ৰদায়ৰ অংশগ্ৰহণ, আন্দোলনলৈ জনসাধাৰণৰ অকুণ্ঠ দান-বৰঙণি আদিলৈ আঙুলিয়াই শ্ৰীছৈয়দে আন্দোলনটোক অসাম্প্ৰদায়িক বুলি আখ্যা দিয়ে আৰু ইয়াত বিদেশী শক্তিৰ প্ৰভাবৰ কথা অস্বীকাৰ কৰে।

প্ৰসিদ্ধ সাংবাদিক কুলদীপ নায়াৰে তীব্ৰ গতিৰে আন্দোলন চলি থকা অৱস্থাত অসম ভ্ৰমণ কৰি আন্দোলন সম্পৰ্কে পোনপটীয়া অভিজ্ঞতাৰ ভেঁটিত Indian Express কাকতত লেখা প্ৰৱন্ধত অসমৰ আন্দোলন বাঙালী বিৰোধী আৰু বিছিন্নতাবাদী বুলি উঠা অভিযোগ খণ্ডন কৰে। ১৯ এপ্ৰিলত সান্ধ্য–আইন ঘোষণাৰ পিচত গুৱাহাটীত লক্ষ–লক্ষ মানুহ স্বতঃস্ফূৰ্তভাবে ওলাই আহি সান্ধ্য আইন তুলি লবলৈ কৰ্তৃপক্ষক বাধ্য কৰোৱা দৃষ্টান্ত অবিস্মৰণীয় বুলি অভিহিত কৰে। শ্ৰীনায়াৰে ১৯৫১ চনটো চিনাক্তকৰণৰ আধাৰ বছৰ হিচাপে গ্ৰহণৰ সাংবিধানিক যৌক্তিকতা স্বীকাৰ কৰে। ইণ্ডিয়ান এক্সপ্ৰেছ কাকতৰ ২১ মে' সংখ্যাত প্ৰকাশিত অৰুণ সিন্‌হাৰ অসম সম্পৰ্কত বাওপন্থী মহল বিভক্ত শীৰ্ষক প্ৰবন্ধত অসমৰ আন্দোলনৰ যৌক্তিকতা, আন্দোলনৰ কাৰ্যসূচী আৰু গতি–প্ৰকৃতি, চৰকাৰৰ দমন-নীতি, বিভিন্ন সম্প্ৰদায়ৰ অংশ গ্ৰহণ, সাম্প্ৰদায়িক অশান্তি, জাতিসত্তাৰ প্ৰশ্ন প্ৰভৃতি বিষয় লৈ বিভিন্ন বাওপন্থী মহলৰ মাজত সৃষ্টি হোৱা মতদ্বৈধতাৰ এটি বিশ্লেষণ আগবঢ়ায়।

চানডে, ইণ্ডিয়া টুডে প্ৰভৃতি পত্ৰিকাই অসমৰ আন্দোলন সম্পৰ্কত সমালোচনাৰ সুৰ অসমত নিৰ্বাচন আংশিকভাবে স্থগিত হোৱাৰ পিচৰ পৰা কিছু সলাইছে। আন্দোলনৰ চৰিত্ৰত তেওঁলোকৰ প্ৰচ্ছন্ন সন্দেহ থাকিলেও নিৰ্বাচনৰ আগৰ কঠোৰ সমালোচনা প্ৰয়োগ কৰিবলৈ এৰিছে। কাকত কেইখনৰ যোৱা কিছু সংখ্যাৰ বিৱৰণেই ইয়াৰ সাক্ষ্য দিয়ে। ● (অহা সংখ্যাত)

---

## সূৰ্যস্নান

গণতন্ত্ৰত চৰকাৰ জনসাধাৰণতকৈ শক্তিশালী বা দৃঢ়মনা হব নোৱাৰে। ই জনসাধাৰণতকৈ বেছি জ্ঞানীও হব নোৱাৰে।

—এডলাই ষ্টিভেনছন

# কবিতা

## নতুন দিনৰ খবৰ

(পৰম পূজনীয় দেউতা, শ্ৰীচৰণেষু)

● ৰোহিনী কুমাৰ পাঠক

কি নৈতিকতা ?

আপোন শত্ৰু চিনি পোৱাৰ আনন্দত  
আজি মই উশৃঙ্খল।  
দেউতা, আপোচ কৰিবলে' মই  
তোমাৰ পৰাই নিশিকিলো।

যুগৰ বতাহ  
হাতত লৈ  
মই মানুহৰ হাতে হাতে বিলাই যাম  
বসন্তৰ বজ্ৰ নিৰ্ঘোষ,  
ঘৰে ঘৰে কৈ যাম  
নতুন দিনৰ খবৰ।

কি নৈতিকতা ?

অহিংসাৰ নিৰ্মম ৰূপ  
কিমান চাম ?  
আমাৰ সংখ্যা ক্ৰমাৎ বাঢ়ি আহিছে।

দেউতা,  
চিৰসুন্দৰ দিনৰ বাবে  
এই দেশত  
আৰু অগণন ৰক্তপাত হব। ●

OKDISCD

# কবি

ৰবীন শৰ্ম্মা

যেতিয়াই মই ভৱিৰ তলৰ মাটি চিনি পালোঁ
মই
কবি
হলোঁ
পৃথিবীৰ ।

যেতিয়াই মই দুখৰ সামাজিক উৎস বিচাৰি পালোঁ
মই
কবি
হলোঁ
মানুহৰ ।

যেতিয়াই মই মাটিত গোৰোহামাৰি মুষ্টিবদ্ধ হাত ওপৰলৈ তুলিলোঁ
মই
কবি
হলোঁ
সংগ্ৰামৰ ।

# সূৰ্যৰ তেজস্বিতাৰে

কৃষ্ণা দাস

সূৰ্যৰ তেজস্বিতাৰে আগবাঢ়িছোঁ,
মুমূৰ্ষু মানৱক বাস্তৱৰ খণ্ড–বিখণ্ডতাৰ
বিষয়ে সজাগ কৰি দিবলৈ ।
ভৱিষ্যৎ আমাৰ যিয়েই নহওঁক কিয়
শেষ বিন্দু ৰক্ত কলিজাত থকা পৰ্য্যন্ত
আগবাঢ়ি যাম—

# তিনিটা চুটি কবিতা

দিলীপ কুমাৰ দাস

।। এক ।।

সকলো প্ৰাপ্তিৰ মাজতো
এক বিশাল শূন্যতা
আৰু এই শূন্যতাতেই নিহত
ক্ৰমশঃ
মোৰ অতীত, বৰ্ত্তমান
আৰু ভৱিষ্যৎ ।

।। দুই ।।

দুখৰ কমাৰশালত
হাড় ঘঁহি ঘঁহি
যি জীলোঁ—
সেয়াতো মৃত্যুৰেই
প্ৰাৰম্ভণ !

।। তিনি ।।

কোনো কোনোৱে কয়
"জীৱন সুন্দৰ ।"
হয়তো হয়—
মই কিন্তু তেনেকৈ
কব নোৱাৰিলো ।

# প্ৰত্যাহ্বান

লক্ষ্মীপ্ৰসাদ সিং

আজি কালি দুখবোৰক আলফুলে
দুহাঁতৰ তলুৱাত লৈ খেলা কৰো,
(মোৰ) দুখ মানেই হ'ল—
বিষণ্ণ পুৱাৰ পৰা কজলা গধূলি,
তেনেকৈয়ে প্ৰতিদিনে নিজকে গঢ়ি পিতি লওঁ ।
বোকাতহে পদুম ফুল ফুলে,

OKDISCD

## অনুবাদ কবিতা

নিকানোৰ পাৰ্ৰা, জন্ম ঃ ১৯১৪ ঃ চিলি

### তৰুণ কবিসকল

তৰুন কবিসকল
যি খুচি লিখিব পাৰা
যি শৈলী পছন্দ তাতেই
সেতুৰ তলেদি বৈছে অনেক ৰক্ত
এই কথা বিশ্বাস কৰিছে কেৱল
যে মাত্ৰ এটা ৰাস্তাই শুদ্ধ ।
কবিতাত সকলোৰে প্ৰৱেশ চলে ।

কেৱল এটাই হল চৰ্ত্ত, কোৱা বাহুল্য ;
উকা কাগজতকৈ ভাল কৰিব লাগিব তুমি ।

### পৰীক্ষা

এন্টিপয়েট কাক বোলে ?
শবাধাৰ আৰু ছাইদানীৰ কোনো বেপাৰী ?
নিজৰ ক্ষমতাত দ্বিধাগ্ৰস্ত কোনো সেনাপতি ?
একোকেই বিশ্বাস নকৰে এনে কোনো পুৰোহিত ?
এনে কোনো ভিখাৰী অঘৰী যিয়ে সকলোকে
হাঁহে আনকি জৰা আৰু মৃত্যুৰ শংকাকো ?
কোনো বদমেজাজী বাক্য বাগীশ ?
খালৰ পাৰত নৃত্যৰতা কোনো নাচনি ?
সমস্ত পৃথিবীৰ প্ৰেমত পৰা এনে কোনো নাৰ্চিচাছ ?
এনে কোনো ৰক্তাল্পুত বহুৰা যি ইচ্ছা কৰিয়ে সেই দশাত পৰিছে ।
ছেয়াৰত বহি টোপনি যায় এনে কোনো কবি ?

## প্ৰবন্ধ

**ব্যাধিগ্ৰস্ত সমাজ :**

# যৌন উশৃংঙ্খলতা আৰু যৌন বিকৃতি

● বিষ্ণুৰাম বৈশ্য

"ন জাতু কামঃ কামানামুপভোগেন শাম্যতি ।
হবিষা কৃষ্ণবৰ্ত্মেব ভূয় এবাভিবৰ্দ্ধতে ।।" —মনু ২/৯৪

[যৌন সমস্যা আমাৰ দেশত নতুন নহয় । ইয়াৰ ভয়াবহতা সম্পৰ্কে সজাগ থকাৰ প্ৰয়োজনীয়তা আছে। কিন্তু নিচক মনস্তাত্ত্বিক আৰু চিকিৎসা-বিজ্ঞানৰ দৃষ্টিকোনেৰে চালে ইয়াৰ ভয়াবহতা সম্পূৰ্ণ হৃদয়ঙ্গম কৰিব পৰা নাযায়। আংশিকৰূপত সমস্যাটোক বিচাৰ কৰা বাবেই এই সমস্যাৰ স্থায়ী সমাধান উলিয়াব পৰা হোৱা নাই ।

সমাজৰ আন সকলো সমস্যাৰ দৰেই যৌনসমস্যাও অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক কাৰণৰ পৰা উদ্ভুত। ইয়াৰ নিৰাময়ৰ বাবে এই কাৰণসমূহ দূৰ কৰিবই লাগিব। যৌন-সমস্যাৰ সম্পৰ্কে গঠনমূলক দৃষ্টি ভঙ্গীৰে আলোচনা কৰাৰ অৰ্থ হল—এই কাৰণ সমূহ নিৰ্মূল কৰা । এনে দৃষ্টিভঙ্গীলৈ এই প্ৰবন্ধটোত এটা আলোচনা আগবঢ়োৱা হৈছে। যৌন সমস্যাৰ ঐতিহাসিক উৎস সমূহৰ প্ৰতি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰাৰ লগ ত, যৌনবিকৃতি সমূহৰ বিষয়ে, যৌন সমস্যাত ইন্ধন যোগোৱা কাৰক সমূহৰ বিষয়ে আৰু যৌন প্ৰবৃত্তিৰ সংস্কাৰৰ বিষয়ে আলোচনা কৰা হৈছে। সামাজিক বৈষম্যহীন জীৱনৰ নিৰাপত্তা আৰু সু-সংস্কৃতি থকা এখন নতুন সমাজেহে মানুহক যৌনসমস্যাৰ পৰা মুক্ত কৰিব বুলি আমি ইয়াত দৃঢ়মত পোষণ কৰিছো। ]

মানৱ জাতিৰ ওপৰত বৰ্ত্তমান সভ্যতাৰ অন্যতম অভিশাপ কি ?
যৌন উশৃঙ্খলা আৰু যৌন বিকৃতি।

OKDISCD

স্বীকাৰ কৰিব লাগিব—পেটৰ ভোক আৰু যৌন ক্ষুধা, এই দুটা মানৱ জীৱনৰ অপৰিহাৰ্য বস্তু। যৌন প্ৰবৃত্তি মানুহৰ সম্পূৰ্ণ স্বাভাৱিক কামনা। সভ্যতাৰ আদিতে আহাৰৰ অভাৱ নাছিল ; সেইদৰে নাৰী-পুৰুষৰ যৌন কামনা পুৰণতো কোনো বাধা নাছিল। ক্ৰমশঃ মানৱজাতি সভ্যতাৰ পথত আগুৱাই আহিল। মুক্তপ্ৰকৃতিৰ পৰা কিছু আতৰি আহি, মানুহে ঘৰসাজি, পৰিয়াল পাতি থাকিবলৈ শিকিলে। লাহে লাহে সমাজলৈ নামি আহিল নানান সামাজিক ৰীতি-নীতি, শ্ৰেণীবিভাজন ইত্যাদি। লগে লগে যৌনজীৱনেও ৰূপ সলালে। মানুহৰ সামাজিক জীৱনৰ অগ্ৰগতিয়ে নাৰী পুৰুষৰ স্বাভাৱিক আৰু স্বতঃস্ফূৰ্ত্ত মিলনত বাধা জন্মালে। কাৰণ সমাজত উদ্বৃত জমা হোৱাৰ লগে লগে ব্যক্তিগত সম্পত্তিৰ সৃষ্টি হব ধৰিলে। আৰু উত্তৰাধিকাৰীৰ প্ৰশ্নই নাৰী—পুৰুষৰ আদিম, মুক্ত যৌন প্ৰেম জীৱনৰ প্ৰতি সমাজৰ দৃষ্টিভঙ্গী সলনি কৰি দিলে। নাৰীৰ স্থান সমাজত অৱনমিত হ'ল আৰু পৰিয়ালৰ বিৱৰ্তন হৈ হৈ আধুনিক একপত্নী একপতিৰ পৰিয়ালৰ ৰূপ ললে। এতিয়াৰ পৰা মানুহে-ধৰ্ম্মীয়, সামাজিক, অৰ্থনৈতিক আদিৰ ব্যৱধানৰ ফলত সৃষ্টিহোৱা নীতি-নিয়ম, আইন শৃঙ্খলা প্ৰভৃতি বাধা নিষেধবোৰ দেখ্‌দেখ্‌কৈ ভাঙি যৌন—কামনা চৰিতাৰ্থ কৰিব নোৱাৰা হ'ল। নাৰী–পুৰুষৰ সহজাত যৌন কামনা হৈ পৰিল অৱদমিত আৰু সুপ্ত ; যদিও ভিতৰি ভিতৰি এই কামনা তুঁহ জুইৰ দৰে উমি উমি জ্বলি থাকিল। ইতিমধ্যে বস্ত্ৰযুগৰ আৰম্ভণিৰ পৰা মানুহৰ যৌন চিন্তাৰ বিৰাট পৰিবৰ্তন ঘটে। কাৰণ বস্ত্ৰাবৃত মানৱদেহ নাৰী–পুৰুষৰ বাবে হৈ পৰিল এক বিৰাট ৰহস্য; বিশেষকৈ পুৰুষৰ বাবে নাৰী দেহ হৈ পৰিল - ৰহস্যৰ উৎস, অনুসন্ধিৎসাৰ আঁকৰ। এনে দৰে ঘনীভূত হোৱা যৌনকামনা পুৰণৰ বাবে নাৰী–পুৰুষে বাচি লব লগা হ'ল–অবৈধ, গোপন পন্থা। ইয়াৰ ফলত সমাজলৈ নামি আহিল—যৌনউশৃঙ্খলতা আৰু যৌনবিকৃতি।

যৌন উশৃঙ্খলতা, যৌনবিকৃতি আদিয়ে কিন্তু সমাজক অধঃপতনৰ মুখলৈ ঠেলি নিয়ে। অৱশ্যে আমি মনত ৰাখিব লাগিব যে মিশ্ৰিত সমাজ ব্যৱস্থাৰ—শ্ৰেণীবিন্যস্ত সমাজতহে ইয়াৰ প্ৰভাৱ বেচি। এনে সমাজত এই বৰ্দ্ধিত প্ৰভাৱে ব্যক্তিৰ দৈহিক, মানসিক, সামাজিক তথা আধ্যাত্মিক স্বাস্থ্যৰ ওপৰত ধ্বংসাত্মক বীজাণু সংক্ৰামিত কৰে। কাৰণ এনে সমাজত উৎপীড়ক শ্ৰেণীসমূহৰ যৌন ধ্যান–ধাৰণা সমূহ পচা, জীৱনৰ মূল্যবোধ সাৰশূন্য, সামাজিক মূল্যবোধ হ'ল—ব্যক্তি স্বাৰ্থ আৰু নিপীড়নমূলক মানসিকতাৰ অন্য এটা নাম। এনে সমাজত, ইচ্ছানুযায়ী অৰ্থৰ বিনিময়ত কামুক পুৰুষে যৌন কামনা চৰিতাৰ্থৰ বাবে নাৰীৰ নাৰীত্ব কিনি লব পাৰে। সতীত্ব, নাৰীত্ব আদি শব্দবোৰ হ'ল, সিহঁতৰ মানত কিছুমান হাস্যকৰ—অপুদঘাত বস্তু। প্ৰমূল্য নহয় প্ৰবৃত্তিহে এনে উশৃঙখল মানুহৰ নিয়ামক ; প্ৰেম বা পাৰিবাৰিক জীৱন নহয়, যৌন প্ৰবৃত্তিহে তেনে যৌনবিকৃত লোকৰ জীৱনত সক্ৰিয়। যৌনজীৱনতো যে সফলতা আছে, মধুৰতা আছে, আছে–প্ৰকৃত সুখশান্তি—এই কথা সিহঁতৰ ধ্যান-ধাৰণাৰ সম্পূৰ্ণ অগোচৰ। আনহাতে, অবৈধ যৌনসম্ভোগৰ ফলত সমাজত যিবোৰ ধৰ্ষিতা নাৰীৰ উদ্ভৱ হয়, সেইবোৰৰ দায়িত্ব কিন্তু সমাজে নলয়। ধৰ্ম, আইনৰ চকুত সিহঁত অপৰাধিনী, গতিকে ক্ষমাৰ অযোগ্য। ইয়াৰ ফলত, এনে সমাজত এই ধৰ্ষিতা নাৰীৰ স্বাভাৱিক মিলনো চিৰজীৱনৰ বাবে ব্যাহত হয় ;—কোনো পুৰুষে সিহঁতক বুকুৰ মাজত সুমুৱাই, আপোন কৰি লব নোৱাৰে—সমাজৰ ভয়ত। সিহঁতৰ আশ্ৰয়ৰ একমাত্ৰ স্থান পতিতালয় বা বেশ্যালয়, অন্যথা আত্মহত্যা। সেইদৰে, অবৈধ সন্তানবোৰৰো জীৱনৰ কোনো মূল্য নাই। সিহঁতকো সমাজে অৱজ্ঞাৰ দৃষ্টিৰে চায়। ৰাষ্ট্ৰ হ'ল সমাজৰ পীড়িত মানুহৰ বাবে হিংসা আৰু দমনৰ প্ৰতিভূ। এই ৰাষ্ট্ৰই পতিতা আৰু অবৈধ সন্তানৰ দায়িত্ব নলয়। মুঠতে এনে সমাজৰ বাবে ধৰ্ষিতা নাৰী আৰু অবৈধ সন্তান—উভয়ে কলঙ্ক আৰু বোজা। জীৱনক যথাযথ ভাৱে উপলব্ধি কৰাৰ সৌভাগ্য ইহঁতে কোনো দিন নাপায়—যেতিয়ালৈকে এনে ব্যাধিগ্ৰস্ত সমাজ বৰ্ত্তি থাকে।

সম্প্ৰতি ভাৰতীয় জীৱনধাৰাৰ ওপৰত মুখ্য প্ৰভাৱ কাৰ ? বিজ্ঞান আৰু যন্ত্ৰ শিল্পত উন্নত পশ্চিমীয়া দেশসমূহৰ। এইদেশ সমূহতো যৌন-উশৃঙখলতা আৰু যৌনবিকৃতিৰ অবাধ ৰাজত্ব—ই সৰ্বজন বিদিত। আমেৰিকাৰ বিভিন্ন ঠাইত ইতঃস্তত গঢ় লৈ উঠিছে—'হিপ্‌পী-কলনী' যত উদ্দেশ্যহীন, অৰ্থহীন, অন্ধকাৰময় জীৱন লৈ হাজাৰ হাজাৰ মাৰ্কিন ডেকা-গাভৰু উন্মুক্ত, অবৈধ যৌন উপভোগত লিপ্ত হৈ আদিম State of Nature লৈ উলটি যোৱাৰ প্ৰচেষ্টা চলাইছে। কোনোজনী গাভৰু কোনোজন ডেকাৰ ব্যক্তিগত সম্পত্তি নহয়, সকলো সকলোৰে। কি হাস্যকৰ সাম্যবাদ। ইয়াৰ ফলত বহুতো হিপ্‌পী—চিফিলিচ্‌, গণোৰিয়া আদি ভয়ানক যৌনৰোগত আক্ৰান্ত হৈছে, মানসিক ব্যাধিয়ে সকলোকে আগুৰি ধৰিছে আৰু অধিকাংশলোকে অকাল মৃত্যু বৰণ কৰিছে। এনে অৱস্থাত হিপ্‌পী মাতৃৰ গৰ্ভজাত, পিতৃ-পৰিচয়হীন, বিকলাঙ্গ, ৰুগীয়া সন্তানবোৰে

OKDISCD

সমাজত আৱৰ্জনাৰ সৃষ্টি কৰিছে। ইংলণ্ডৰ Night Club, Strip Tease Club আদিৰ ভিতৰতো কামোদ্দীপক, যৌনযন্ত্ৰণাকাতৰ ( Nymphomaniac ) দৰ্শকৰ ভীৰ—বিবস্ত্ৰ নাৰীদেহ উপভোগৰ বাবে। এনেবোৰ দেশৰ সমাজ জীৱনত বনজুইৰ দৰে বিয়পি পৰিছে—Rape, Lust, Murder, Necrosodisac প্ৰভৃতি যৌন বিষয়ক অপৰাধ। এনে ঠাইত বিবাহ হ'ল 'Legalised Prostitution', যৌনসম্ভোগ হল 'a peg of drink' আৰু Divorce হল ল'ৰা-ধেমালি, পুতলাখেল। সামাজিক সঙ্কট আৰু পচনশীল সাংস্কৃতিক জীৱনৰ ফলত গঢ় লৈ উঠা এই পশ্চিমীয়া দেশবোৰৰ উশৃংখল যৌন জীৱন আৰু বিকৃত যৌন ৰুচিয়ে মানুহৰ যৌনজীৱনৰ মৰম-স্নেহ, সঁচা ভাল পোৱা নিঃশেষ কৰাৰ লগতে, স্বাভাৱিক জীৱন ব্যাহত কৰিছে। নিসন্দেহে ইয়াৰ প্ৰভাৱ ভাৰততো পৰিছে। ভাৰতলৈ আমদানি হোৱা এনে বজৰুৱা, কুৰুচিপূৰ্ণ, অস্বাস্থ্যকৰ আৱহাৱাৰ ফলত উঠি অহা ল'ৰা-ছোৱালীৰ মনস্তত্ত্ব কেনেকুৱা হব, তাক সহজেই অনুমান কৰিব পাৰি। ধৰ্মীয় গোড়ামি আৰু পশ্চিমীয়া উশৃংখল হাৱাৰ সংমিশ্ৰণত আমাৰ সমাজত সম্প্ৰতি এনে এক অভিনৱ পৰিবেশৰ সৃষ্টি হৈছে, যত প্ৰকৃত মানৱীয় প্ৰেমৰ মূল্য নাই। তদুপৰি শ্ৰেণীগত বিভেদ আছেই। এনে সমাজত ডেকা গাভৰুৰ, নাৰী-পুৰুষৰ মানবীয় অন্তৰৰ যি সহজাত মিলন, পাৰস্পৰিক ভালপোৱা, স্বতঃস্ফুৰ্ত প্ৰেম; তাৰ কোনো মূল্য নাই। বৰং প্ৰেম-ভালপোৱা ইয়াত নিতান্ত এটা ব্যৱসায়িক চুক্তিহে, আন একো নহয়। এইবাবেই ব্যাধিগ্ৰস্ত সমাজৰ যতচব হাল্লা-গুল্লা, মাৰপিট, ব্যভিচাৰ, চৰিত্ৰহনন। আৰু এইবোৰেই হল সমাজৰ প্ৰগতিৰ প্ৰতিবন্ধক। সমাজ এখন সকলো প্ৰকাৰৰ যৌনসমস্যাৰ পৰা মুক্ত হবলৈ হলে, সেই সমাজ শ্ৰেণীবিভাজন, মানুহৰ দ্বাৰা মানুহৰ শোষণ, জীৱনৰ অনিশ্চয়তা, অভাৱ আৰু বঞ্চনাৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত হৈ—সমাজতান্ত্ৰিক ব্যৱস্থাৰ ওপৰত প্ৰতিস্থাপিত হব লাগিব। তেতিয়াহে নাৰী পুৰুষৰ মাজৰ যি মুকলি মূৰীয়া মিলন, পবিত্ৰ, নিৰ্মল ভালপোৱা—সি সম্ভৱ। অন্যথা যৌন সমস্যা ব্যাধিগ্ৰস্ত সমাজৰ চিৰকলঙ্ক, দুৰাৰোগ্য ব্যাধি।

এতিয়া মূল মূল যৌনবিকৃতি কেইটামান আলোচনা কৰা যাওক। যৌনবিকৃতি কেতিয়াও সুস্থ মানসিক স্বাস্থ্যৰ লক্ষণ নহয়; ই মুখ্যতঃ মানসিক ব্যাধি। ইয়াৰ পৰা হাত সাৰিবলৈ হলে যৌনবিকৃতিবোৰ জনা থাকিব লাগিব।



(১) চড'মি (Sodomy) ঃ পুৰুষ আৰু পুৰুষ, অথবা পুৰুষ আৰু নাৰীৰ মাজত, শৌচদ্বাৰৰ সৈতে হোৱা যৌনসঙ্গম। আইনৰ দিশৰ পৰা ই অপৰাধ আৰু এনে অপৰাধীক শাস্তি দিয়া হয়। সুস্থ যৌনজ্ঞানৰ অভাৱ আৰু মানসিক বিকৃতি—এই অপৰাধৰ মুখ্য কাৰণ।

(২) ট্ৰাইবেডিজিম্ (Tribadism) ঃ এজনী নাৰীয়ে আন এজনীৰ গুপ্তাঙ্গৰ ওপৰত শাৰীৰিক বল প্ৰয়োগ কৰি যি যৌনতৃপ্তি লাভ কৰিব খোজে, সেয়াই ট্ৰাইবেডিজিম্। ইয়ো আইনগত অপৰাধ আৰু ইয়াৰ শাস্তি বিধান আছে। এই বিকৃতিৰ মূলতে হল মানসিক ব্যাধি।

(৩) বিষ্টিয়েলইটি (Bestiality) ঃ এই বিকৃতি হল মানুহ আৰু ইতৰ প্ৰাণীৰ মাজত হোৱা যৌন সম্ভোগ। গাওঁ অঞ্চলত এই বিকৃতি বেচি। ইয়ো আইনৰ চকুত অপৰাধ আৰু শাস্তিৰ যোগ্য।

## ● অস্বাভাৱিক যৌনবিকৃতি ●

(১) চেডিজিম্ (Sadism) ঃ এনে বিকৃতিৰ ব্যক্তিয়ে বিপৰীত লিঙ্গক শাস্তি দি ভাল পায়। পুৰুষৰ মাজত ইয়াৰ প্ৰভাৱ বেচি। এনে বিকৃতি থকা পুৰুষে আনকি মৃত নাৰীদেহৰ ওপৰতো উৎপাত চলায়। অতৃপ্ত যৌনবাসনা, নানান মানসিক ব্যাধিয়েই ইয়াৰ ঘাই কাৰণ।

(২) মেচোকিজিম্ (Masochism) ঃ ই চেডিজিমৰ ওলোটা। ইয়াত কামনা পৰায়ণ ব্যক্তিয়ে বিপৰীত লিঙ্গৰ পৰা শাস্তি পালেহে তৃপ্তি পায়। পুৰুষৰ মাজত এনে বিকৃতি বেচি।

(২) ফেটিচিজিম্ (Fetichism) ঃ কেৱল পুৰুষৰ ক্ষেত্ৰতহে এই বিকৃতি দেখা যায়। ই অদ্ভুত বিকৃতি। পুৰুষে নাৰীৰ জোতা, বেগ, কাপোৰ আদি বয়-বস্তুৰ সৈতে সঙ্গমৰত হৈ যৌনতৃপ্তি পাব বিচাৰে।

(৪) ট্ৰেনচ্‌ভেষ্টিজিম্ (Transvestism) ঃ ইয়াত পুৰুষে নাৰীৰ অথবা নাৰীয়ে পুৰুষৰ কাপোৰ-কানি পিন্ধি, বয়বস্তু ব্যৱহাৰ কৰি যৌনতৃপ্তি পাব বিচাৰে।

(৫) এক্স্‌হিবিচন্‌ইজম্ ( Exhibitionism ) ঃ জনসমাগমত পুৰুষে গুপ্তাঙ্গ উন্মুক্ত অৱস্থাত দেখুওৱাটো এটা আইনগত অপৰাধ আৰু



OKDISCD

ইয়াৰ বাবে শাস্তি বিহা হয়। ইয়াৰ কাৰণবোৰৰ ভিতৰত হ'ল **Alcoholism, Epilepsy, Seniledementia, General paralysis of the Insane** আৰু নানান মানসিক ৰোগ। ইয়াৰোপৰি সৰু-সুৰা, অথচ অমাৰ্জনীয় দোষৰ আন বহুতো যৌনবিকৃতি আছে ; যিবোৰ মুঠেই সুস্থ মানসিক অৱস্থাৰ লক্ষণ নহয়। নিৰ্দোষ হস্তমৈথুন (Masturbation) অতিমাত্ৰাত কৰিলে অথবা যৌনক্ষুধা জোৰ কৈ দমাই ৰাখিব খুজিলেও যৌনবিকৃতিৰ উদ্ভৱ হয়। এই বিকৃতি-বোৰৰ পৰা নাৰী-পুৰুষৰ দৈহিক, মানসিক স্বাস্থ্যৰ অৱনতি ঘটে, লগতে ঘটে চাৰিত্ৰিক অধঃপতন। অস্বাভাৱিক, অদম্য যিকোনো যৌনকামনা বা যৌনোত্তেজনা যৌনবিকৃতিৰ অন্তৰ্ভুক্ত আৰু এনে লক্ষণ সঘনে দেখিলে চিকিৎসকৰ পৰামৰ্শ লোৱা উচিত।

মানুহ যেনেকুৱা সমাজত থাকে, যেনেকুৱা মানুহৰ লগত কথা-বতৰা, মিলা-মিচা কৰে, ঠিক তেনে ধৰণেই মানুহৰ মনস্তত্ত্ব গঢ় লয়। শৈশৱকালেই হৈছে যৌনউশৃঙ্খলতা, যৌনবিকৃতিৰ উৰ্বৰ ক্ষেত্ৰ। পিতৃ-মাতৃ, অভিভাৱক তথা শিক্ষকসকলে শিশুসকলক প্ৰকৃত শিক্ষা দিব নোৱাৰিলে সামাজিক ব্যাধি ভৱিষ্যতেও দূৰ নহব। শৈশৱকালত সন্তানে মানবদেহ সম্পৰ্কে বিজ্ঞান সন্মত, উপযুক্ত শিক্ষাৰ লগতে যদি প্ৰয়োজনীয় যৌনজ্ঞানখিনিও পায়, তেতিয়া যৌৱনকালত দেখা দিয়া সাময়িক উত্তেজনাবোৰ, সি অনায়াসে সংযত কৰি ৰাখি সুস্থিৰ (balanced) অৱস্থাত থাকিব পাৰে।

যৌনউশৃঙ্খলতা আৰু যৌনবিকৃতি সম্পৰ্কে আলোচনা কৰাৰ পিছত যৌনশক্তিৰ সংস্কাৰ (Sublimation) সম্পৰ্কে আলোচনা কৰা সমীচীন হব। এই কথা আমি সদায়েই মনত ৰাখিব লাগিব যে যৌনশক্তি এফালে যেনেকৈ ধ্বংসকামী, আনফালে তেনেকৈ সৃষ্টিকামী। যৌনবিষয়ৰ ওপৰত প্ৰণালীবদ্ধ আৰু বিশদ জ্ঞান নাথাকিলে যৌন শক্তি কি, ইয়াক কেনেকৈ কামত লগাব পাৰি— এইবিষয়ে জনা নাযায়। যৌনবিষয়টো যিমানেই লুকুৱাবলৈ চেষ্টা কৰা হয়, ইয়াৰ বিৰূপ প্ৰতিক্ৰিয়াও সিমানেই বাঢ়ি গৈ থাকে। লুকাই-চুৰকৈ, ভয়-সঙ্কোচ লৈ— ফাল্টু, উত্তেজক যৌনবিষয়ৰ পুথি পঢ়িলে —মানসিক বিকৃতিৰ উদ্ভৱ হয়, হবই। যৌনশক্তিৰ সংস্কাৰৰ আগতে আমি বুজিব লাগিব যে যৌনক্ষুধা (Sexual Appetite) উত্তেজক কোনো বস্তুৰ সংস্পৰ্শ লৈ আহিলে, যৌনলিপ্সাৰ উদ্ভৱ হয়। যৌনোত্তেজক বস্তুৰ সংস্পৰ্শলৈ নাহি, আন কোনো চিন্তা-গধূৰ, সৃষ্টিশীল বিষয়-বস্তুৰ সংস্পৰ্শলৈ আহিলে যৌনলিপ্সাৰ ভাৱ মনত উদয় নহয়। কিন্তু আমাৰ সমাজত, যি ফালেই চোৱা যায়, চিনেমা-ৰেডিঅ', বাতৰিকাকত-আলোচনী সকলোতে যৌনোত্তেজক বিষয়বস্তুৰহে প্ৰাদুৰ্ভাৱ। আনহাতে বীৰ্যকোষত (Testes) সদায় বীৰ্য উৎপন্ন হবই লাগিছে আৰু বীৰ্যকোষ বীৰ্যৰে উপচি পৰাৰ পিছত যৌন-ক্ষুধাৰ উদ্ভৱ হোৱা স্বাভাৱিক। ইয়াক বন্ধ কৰিব নোৱাৰি। যৌৱনকালত ই সক্ৰিয় হৈ থাকিবই। হস্তমৈথুনৰ দ্বাৰা অতিৰিক্ত বীৰ্যখিনি উলিয়াই দিয়াৰ পিছত, পুৰুষৰ স্নায়বিক উত্তেজনা হ্ৰাস পায়। এই দৃষ্টিৰে হস্তমৈথুন কেতিয়াও অপকাৰী নহয়, বৰং সুস্থিৰ আৰু সংযত অৱস্থাত থাকিবলৈ হলে ইয়াৰ প্ৰয়োজনীয়তা আছে। কিন্তু যৌনলিপ্সা বঢ়াই অত্যাধিক হস্তমৈথুনত লিপ্ত হলে স্বাস্থ্যৰ অৱনতি ঘটে আৰু যৌনউশৃঙ্খলতা তথা যৌনবিকৃতিয়ে দেখা দিয়ে। এইখিনিতে হয়তো প্ৰশ্ন হব পাৰে, যৌনলিপ্সাক যে সৃষ্টিশীল কামৰ জৰিয়তে সংস্কৃত কৰিব পাৰি, যৌনক্ষুধাক তেনেদৰে সংস্কৃত কৰিব পাৰি নে নোৱাৰি ? এইকথা বুজিবলৈ আমি তাপ গতিবিজ্ঞান—(Thermodynamics) ৰ দ্বিতীয় সূত্ৰটো বিচাৰ কৰি চাব লাগিব। সূত্ৰটোমতে, "no machine converts nor can covert into work all the heat received ; only a small part of this heat is transformed into work, the rest is expelled in the form of degraded heat" মানবদেহটোও হ'ল যন্ত্ৰ আৰু এই যন্ত্ৰই উৎপাদন কৰা বীৰ্যখিনি নিসৰণৰ বাবেহে, ইয়াক বন্ধ কৰি ৰাখিলে বিশেষ একো উপকাৰ নহয়। তদুপৰি হস্তমৈথুনৰ হিতাহিত দিশৰ ওপৰত বৈজ্ঞানিক গৱেষণাও হৈছে। "Since the researches of kinsey and Masters and Johnson, masturbation is now more frequently recognised for what is a part of normal sexual experience and one that causes no particular phyical or mental harm. Not only masturbation release acute tension due to an unsatisfactory sexual life or absence of a partner, but also can be used by women as a learning process for a

OKDISCD

better understanding of their sexual responses, leading in turn to greater fulfilment with a partner." (woman's Body, corgiBooks)

এতিয়া যৌনশক্তি সংস্কাৰৰ কেইটামান কৌশল উল্লেখ কৰি আমাৰ আলোচনাৰ সামৰণি পেলাম। শক্তি সদায় পৰিবৰ্তনশীল। যৌনশক্তিৰ মূলতে হ'ল এক অদমনীয় মানসিক শক্তি। প্ৰবল গতি-শক্তিসম্পন্ন নদী এখন বাধাপ্ৰাপ্ত হলে ই বাটৰ বাধা ভাঙি-চিঙি চূৰ-মাৰ কৰে, আৰু এই গতিশক্তি কৌশলেৰে সংযত কৰি কামত লগালে বৈদ্যুতিক শক্তি উৎপন্ন হয়; যাৰ দ্বাৰা বহুতো কাম সমাধা কৰিব পাৰি। নাইবা উপচি পৰা তেনে নদীৰ পৰা খাল কাটি পথাৰত জলসিঞ্চনৰ ব্যৱস্থাৰে শস্য উৎপাদনত লগাব পাৰি। যৌনশক্তিৰ ক্ষেত্ৰতো সেই একে কথা। যৌৱনৰ যি প্ৰবল যৌনকামনা, বাসনা বা চিন্তা সেইবোৰক উত্তেজক যৌন বিষয়-বস্তুত নিমগ্ন নাৰাখি, সাহিত্য, বিজ্ঞান, শিল্পকলা আদি বিষয়ৰ সৃষ্টিশীল দিশটোত নিয়োজিত কৰিলে, সমাজ হিতকৰ বহু কাম সমাধা কৰিব পাৰি। এনে উদাহৰণ সাহিত্য-বিজ্ঞান আদিৰ ইতিহাসত অলেখ। ইয়াৰ পৰা এটা কথা বুজিব লাগিব যে,—বাজে, নিৰৰ্থক যৌনোত্তেজক ভাৱ চিন্তাৰ পৰা মন যিমানে আঁতৰি থাকে, সিমানে যৌনলিপ্সাৰ সংস্কাৰ সহজ হৈ পৰে; অন্যথা যৌন-শক্তিৰ সংস্কাৰ এটা দুঃসাধ্য কাম। উত্তেজনা দূৰীকৰণৰ বাবে যৌগিক আসন-মুদ্ৰা আৰু প্ৰাণায়াম বিশেষ সহায়ক; —যিবোৰ বৰ্ত্তমান পশ্চিমীয়া দেশৰ যুৱক-যুৱতী তথা নাৰী-পুৰুষৰ মাজত অধিক জনপ্ৰিয় হৈ পৰিছে। মুঠতে আমি সদায় মনত ৰাখিব লাগিব যে দৈহিক, মানসিক, সামাজিক, আধ্যাত্মিক স্বাস্থ্য অটুট ৰাখি, সুস্থ-সবল জীৱন যাপন কৰিবলৈ হলে আমি আমাৰ ইচ্ছানুযায়ী প্ৰথা অবলম্বন কৰি যৌনশক্তি সংযত কৰিবই লাগিব আৰু এই সংযমৰ পৰাহে সৃজনীশীল প্ৰতিভা বিকাশ সম্ভৱপৰ। আৰু ইয়াৰ উপযুক্ত সাৰুৱা ক্ষেত্ৰ হ'ল—ব্যাধিমুক্ত, সুস্থ, সবল সমাজ আৰু এনে সমাজ ৰচনাৰ ওপৰতহে আমি সৰ্বাধিক গুৰুত্ব আৰোপ কৰিব লাগিব। এনে সমাজ সৃষ্টি নোহোৱালৈকে, আমি ব্যক্তিগতভাৱে যিমানেই উন্নত, সংযম তথা সংস্কাৰ কৌশল অবলম্বন নকৰো কিয়, সমাজৰ যৌন উশৃঙ্খলতা, যৌন বিকৃতি সমূহ সমূলঞ্চে নিচিহ্ন নহব;—সমাজ ব্যাধিগ্ৰস্ত হৈয়ে থাকিব।

## গল্প

# ত্ৰাস

মিনতি চৌধুৰী

ঘৰখনৰ সকলোতকৈ আগতে উঠাটোৱেই নিনিৰ অভ্যাস। ভালদৰে পোহৰ হবলৈ নৌ পাওতেই তাই উঠে। চকুহাল নেমেলাকৈয়ে ওচৰতে থকা মাকৰ গাত ধৰি থেন্‌থেনায়— "মা, আইতা যাম।" তাৰ পিছত আইতাকৰ ওচৰলৈ নি মাকে থৈ অহাৰ মানে হ'ল,— আইতা বিচনাৰ পৰা উঠা, তাইক মুখ হাত ধুৱাই কাপোৰ-কানি ভালদৰে পিন্ধাই দিয়া। ইতিমধ্যে যথা নিয়মে ককা উঠে আৰু মুখখন ধুই নাতিনীৰ কনমানি আঙুলিত ধৰি আলিলৈ ওলাই যায়। সন্ধ্যা আৰু ৰাতিপুৱা আলিত একোপাক নামাৰিলে ককাৰ ভাল নালাগে। গাটো কিবা গধুৰ গধুৰ লাগে। ককাৰ লগতে নিনিৰো অভ্যাসটো পুৰঠ হৈ পৰিছে। ৰাতিপুৱা—গধুলি আলিবাটলৈ তাইক লৈ ওলাই নগলে ঘৰত কাৰো শান্তি নাই।

অভ্যাসবশতঃ আজিও নিনিয়ে সাৰ পায়েই চকু নেমেলাকৈয়ে মাকৰ গাত ধৰি কব খুজিছিল ঃ "মা, আইতা যাম।" পিছে মা শব্দতো মুখৰ ভিতৰৰ পৰা ওলাল কি নোলাল, আশ্চৰ্য্যত তাইৰ তন্দ্ৰা আচুত্‌ত চকুহাল মেল খালে। ইকি, হাতখনেচোন বিচনাখনত মাক বিচাৰি পোৱা নাই।

চকুহাল ভালদৰে মেলি নিনি আৰু আচৰিত হ'ল। ডাঙৰ বিচনাখনত মা জনী চোন নাই। ওচৰৰ বিচনাত দেউতাও নাই! আগে পিছে কেতিয়াবা মা নাথাকিলেও দেউতা থাকে। আৰু তেতিয়াই নিনিয়ে নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ প্ৰয়াসেৰে দুবাৰমান মাকক মাতি তেতিয়াও মাক নাহিলে ভেঁ কৈ কান্দি দিয়ে। তেতিয়া অন্ততঃ আঠ বজালৈ শুই নুঠা দেউতাই বিৰক্তিৰে হলেও তাইক উঠাই লৈ যায়। "মা' হঁতকো খঙেৰে কিবা কিবি কয়। ঘৰ

OKDISCD

খনৰ মানুহবোৰ খন্তেকতে তাইকলৈ ব্যস্ত হৈ পৰে। তেতিয়া তাইৰ বৰ ভাল লাগে ।

কিন্তু আজিচোন দেউতাও বিচনাত নাই! আও, দেউতাও ইমান সোনকালে উঠা হ'লনে !

সন্ধানী দৃষ্টিৰে এইবাৰ তাইৰ কণমান চকুহাল ওচৰৰ কোঠাটোলৈ গ'ল । তাই একো নেদেখিলে, কিন্তু ঠিক অনুমান কৰিলে কোঠাটোত ককা আৰু আইতা কোনো নাই ।

অভিমানত মনটো ওফন্দি উঠিছিল যদিও, এবাৰ জোৰেৰে কান্দি দিবৰ মন গৈছিল যদিও, নিনিয়ে কি ভাবি জানো নাকান্দিলে । চকুহাল মোহাৰি, আঠুৱাখন দাঙি, ওচৰতে থকা তাইৰ অকণমাণি মূঢ়াটোত ভৰি দি তাই বিচনাৰ পৰা নামিল । তাৰপিছত সমুখৰ বাৰান্দা পালেগৈ । আগফালে মা-দেউতা-ককা-আইতা আৰু ওচৰৰে বৰদেউতাহঁত গোটখাই কিবা কথা পাতি আছে । আটাইৰে মুখবোৰ গহীন ! কণমানি মনটোৰে তাই এটা কথা ঠিক বুজিলে যে ক'ৰবাত নিশ্চয় কিবা এটা হৈছে। মাকহঁতক দেখি কান্দিব নে নিজে তেওঁলোকৰ ওচৰলৈ যাব, কথাটো চিন্তা কৰোতেই আইতাই দৌৰি আহিল । "অ" আইজনী উঠিলে ! চাচোন বেচেৰী নিজে নিজে উঠি আহিছে ।"

আইতাৰ মৰমসনা প্ৰশ্ৰয়ত কোলাত উঠিয়েই তাই থেন্‌থেনাই কান্দিবলৈ ধৰিল । মুখহাত ধুৱাই দিবলৈ বুলি আইতাই তাইক ভিতৰলৈ লৈ গ'ল । যাওঁতে কৈ গ'ল—"চাওঁ চাওঁ,—য়ে, সোনজনী, নাপায় নহয় নাকান্দিবা । সেয়া আলিত চোৰাচোন কিমান পুলিচ ভৰ্ত্তি হৈ আছে !"

পুলিচ ভৰ্ত্তি হৈ আছে ! কিয় ? তাই সুধিব খুজিছিল । পিছে নুসুধিলে । অলপ পৰ কান্দি থাকি মনে মনে ৰ'ল ।

ইতিমধ্যে আইতাই তাইক মুখ হাত ধুৱাই মূৰ আচুৰি দিলে । মাহঁতো ভিতৰ সোমাল । আটায়ে চাহৰ টেবুলত বহিল মায়ে চাহ আনি টেবুলত থলে । তাইৰ গাখীৰ কাপো লৈ আহিল ।

কিন্তু চাহ-গাখীৰ এতিয়াইযে ! আজিচোন ফুৰাই নহ'ল । ককায়ো চোন একো নমতাকৈয়ে চাহৰ কাপ হাতত লৈছে ! মই আজি পলমকৈ উঠিলো নেকি ! ককাই আগতে ফুৰি আহিলে ইবা !

আইতাই গাখীৰৰ কাপটো মুখৰ ওচৰলৈ নিয়াৰ লগে লগে



তাই প্ৰতিবাদ কৰি উঠিল ঃ তাই গাখীৰ এতিয়াই নাখায় । আইতাকে কিয় বুলি সোধা প্ৰশ্নৰ কোনো উত্তৰ নিদি তাই মাথোন ককাৰ হাতত ধৰি ক'লে, "ককা সোনকালে চাহখোৱা । ফুৰি নোযোৱা ?"

"যাম আইজনী, আগতে তোমাৰ গাখীৰখিনি খাই লোৱাচোন ।"

নিনিয়ে গাখীৰ খালে । কিন্তু ককা চোন বাৰী পালেগৈ । ফুৰিবলৈ যোৱাৰ গোন্ধেই নাই । ককাৰ ওচৰলৈ এতিয়া যোৱাটোও মস্কিল । বাৰীখনৰ চাৰিওপিনে ইমান ওখ জেউৰা ! ককা ওখ মানুহ । ভৰি দুখন দীঘল । পাৰ হব পাৰে । পিছে নিনিনো পাৰ হয় কেনেকৈ !

মা আজি গহীন হৈ আছে । মাৰ ওচৰলৈ গ'লে লাভ নহ'ব । ক'ৰবাত ধম্‌কিহে খাব লাগিব। দেউতাতো বৰদেউতাৰ লগত কথা পতাতেই ব্যস্ত । শেষত অগতিৰ গতি আইতাৰ ওচৰতে নিনিয়ে থেন্‌-থেনাবলৈ ধৰিলে ঃ ফুৰিবলৈ যায় । ইটো সিটো কথা কৈয়ে কোনোমতে আইতাই তাইক শান্ত কৰিব নোৱাৰি শেষ অস্ত্ৰ হিচাপে প্ৰয়োগ কৰিলে পুলিচক, — "চোৱাচোন, চোৱা আলিত কিমান পুলিচ ঘূৰি ফুৰিছে ! ফুৰিবলৈ যাবা কেনেকৈ ? ধৰি নিব !
পাবা মজা তেতিয়া । মনেমনে থাকা । নাকান্দিবা ।

পুলিচে ধৰি নিব ! ফুৰিবলৈ গলেও পুলিচে ধৰি নিয়েনে ? ক'তা ককাৰ লগত মইচোন সদায়ে ফুৰো, বাটত দেখোন সদায়ে পুলিচ লগ পাওঁ, মোকতো ধৰি নিব কোনোদিনে খোজা নাই ! আৰু ককাই দেখোন কৈছিল বেয়া কাম কৰিলেহে বোলে পুলিচে ধৰি লৈ যায় ! ফুৰাটোতো একো বেয়া কাম নহয় ।

বহুত প্ৰশ্ন, অভিমান আৰু অসন্তোষে নিনিৰ কণমানি মগজু আৰু মনটো আচ্ছন্ন কৰি পেলালে ।

আনদিনা চাহখোৱাৰ অলপ পিচতে দেউতাৰ অফিচলৈ যাবলৈ খদম্‌-দম্‌ লাগে । তাই কিবা এটা সুধিলেও ভালদৰে বহি উত্তৰ দিবলৈ দেউতাৰ সময় নাই । আজি কিন্তু দেউতাৰ লৰ-চৰেই নাই । বৰদেউতাৰ লগত কথা পাতি আহি এতিয়া বাতৰিকাকত সোপা আগত লৈ বহি আছে । আজি অফিচ বন্ধ নেকি বাৰু ? নিনি দেউতাকৰ ওচৰ পালেগৈ ।
"দেউতা আজি তুমি অফিচলৈ নোযোৱা ।"
"নাযাওঁ মা ! কেনেকৈ যাম ? কাৰ্ফিউ দিছে নহয়, ওলাব নোৱাৰি ।"

OKDISCD

এই পোন প্ৰথমবাৰৰ বাবে এটা অচিনাকি নতুন শব্দ নিনিৰ কানত সোমাল । কাৰ্ফিউ । তাৰ মানে কি বাৰু? দেউতাকে নিনিক বুজাই দিলে ঃ বাটলৈ কোনো ওলাব নোৱাৰে । ওলালেই পহৰা দি থকা পুলিচবোৰে ধৰি লৈ যাব ।

কেৱল পুলিচ আৰু পুলিচ ! মাহঁত সকলোৱে পুলিচকনো কিয় ইমান ভয় কৰা হ'ল ? ককাইচোন মোৰ লগত ফুৰোতে পুলিচক ভয় কৰা দেখা নাছিলো । আজি কিন্তু ককায়ো ভয় কৰিছে । এবাৰ গেটৰ কাষলৈ গৈছিলোহে, ককাই যিহে চিঞৰ-বাখৰ লগালে !

"হেই, নাযাবা, নাযাবা মাজনী, আলিলৈ নাযাবা ।"

কিযে হৈছে এইখন !

আনদিনা নিনিৰযে কিমান কাম ! পাচলি বেচিবলৈ, কণী বেচিবলৈ, মাছ বেচিবলৈ ক'তযে মানুহ আহে ! গেটখনত খট্‌কৈ শব্দ এটা হলেই নিনি ওলাই আহে । কোন আহিছে চায়, চিনাকি যদি আগতে দু-আষাৰ মান কথা পাতি লয় । তাৰপিছত মা, আইতা ককা বা দেউতাক খবৰ দিয়ে । আজি কিন্তু কাৰো দেখা দেখি নাই । আনকি খুজিবলৈ আহি চিঞৰি থকা দাঢ়ি থকা ভয় লগা বুঢ়াজনো নাই অহা । তাৰবাবে অৱশ্যে নিনিয়ে বেয়া পোৱা নাই । বুঢ়াজনক দেখিলেই নিনিৰ ভয় লাগে । পিছে গাখীৰ দিবলৈ অহা ওচৰৰ গাৱৰ ককাজন নহা বাবেহে নিনিৰ আটাইতকৈ বেয়া লাগিছে । ককাই সদায়ে গাখীৰ দিবলৈ আহি নিনিক একোলা লয়, বৰ মৰম কৰে । আলিবাটটোও কিযে শান্ত হৈ আছে ! গাড়ী–ৰিক্সা একো নাই । মানুহ বোৰে বাৰু "কাৰ্ফিউ"ক ভয় কৰে বাবে ওহা নাই, গাড়ীবোৰেও, ভয় কৰেনে ? পট্‌কৈচোন গুছি যাব পাৰে, "কাৰ্ফিউ"ৱেনো কি কৰিব ? এবাৰ তাই দেউতাকক কথাটো সুধিলে ।

পঢ়ি থকাৰ পৰা মূৰটো তুলি দেউতাকে মৰমেৰে তাইৰ পিঠিত হাত বুলাই ক'লে ঃ মাজনী, 'কাৰ্ফিউ' থাকিলে গাড়ী মটৰো চলিব নোৱাৰে ।

ঃ কিয় দেউতা ? আগতে দেখোন 'কাৰ্ফিউ' অহা নাছিল ? এতিয়া কিয় আহিছে ?

নিনিৰ প্ৰশ্নই দেউতাৰ মনত অলেখ কথাৰ জোৱাৰ তুলিলে ! তেওঁ নিনিক একো উত্তৰ দিব নোৱাৰি কেৱল অসহায় ভাবে মুখলৈ চাই ৰ'ল । নিনিয়ে দেউতাকৰ পৰা কোনো উত্তৰ নাপাই আকৌ প্ৰশ্ন কৰিলে

ঃ দে'তা পুলিচে "কাৰ্ফিউ"টো ভাল পায় নেকি ?

ঃ হোঃ, নেপায় ।

ঃ ই—স্‌ নাপায় যদি আকৌ কিয় বন্দুকলৈ ৰখি আছে ? বেলেগ মানুহ গ'লে কিয় ধৰি নিয়ে ?

জীয়েকৰ প্ৰশ্নই তেওঁক আৰু অসহায় আৰু স্তম্ভিত কৰি পেলালে । আৰু শেষত জীয়েকৰ প্ৰশ্নৰ পৰা হাত-সাৰিবলৈ,—পিছত সকলো কথাৰে উত্তৰ দিব, এতিয়া কিবা এটা পঢ়ি আছে বুলি আইতাকৰ ওচৰলৈ পঠিয়াই দিলে ।

আবেলি পৰত নিনিয়ে এবাৰ ছেগ বুজি গেটৰ কাষ পালে । আইতাই মটৰ-গুটি দুটামান একৰাই তাইৰ অকণমানি বাটিটোত দি মুৰ্গীপোৱালী চাই থাকিবলৈ মুৰ্গীৰ গৰালটোৰ কাষলৈ পঠিয়াই দিছিল । মুৰ্গীপোৱালীবোৰ আৰু কিমান চাব ! আমনি লাগিলত এপাকত তাই গেটৰ কাষ পালে । দুহাতেৰে অকণমান বাতিটো লৈ তাই গেটৰ মাজেৰে মুখখন উলিয়াই আলিটোলৈ চালে । একেবাৰে নিমাওমাও ! আগদিনা হ'লে এইখিনি ঠাইত থিয় হ'লে তাই বহুতকে লগ পায় । সিহঁতৰ গেটখনৰ কাষতে থকা সৰু দোকানখনলৈ অহা প্ৰায়বোৰ মানুহে তাইক মাত লগায়, মৰম কৰে । আজি কিন্তু কোনো নাই ।

বৰ হতাশমনেৰে দোকানখনলৈ চাই থাকোতে হঠাতে তাই দেখা পালে—দোকানখনৰ পিছফালে দুৱাৰখন অকণমান খোলা আছে । কোনোবা এজন তাৰপৰা ওলাই আহিছে । মুখত বিড়িনে চিগাৰেট কিবা এটা । তামোল এখনো মুখত ভৰাইছে । ভালদৰে চাই নিনিয়ে দেখিলে—দোকানলৈ অহাজন বেলেগ মানুহ নহয়, পুলিচহে । পুলিচ দেখি তাইৰ তৎক্ষণাত ভয় লাগিব খুজিছিল, পিছে নালাগিল । পুলিচজনে হাঁহি মাৰি তাইৰ ওচৰলৈ আহি গেটৰ মাজেৰে হাত সুমৱাই গালখনত হাতেৰে চুই মৰম কৰি দিলে । পুলচটোলৈ চাই সাহসেৰে এইবাৰ তাই সুধিলে—

ঃ তুমি কি কৰিছা ?

ঃ কি কৰিবা আৰু ? ডিউটি কৰিছো ভনিটি !

পুলিচজনৰ কথাটো তাই বৰ ভালদৰে বুজি নাপালে । তথাপি ক'লে,

ঃ ঘৰলৈ নোযোৱা কিয় ? আজি আমি ঘৰতে আছোঁ । দেউতাই কৈছে—ইয়াত বোলে কিবা 'কাৰ্ফিউ' আছে ।

ঃ ও । সেই কাৰ্ফিউটোকে ৰখি আছো ভনিটি !

ঃ কিয় ? কিয় ৰখি আছা ? তোমালোকে তাক ভালপোৱা নেকি ?

ঃ কাক ?

ঃ কাৰ্ফিউটোক ।

হঁাহি পুলিচজনে ক'লে ঃ ওহো নেপাওঁ ।

ঃ তেনেহলে তুমি কিয় তাক মাৰি নিদিয়া ? তোমাৰ দেখোন বন্দুকো আছে ? কাৰ্ফিউটোক মাৰি তুমি ঘৰলৈ গুছি যাব পাৰা দেখোন।

কণমানি নিনিৰ কথাত দিনটো আলিবাটত ঘূৰি ঘূৰি বিৰক্ত হৈ পৰা পুলিচজনে বৰ আমোদ পালে । আনন্দ পালে । মৰমেৰে নিনিক কাষলৈ মাতিলে । পুটুককৈ গেটখন মেলি তাই পুলিচজনৰ কাষ পালে । দিনটো ঘৰখনতে সোমাই থাকি নিনিও ভীষণ বিৰক্ত হৈ পৰিছিল। এতিয়া তায়ো ভাল পালে। পুলিচজনৰ কাষলৈ গৈ এইবাৰ তাই আকৌ সুধিলে,

ঃ কাৰ্ফিউটো ক'ত আছে ?—"কাৰ্ফিউ"টোক চাবলৈ নিনিৰ ভীষণ আগ্ৰহ ।

পুলিচজনে নিৰুপায় ভাবে তাইৰপিনে চালে। হঠাৎ তেওঁ উপায় এটা পালে। তাইক কোলাত তুলি লৈ অলপ আঁতৰৰ থানাখন দেখুৱাই দি ক'লে—

ঃ সৌ যে ঘৰটো দেখিছা ভন্টি, তাত কাৰ্ফিউটো সোমাই আছে।

নিনি হঠাতে পুলিচজনৰ কোলাৰ পৰা নামিল আৰু তেওঁৰ হাতখন ধৰি একপ্ৰকাৰ টানি নিয়াৰ দৰে নি ক'লে—

ঃ ব'লাচোন কাৰ্ফিউটোক মাৰি থৈ আহোঁ ।

ঃ কাৰ্ফিউক কেনেকৈ মাৰিবা ? কিহেৰে মাৰিবা ?

ঃ কিয় তোমাৰ বন্দুকেৰে ?

নিনিয়ে পুলিচজনক টানি নি আলি পোৱালেগৈ। নিনিৰ অকণি কণ্ঠৰ কথাত আপ্লুত হৈ পুলিচজন গৈ গৈ আলি পালে । হঠাতে তেওঁ কৰ্ত্তব্যৰ প্ৰতি সচেতন হ'ল—

ঃ এ—সে, ভন্টি যোৱা, যোৱা। ইয়াত কাৰ্ফিউ আছে। ভিতৰলৈ যোৱা ভিতৰলৈ যোৱা ।

ঃ ও—হো, মই কাৰ্ফিউটোক মাৰিবলৈ যাম। তুমি কিয় ভয় কৰিছা ? বন্দুক লৈয়ো তুমি ভয় কৰানে ? মই হলে ভয় নকৰোঁ।

ঃ নহয় ভন্টি, ব'লা ব'লা, ঘৰলৈ ব'লা ।

"নাযাওঁ" বুলি নিনি পকী আলিয়েদি টুক্-টুকাই দৌৰিবলৈ ধৰিলে আৰু পিছে-পিছে পুলিচজনেও দৌৰ মাৰিলে ।

আৰু ঠিক সেই মুহূৰ্ত্ততে ঘৰত নিনিক ক'তো নেদেখি বাহিৰলৈ তাইক বিচাৰি অহা আইতাই সেই দৃশ্য দেখি হায়ে-বিয়ে লগাই দিলে। মাক-দেউতাক, ককাক তিনিও আহি পদুলিৰ মুখ পালে ।

ইতিমধ্যে নিনিক কোলাত লৈ পুলিচজন উভতি আহিছিল। দেউতাকৰ কোলাত নিনিক দি পুলিচটোৱে কলে ঃ সৰুছোৱালী, কি জানে। বাহিৰলৈ ওলাব নিদিব ।

পুলিচজনৰ কথা আইতাৰ কাণত নপৰিল। নিনিক নিজৰ কোলালৈ আনি চুমাৰে তাইৰ দুগাল ওপচাই দি তেওঁ ভয়াৰ্ত্ত দৃষ্টিৰে পুলিচজনলৈ চালে। লগে–লগে তেওঁৰ হাত দুখনে যন্ত্ৰবৎ নিনিৰ দেহটোত ঘূৰি ফুৰিব ধৰিলে, পুলিচজনৰ স্পৰ্শতো যেন নিনিয়ে কষ্ট পাইছে ! নিনিক কোলাত লৈ ঘৰলৈ সোমোৱাৰ লগে-লগে তেওঁ কৈ আহিল ঃ উস্ ভাল বচালা প্ৰভু ! তোমাক পুলিচে লৈ গ'লে কি কৰিলাহেঁতেন বাৰু ?

আইতাৰ চকু-হাল চলচলীয়া হৈ পৰিল । নিনিয়ে আশ্চৰ্য্যৰে আইতাৰ পিনে চাই ক'লে,

ঃ আইতা তোমালোকে পুলিচক কিয় ইমান ভয় কৰা ? মই হ'লে ভয় নকৰো।

ভয় আৰু দুশ্চিন্তাই মুহূৰ্ত্ততে বিহ্বল কৰি তোলা মাকে ক'লে ঃ ভয় নকৰা ? যেতিয়া বেতেৰে কোবালেহেঁতেন তেতিয়া ভাল মজা পালাহেঁতেন ! বাহিৰ ওলাবলৈ তোমাক বাৰে–বাৰে মনা কৰা নাছিলো ! বৰ বাঢ়ি গৈছা তুমি ।

নিনি আৰু কোনোমতে বাহিৰ ওলাব নোৱাৰাকৈ ককাই ভালদৰে গেটখন বন্ধ কৰি দিলে । গেট বন্ধ কৰাৰ কৰ্কশ শব্দটোৱে নিৰ্জনতা ভেদ কৰি গ'ল । আৰু ভেদ কৰি গ'ল এখন হৃদয়। অপত্য স্নেহে মুহূৰ্ত্তটো সিক্ত কৰি তোলা এখন হৃদয়—সেই কৰ্ত্তব্যৰত পুলিচজনৰ । আলিটোৰে যাওঁতে তেওঁ এবাৰ গেটখনলৈ চালে । বন্ধ গেট । বাহিৰত কোনো নাই । আটাইবোৰ হয়তো ভিতৰত এতিয়া নিনিকলৈ ব্যস্ত। হঠাতে তেওঁৰ অনুভৱ হ'ল গেটখন যেন এখন সুউচ্চ প্ৰাচীৰ, যি প্ৰাচীৰে বিচ্ছিন্ন কৰি দিছে তেওঁৰ সতে, তেওঁলোকৰ সতে সাধাৰণ সামাজিক জীৱনধাৰাক। যি প্ৰাচীৰে মূল্যহীন কৰি পেলাইছে হৃদয়ক, মৰমক,—কিছুমান কোমল অনুভূতিক ! নিনিৰ মাক ; আইতাক–ককাক সকলোৰে ভয়াৰ্ত্ত দৃষ্টিবোৰ তেওঁৰ চকুৰ আগত ভাঁহি উঠিল । এক বিচিত্ৰ অনুভূতিয়ে তেওঁৰ হৃদয় গধুৰ কৰি পেলালে। নিজকে কোৱাৰ দৰে তেওঁ অস্ফুট ভাবে ক'লে ঃ ভন্টি মোতকৈ, আমাতকৈ তুমি বেচি সাহসী ।

সেই সময়ত নিনিয়ে ঘৰৰ ভিতৰত আইতাকৰ কোলাত উঠি দুয়োখন হাতেৰে আইতাকৰ দুগালত ধৰি কৈ আছিল ঃ আইতা কাইলৈ তোমালোকো ওলাবা দেই । একেলগে সকলোৱে গৈ কাৰ্ফিউটোক কোবাই কোবাই মাৰি থৈ আহিম । কাৰ্ফিউটো ইমান বেয়া ! সকলোকে ভয় খুৱাই থাকে ।

OKDISCD

## গাৱেঁ-চহৰে

### অসমত বিশেষ কুচক্ৰীৰ গুপ্ত ঘাটি

# অপাৰেচন লঙ্কা

বিশেষ প্ৰতিনিধি

### ৰহস্যময়ী গাভৰু : অবাঞ্চিত অতিথি

নগাওঁৰ লঙ্কা। এই লঙ্কাৰেই অসমীয়া শিখ সকলৰ গাওঁ এখনত মাথো দুটা বঙালী পৰিয়াল। বহুদিন ধৰি বঙালী পৰিয়াল দুটাই গাওঁৰ অসমীয়া শিখসকলৰ লগত আপাতঃ দৃষ্টিত মিলাপ্ৰীতিৰে বাস কৰি আহিছে। শিখ গাওঁখনৰ পৰা কিছু আঁতৰত কেইখন মান বঙালীলোক অধ্যুষিত বস্তি। এই আন্দোলনৰ আৰম্ভণিৰে পৰা, অৰ্থাৎ যোৱা বছৰৰ চেপ্তেম্বৰ মাহ মানৰ পৰা লঙ্কাৰ অসমীয়া শিখ সকলৰ গাওঁখনলৈ এজনী গাভৰু অহা-যোৱা কৰি আছে। সপ্তাহত একোবাৰকৈ আহে, শিখ গাওঁৰ বঙালী পৰিয়াল দুটাৰ যিকোনো এটাত দুই-এদিন থাকে, তাৰ পিছত গুচি যায়। গাভৰুৰ এটা বিশেষ লক্ষণ এয়ে যে তাই অসমীয়া শিখ সকলৰ কোনো লোকৰ ঘৰত নোসোমায়, কাৰোলগত কথা-বতৰাও নাপাতে! অৰ্থাৎ তাইৰ সম্পৰ্ক মাথো সেই নিৰ্দ্দিষ্ট পৰিয়াল দুটাৰ লগত। গাভৰুৰ পিন্ধন-উৰণ, চাল-চলন আদি বৈচিত্ৰময় আৰু তাৰ পৰা যিকোনো ব্যক্তিয়ে অনায়াসে বুজিব পাৰে যে গাভৰু কোনো অভিজাত ঘৰৰ জীয়াৰী। প্ৰত্যেক বাৰ গাওঁ খনলৈ আহোতে তাই—লগত প্ৰকাণ্ড আকাৰৰ বাকচ কিছুমান কঢ়িয়াই আনে। কিন্তু সেই প্ৰকাণ্ড বাকচবোৰত কি বস্তু থাকে তাক জনাৰ কৌতুহল সকলোৰে থাকি যায়। এনে অদমীয় কৌতুহলৰ বশৱৰ্ত্তী হৈ এদিন গাওঁৰে যুৱক এজনে বঙালী পৰিয়াল এটাৰ মুখিয়াল মানুহ এজনক সুধি পেলালে : কোন এই গাভৰু, আহে কিয়···? মানুহ জনে বোধহয় এনে প্ৰশ্ন কিছুমানৰ উত্তৰ আগতেই ঠিক কৰি থৈ দিছিল। তেওঁৰ উত্তৰৰ পৰা বুজা গ'ল—গাভৰুৰ বৰ্ত্তমান বাসস্থান দিল্লীত, প্ৰকৃত ঘৰ কলিকতাত, কিন্তু তাই মাউৰা !!! কথাটো গাওঁখনত বনজুইৰ দৰে বিয়পি গ'ল। সকলোৰে সন্মুখলৈ পৃথিবীৰ বিস্ময় নামি আহিল : দিল্লীৰ পৰা আহে! সপ্তাহত এবাৰকৈ !! তাকো ট্ৰেইনত অকলে !!! কম সাহসীটো নহয়? আৰু সেই যে প্ৰকাণ্ড চুটকেচ-বাকচ বোৰ ; তাত যে কি বস্তু থাকে তাক স্বয়ং বিষ্ণু ভগৱানেও নাজানে কিজানি! গাভৰুৰ এড্‌ভেঞ্চাৰ দেখি গাওঁৰ ডেকাবোৰ বেচি কৌতুহলী হ'ল। এজন শিক্ষিত, বুদ্ধিমান ডেকাই দুৰ্বাৰ কৌতুহলবশতঃ ৰহস্যভেদ কৰিবলৈ আগবাঢ়িলে।

### সন্দেহ আছে : নতুন আৱিষ্কাৰ

শিলচৰৰ পিছতেই পশ্চাদ্‌ঘাতী, অসম বিৰোধী কাৰ্য্য-কলাপৰ অগ্ৰগামী ঘাটি হ'ল হোজাই, লঙ্কা, লামডিং আদি নগৰ-চহৰ কিছুমান। এইবোৰ নগৰ-চহৰত ইতিমধ্যে সাম্প্ৰদায়িক সংঘৰ্ষ হৈ আহি আছে। এই নগৰ-চহৰবোৰ সমাজ বিৰোধী, দুৰ্বৃত্ত লোকৰ কুখ্যাত আড্ডাৰ স্থল। হোজাই আৰু লামডিঙৰ মাজত লঙ্কা। লামডিঙৰ পৰা এটা ৰেলপথ হোজাই হৈ নামনি অসমলৈ গৈছে আৰু আন এটা শিলচৰ অভিমুখে ৰাওণা হৈছে। ৰহস্যময়ী গাভৰুৰ সন্দেহজনক গতি-বিধি অনুসৰণ কৰাত দেখা গ'ল যে গাভৰুৱে উক্ত দুয়োটা ৰেলপথেৰে আহ-যাহ কৰে—প্ৰথম শ্ৰেণীৰ ৰিজাৰ্ভড্ ডব্বাত। গাভৰুৰ প্ৰকাণ্ড বাকচ কঢ়িওৱা মানুহবোৰো এক বিশেষ ভাষা-গোষ্ঠীৰ ; শক্তিশালী দেহৰ ক'লা ছালৰ দাঢ়ি থকা লোক। গাভৰুৱে বাকচবোৰ কঢ়িওৱাত সিহঁতকহে ব্যৱহাৰ কৰে। গাভৰুক আগবঢ়ায় নিয়েহি এক বিশেষ ভাষা গোষ্ঠীৰ ভদ্ৰলোকে। বাটত সিহঁতে কথা খুব কম কয়।

লামডিঙৰ পৰা সিদিনা পেছেঞ্জাৰখন আহি ষ্টেচন পোৱাৰ লগে-লগে প্লেটফৰ্মত মানুহৰ ঠেলা-হেঁচা, হুট্টগোল আৰম্ভ হৈ গ'ল। কৌতুহলী ডেকাজনৰ শেনচকু প্ৰথম শ্ৰেণীৰ ডব্বা কেইটাত নিবদ্ধ। গাভৰুক দেখাৰ লগে লগেই তাৰ চকু উজ্জ্বল হৈ উঠিল। গাভৰুৰ পাছ ললে।

গাভৰু আহি বঙালী এঘৰত সোমাল। গৃহস্থই দৰজা-খিৰিকি বন্ধ কৰি দিলে। ডেকাই বেৰৰ জলঙাৰে দেখিলে বাকচ খোলা হৈছে। কিন্তু এয়া সি দেখিছে কি? নিজ চকুক বিশ্বাস নহয়। সি চকু পিৰিকিয়ালে। তাৰ বুজিবলৈ বাকী নাথাকিল, সেইবোৰ কি! সেই ৰাতিয়েই বস্তুবোৰ ওচৰৰ বঙালী বস্তিবোৰলৈ পঠিওৱা হ'ল।

### স্মৃতি ৰোমন্থন : আমাদেৰ দাবী

লোকসভা নিৰ্বাচনৰ আগে আগে অসমৰ বঙালীভাষী লোকৰ দ্বাৰা অধ্যুষিত অঞ্চলত কিছুমান লিফ্‌লেট্ বা প্ৰচাৰ পত্ৰিকা বিলি কৰা



OKDISCD

হৈছিল। চেপ্তেম্বৰ মাহত প্ৰকাশিত এনে এখন প্ৰচাৰ পত্ৰিকাত তলৰ কথাখিনিও পঢ়িবলৈ পোৱা গৈছিল। "যাহাতে আসামেৰ কাছাৰ জেলাৰ সমগ্ৰ অধিবাসী বাংলাভাষী, তদ্ৰূপ গোয়ালপাড়া জেলাৰ শতকৰা ৯০ জন লোকেই বাংলাভাষী এবং যেহেতু উত্তৰ কাছাৰ জেলাৰ অধিবাসীৰ শতকৰা ৫৫ জন বাংলাভাষায় কথা বলেন এবং যেহেতু নওগাঁ জেলাৰ শতকৰা ৭৫ জন লোকই বাঙ্গালী এবং যেহেতু কামৰূপ জেলাৰ মোট অধিবাসীৰ শতকৰা ৭০ জন বাঙ্গালী সেইজন্য আসামেৰ পাশা–পাশি অঞ্চলটা নিয়া যাহাতে··· একটি নুতন ৰাজ্য যথা–শীঘ্ৰে গড়িয়া উঠে সেইজন্য··· আমাদেৰ প্ৰদেশেৰ দাবী।" (স্বাক্ষৰ ঃ আব্দুল কাদিৰ লস্কৰ, আহ্বায়ক পূৰ্বাচল ৰাজ্য পৰিষদ, অসম ; চেপ্তেম্বৰ ১৯৭৯।)

## অসমীয়াক অসমৰ পৰা খেদিব লাগিব

অসমখন বঙালী–ৰাজ্যত পৰিণত কৰাৰ ষড়যন্ত্ৰ আজি বহুবছৰৰ পৰা চলি আহিছে। ১৯০৫ চনতেই এই ষড়যন্ত্ৰ আৰম্ভ হৈছিল। সম্প্ৰতি এনে ষড়যন্ত্ৰই সংহাৰ মূৰ্ত্তি লৈছে। যোৱা বছৰ ২ ডিচেম্বৰ তাৰিখে বঙালীৰ পশ্চাদ্ঘাতী–কাৰ্য্যকলাপৰ অন্যতম শ্ৰেষ্ঠ ঘাটি জলেশ্বৰত (চৰ অঞ্চলত) হোৱা এখন গোপন সভাত জনৈক বাংলাদেশী পণ্ডিতে সগৰ্বে ঘোষণা কৰিছিল,—"পুৰণি কালত অসম নামে কোনো ৰাজ্য নাছিল। আমি নিজকে বিদেশী বুলি কেতিয়াও স্বীকাৰ নকৰো। যি সকলে আজি অসমীয়া বুলি নিজকে জাহিৰ কৰি আছে তেওঁ–লোক সুদূৰ ব্ৰহ্মদেশৰ পৰা অহা মানুহ। প্ৰকৃততে সেই অসমীয়া সক–লহে বিদেশী। আমি অসমীয়া বিলাকক হে এই ৰাজ্যৰ পৰা খেদিব লাগিব।" 'সংখ্যালঘু' অধ্যুষিত অঞ্চলত ইতিমধ্যে অসমীয়া খেদাৰ ধুম উঠিছে। সদৌ অসম গণসংগ্ৰাম পৰিষদে জনোৱা তথ্যমতে এতিয়ালৈকে নগাওঁ আৰু বৰপেটাৰ বিভিন্ন আশ্ৰয় ও সাহায্য শিবিৰত নিম্নোক্ত ধৰণে অসমীয়া ভগনীয়াই আশ্ৰয় লৈছে—নগাওঁৰ আউনিআটিত ১৪৬৭ জন, উৰিয়া গাওঁত ২৭৮ জন, আৰু গোমোঠা গাওঁত ২৫৭ জন ; বৰপেটাৰ জীৱনলতা ছোৱালী স্কুলত ২৫০ জন, বিদ্যামন্দিৰত ৪৮২, ছায়াৰাম ছোৱালী স্কুলত ৩০০, দলাহাটি—প্ৰাথমিক বিদ্যালয়ত ১১০, আৰু ভবানীপুৰত ১০১ গৰাকী।—আন আন ঠাইৰ বাতৰি আহিয়েই আছে। ইয়াৰ পিছত গোলাবাৰুদ ব্যৱহাৰ কৰি অসমীয়া খেদাৰ পৰিকল্পনা চলিছে।


## অপাৰেচন ব্ৰহ্মপুত্ৰ বনাম বিদেশী সাহায্য

মাৰ্কিন যুক্তৰাষ্ট্ৰই ভাৰতত অধিপত্য বিস্তাৰ কৰিবলৈ দক্ষিণ পশ্চিম এচিয়াৰ দৰে দক্ষিণ পূব এচিয়াতো চি-আই-এ-ৰ অক্টোপাছ মেলি দিছে। ১৯৭৫ চনত বাংলাদেশত, বঙ্গবন্ধু, ভাৰতবন্ধু ৰুছপন্থী, আৱামীলীগৰ নেতা শ্বেখ মুজিবুৰ ৰহমান চি-আই-এ-ৰ ষড়যন্ত্ৰত মৃত্যু হোৱাৰ পিছত, তাত—মাৰ্কিনপন্থী ইছলামিক চৰকাৰ গঠিত হৈছে। ইছলামিক ৰাষ্ট্ৰ পাকিস্থান ভাৰতৰ শত্ৰু কিন্তু আমেৰিকাৰ বন্ধু। আনহাতে চীন, মাৰ্কিন উভয়শক্তি ৰাছিয়াৰ চকুৰ কুটা, দাঁতৰ শূল। দক্ষিণ পূব এচিয়াৰ ৰুছ সম্প্ৰসাৰণবাদ ব্যাহত কৰিবলৈ ভাৰতবিৰোধী সুকীয়া ৰাষ্ট্ৰ এখন আমেৰিকাৰ সৰ্বাধিক প্ৰয়োজনীয়। উত্তৰ পূব ভাৰতৰ বিচ্ছিন্নতাবাদী যি কোনো ভাৰতবিৰোধী চক্ৰক মাৰ্কিন–চীন শক্তিয়ে সহায় কৰিব। সেই ফালৰ পৰা উত্তৰ পুবভাৰতক লৈ United State of Bengal (U.S.B) নামৰ সুকীয়া ও স্বাধীন ৰাষ্ট্ৰ গঢ়িব খোজা গোষ্ঠীক মাৰ্কিন শক্তিয়ে সক্ৰিয় সহায়–সহযোগ কৰাৰ আশা দেখা যায়। এনে সহায় আগবঢ়োৱাৰ উদ্দেশ্য চি-আই-এ ৰ তৰফৰ পৰা Operation–Brahmaputra ৰ পশ্চাদ্ঘাতী কাম উত্তৰপূবাঞ্চলত চলি আছে। গতিকে 'সংখ্যা লঘু' ভাৰতবিৰোধী চক্ৰই বিদেশী সাহায্যত গোলা বাৰুদ ব্যৱহাৰ কৰি বিচ্ছিন্ন হোৱাৰ হুমকি দিব পাৰে। ক্ৰম বৰ্দ্ধিত ৰুছ-ভাৰত মিত্ৰতাৰ অলেখ–লেখলৈ চাই উত্তৰপূব ভাৰতত বাংলাদেশ, আমেৰিকাযুক্তৰাষ্ট্ৰ আৰু চীনদেশ,—এই ত্ৰিমূৰ্ত্তিৰ মিলিত প্ৰচেষ্টাৰ পশ্চাদ্ঘাতী কাৰ্য্যৰ ৰেহৰূপৰ তীব্ৰতাৰ হ্ৰাস–বৃদ্ধি দেখিবলৈ পোৱা যাব। ৰাছিয়াই যে চীনৰ বিৰুদ্ধে দুৰ্ভেদ্য চক্ৰবেহু নিৰ্মাণৰ ষড়যন্ত্ৰত ব্যস্ত আছে–এই কথাও উপমহাদেশৰ উৎকট ক্ষমতালোভী শাসনাধিস্থ চক্ৰই নুবুজিলে নহব। ধৰ্মৰ ৰামনৱমী বস্ত্ৰৰ আঁৰত প্ৰতাৰণা—প্ৰৱঞ্চনাৰ কুখ্যাত আঁচনি লুকাই থকাৰ দৰে লোভ–নীয় নাৰীদেহৰ আঁৰকাপোৰৰ অন্তৰালত লুকাই থকা সৰ্বনাশৰ বিহ হলাহল উলিয়াই আনিব পাৰিব লাগিব। তাকে নকৰি বৰ্ত্তমানৰ নিৰ্দোষ গণ আন্দোলনৰ আঁৰত বিদেশীৰ অদৃশ্য হাত থকা বুলি প্ৰলাপ বকি ফুৰিলে ঘটনাই অন্যৰূপ লব। অন্যথা বিদেশীৰ ঘোচ খাই অসমক বিদেশীক বিক্ৰী কৰাৰ সকলো ৰহস্য ক্ৰমশঃ নগ্নভাৱে উন্মোচিত হৈ আহিব। চৰকাৰে অসমক লৈ খেলা কৰাৰ পৰিণতি অতি মাৰা–ত্মক হব পাৰে। এই কথালৈ কাণ নিদি হিটলাৰৰ পন্থা ললে, শেষত



OKDISCD

হিটলাৰৰ দৰেই আত্মঘাতী হৈ মৰিব লাগিব। ৰাষ্ট্ৰধাৰণকাৰী ৰঘুমলা গোষ্ঠীয়ে 'সংখ্যালঘু'ৰ সৈতে মিত্ৰতা পাতি কিমান জধামুৰ্খামিৰ পৰিচয় দিছে, ২৬ মেৰ ইতিহাসে তাৰ প্ৰমাণ কৰিছে। এনে মুৰ্খামিৰ পুণৰাবৃত্তিয়ে কিন্তু সমগ্ৰ উত্তৰপূৰ্বাঞ্চলত নিয়ন্ত্ৰণাধীন উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিব আৰু তেতিয়া উলুৰ লগত বগৰীপোৰা যোৰা দেখি ৰঘুমলা গোষ্ঠীয়ে কপাল আফলিয়াই বিলাপ কৰিব লাগিব। অপাৰেচন লঙ্কা ইয়াৰ এটা ফিৰিঙতিহে দাবানল জ্বলা নাই এথোন। সময় কিন্তু বৈ নাথাকে।




যুৱকে প্ৰেমিকা কৰবীৰ বাপেকক লগ কৰি বিয়াৰ প্ৰস্তাৱ দিলে। তিৰোতা সেকুৰা স্বামীয়ে যুৱকক সুধিলে—তুমি কৰবীৰ মাকক দেখা কৰিছিলাতো ?

যুৱক—কৰিছিলো ; পিছে মোৰ কৰবীক হে বেছি পচন্দ হৈছে !

উদয় শঙ্কৰ শইকীয়া, বৰহাট




**পৰবৰ্তী সংখ্যাৰ পৰা জনপ্ৰিয় প্ৰশ্নোত্তৰ শিতান ঃ**

এবাৰত দুটাতকৈ অধিক প্ৰশ্ন নপঠিয়াব। আপোনাৰ প্ৰশ্নৰ উত্তৰ দিব ***বিক্ৰমজিতে***

প্ৰশ্নবান পঠিওৱাৰ ঠিকনা ঃ

**তিতাকেহুঁ**
**মাৰফৎ ঃ সূৰ্য**
**সূৰ্য প্ৰকাশন**
**গনেশমন্দিৰ, দিচপুৰ গুৱাহাটী—৭৮১০০৬**

গল্প

# জুই

অচ্যুত কুমাৰ শৰ্মা

উমি থকা জুইকুৰা দপ্‌দপকৈ জ্বলি উঠিল।

শুকদেৱে জানে, এই জুই জ্বলিব। সেয়ে সি বহুদিন আগৰ পৰাই গাওঁৰ প্ৰতিটো চুবুৰীতে আগতীয়াকৈ খবৰ দিছিল। চাৰিওপিনে জুই জ্বলাৰ আশংকা দেখি সি তাৰ গাওঁখনক ৰক্ষা কৰিবলৈ চিন্তিত হৈ পৰিছিল। জুই যাতে নজ্বলে আৰু জ্বলিলেও যাতে নুমাব পাৰি তাৰ বাবে সি গাওঁৰ সকলো মানুহক বাৰে বাৰে সকিয়াই দিছিল। তথাপি গাওঁৰ মানুহে কান-সাৰ কৰা নাছিল। প্ৰত্যেকে নিজৰ চিন্তাতেই ব্যস্ত আছিল। অৰ্থাৎ ভাত কাপোৰৰ সমস্যাত জৰ্জ্জৰিত বৃহৎ সংখ্যক গাওঁবাসীয়ে আগন্তুক জুইৰ উমান পাইও নীৰৱে থাকিবলৈ বাধ্য হৈছিল। ইপিনে গাওঁৰ প্ৰধান প্ৰতিপত্তিশালী ৰমাকান্ত চৌধুৰীয়ে তাৰ একমহলৰ ঘৰটো দুমহলীয়া কৰিছিল। বিশ বিঘা মাটিৰ মালিক জমিৰে ত্ৰিশ বিঘাৰ উত্তৰাধিকাৰী হৈছিল। নিজৰ গাওঁৰ মানুহে খিচৰা হাজিৰাতকৈ কম হাজিৰাত কাম কৰাই বেছি কাম আদায় কৰাৰ মানসেৰে অন্য গাওঁৰ বনুৱা নিয়োগ কৰি বেচ প্ৰতিপত্তিশালী হৈছিল। ৰতিকান্ত বৰো গাওঁবুঢ়া। নিজৰ মাটিত অন্য গাওঁৰ ভূমিহীন খেতিয়কক ঘৰ বান্ধি দি এটা নতুন চুবুৰীৰ পৰিকল্পনা কৰিছিল। গাওঁবুঢ়াৰ মানুহখিনিয়ে তাৰ কথা বেদবাক্যৰ দৰে অন্ধভাৱে মানি অহা বাবে গাওঁবুঢ়াক ভাঙিবলৈ চেষ্টা কৰিও ভাঙিব পৰা নাছিল। গাওঁবুঢ়াৰ ক্ষমতা থকা বাবে তাৰ চুবুৰীৰ মানুহক অন্য চুবুৰীতো থকাৰ সুবিধা কৰি দিছিল আৰু মাটিৰ পট্টন দিছিল। ৰমাকান্ত চৌধুৰী, জমিৰ আৰু গাওঁবুঢ়া তিনিওৰে মাজত আচলতে মিল নাছিল। প্ৰত্যেকে প্ৰত্যেকক মনেৰে বেয়া পাইছিল আৰু নিজে অধিক আঢ্যবন্ত হবলৈ চেষ্টা কৰিছিল। টকা-পইচা আৰু সাময়িক সাহায্য দিয়াৰ নামত গাওঁৰ মানুহক শোষণ কৰিছিল। এই কথা গাওঁৰ মানুহবিলাকে বুজি পোৱাৰ লগে লগে তেওঁলোকে আত্মৰক্ষাৰ কাৰণে যিমানে পাৰে অন্য গাৱঁৰ

OKDISCD

মানুহ আনি নিজৰ মাটিত বহুৱাই খৰখেদাকৈ চৰকাৰীভাৱে মাটিৰ পট্টন দি গাৱঁৰ অধিবাসী কৰিছিল । কিন্তু এই বাহিৰা মানুহ বিলাকৰ অঙহী-বঙহীবিলাকে সদায় আলহী খোৱাৰ নামত গাওঁখনত পিয়াপি দিয়াত গাৱঁৰ মানুহৰ চকু মুকলি হ'ল । অন্য গাৱঁৰ মানুহে তাৰ পৰা যি কাম অনায়াসে পায় নিজৰ গাৱঁৰ মানুহ বঞ্চিত হোৱাৰ সংখ্যা বৃদ্ধি হ'ল । আলহী হ'ল ঘৰৰ মালিক। মালিক হ'ল আলহী। খেতিয়ক হ'ল কৃষি বনুৱা, কৃষি বনুৱা হ'ল খেতিয়ক । সেয়ে গাৱঁৰ মানুহে কোৱা-কুই কৰিছিল যে এদিন এই গাৱঁত জুই জ্বলিব । গাৱঁৰ মানুহবোৰে এই গাওঁ এৰি হয় যাব লাগিব নহলে ইয়াত থকা বাহিৰা মানুহবোৰ চিনি উলিয়াই খেদিব লাগিব । সকলোৱে ভবাৰ দৰে শুকদেৱেও এনেদৰে ভাবিছিল ।

কিন্তু জুই জ্বলিল ।

ইমান সোনকালে জুই জ্বলিব বুলি শুকদেৱে ভাবিবই পৰা নাছিল । গাওঁখনৰ পূবৰ পৰা দক্ষিণলৈ, দক্ষিণৰ পৰা উত্তৰলৈ যেনি তেনি জুই শিখা উৰিছিল । ৰাজহুৱা পুখুৰীত যথেষ্ট পানী থকা সত্ত্বেও একগোট হৈ গাৱঁৰ মানুহবোৰে জুই নুমাবলৈ চেষ্টা নকৰিলে । সকলোৰে প্ৰথমতে ৰমাকান্ত চৌধুৰী, জমিৰ আৰু ৰতিকান্ত বড়োই কিবা এটা কৰিব বুলি ভাবিছিল । কিন্তু জুই শিখা বাঢ়ি যোৱা সত্ত্বেও একো নকৰা দেখি ৰাইজ বিপদত পৰিল । মুষ্টিমেয় কেইজনমানৰ বাহিৰে গাৱঁৰ ল'ৰা–তিৰোতা, বুঢ়া–বুঢ়ী সকলোৱে ৰাজপথলৈ ওলাই আহিল । বুকুত জুই নুমোৱাৰ সাহস, চকুত জীয়াই থকাৰ আশা । ডেকা-লৰা কেইজনমানে চাইকেল মাৰি ওচৰৰ চহৰত অগ্নিনিৰ্ব্বাপক বাহিনীক খবৰ দিলে । কিন্তু জুই বাঢ়ি যোৱাৰ পিচতো অগ্নিনিৰ্ব্বাপক বাহিনী নাহিল । শেষত বুজি পালে যে গাওঁবুঢ়াৰ ধনিক গোষ্ঠীটোৱে হেনো গাৱঁত জুই নজ্বলা বুলি কৈ পঠিয়াইছে । গাওঁবুঢ়াৰ কথাৰ মূল্য আছে, অন্ততঃ গাৱঁৰ ডেকা-ল'ৰাৰ লগত তুলনা কৰিলে । চহৰৰ দুই চাৰিজন মানুহে গাওঁলৈ দৌৰি আহিল । কেনেকৈ জুই জ্বলিল, কেনেকৈ নুমাব পৰা যায় আলোচনা কৰিলে । চহৰলৈ গৈ অগ্নিনিৰ্ব্বাপক বাহিনীক অনুৰোধ জনালে । চাৰিওপিনে হাহাকাৰ লাগিল । ঘৰপোৰা জুইয়ে বহুসংখ্যক যুৱক–যুৱতীক পুৰিলে । বহুতেই আধাপোৰা হ'ল ।

শুকদেৱে ৰমাকান্ত চৌধুৰীৰ ওচৰ পালে ।

ৰমাকান্ত চৌধুৰী নিৰ্ব্বিকাৰ । অন্য গাৱঁৰ যিখিনি মানুহ সি আনিছিল সেইখিনিক ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে সি ব্যস্ত । গাৱঁৰ সমগ্ৰ মানুহৰ চিন্তা তাৰ মূৰত নাই ।

অগ্নিনিৰ্ব্বাপক বাহিনী আহিল ।

আহি পোৱাৰ পিচতেই ৰমাকান্ত চৌধুৰী, জমিৰ আৰু ৰতিকান্ত বড়োৰ ঘৰত পানী ঢালিবলৈ ধৰিলে । জুই কিন্তু তাত তেতিয়াও জ্বলা নাছিল । গাৱঁৰ জুই নুমাব দূৰৰ কথা এই তিনিটা পৰিয়ালত যাতে জুই নজ্বলে তাৰ বাবেহে সচেষ্টম হৈ পৰিল । অথচ চাইকেল মাৰি গৈ ডেকাসকলে গাওঁখনক ৰক্ষা কৰিবলৈকেহে অগ্নিনিৰ্ব্বাপক বাহিনীক খবৰ কৰিছিল ।

তাৰ মানে ?

এই জুইকুৰা এই তিনিজনেই জ্বলালে নেকি ? নহলে নজ্বলা ঘৰত অগ্নিনিৰ্ব্বাপক বাহিনী নিয়োগ কৰিছে কিয়, গাওঁবাসীৰ মনত প্ৰশ্ন জাগিল । লগে লগে হাজাৰ হাজাৰ মানুহে ইহঁতক বেঢ়ি ধৰিলে । পুহি ৰখা মানুহবোৰে গৰাকীক ৰক্ষা কৰিবলৈ থানাত খবৰ দিলে । বিবৰি ক'লে যে গাওঁবাসীয়ে নিজৰ ঘৰত নিজে জুই দি এতিয়া ভাতৃঘাতি আন্দোলনত নামি পৰিছে । পুলিচ আহিল । পুলিচৰ লগত এই মানুহবোৰেও নিৰ্য্যাতন, উৎপীড়ন, বলাৎকাৰ আদিত লিপ্ত হ'ল । পুলিচেও জধাই–মধাই যাকে য'তে পায় গ্ৰেপ্তাৰ কৰিলে ।

জুইকুৰা তেতিয়াও জ্বলি আছিল ।

জুই নুমাবলৈ চেষ্টা নকৰি কেৱল পুলিচি নিৰ্য্যাতনহে আৰম্ভ হ'ল । থানাৰ পৰা নিৰ্দ্দেশ আহিল—ঘৰপোৰা সকলক গ্ৰেপ্তাৰ কৰিব লাগে ।

পোহনীয়া মানুহবিলাক আনন্দত আত্মহাৰা হ'ল । ধনিক শ্ৰেণীটোৱে আৰু ধনী হোৱাৰ আশাত নতুন বুদ্ধি পাঙিব ধৰিলে । দালাল-পাণ্ডা সকলে ক'ত বেছি লাভ হব তাৰ হিচাপ নিকাচত লাগিল ।

ধৈৰ্য্য সহকাৰে শুকদেৱে সকলো চাইছিল । গাওঁখনৰ নামলৈ বেছিভাগেই নিজৰ ঘৰ ৰক্ষা কৰাৰ চেষ্টা দেখা গ'ল । জাতি, ধৰ্ম, গোত্ৰ আদিৰ নামত ঐক্যভাঙি দি প্ৰতিবাদৰ শক্তি শেষ কৰিবলৈ অবিৰত চেষ্টা ধনিক শ্ৰেণীটোৰ দেখা গ'ল ।

গাওঁবাসী বৈ নাথাকিল । ওচৰে–পাজৰে থকা সকলো গাৱঁৰ পৰা সহায় ভিক্ষা নকৰি কেৱল এই অবিচাৰটো সকিয়ালে । ইয়াতেই অন্য গাৱঁক ফুচুলিয়াই নিজৰ গাওঁ বিক্ৰী কৰাৰ ষড়যন্ত্ৰত লিপ্ত হোৱা বুলি ধনিক গোষ্ঠীটোৱে গাওঁবাসীৰ ওপৰত অধিক নিৰ্য্যাতন আৰম্ভ কৰি দিলে । অস্ত্ৰৰ লগত অস্ত্ৰৰ খেল নেখেলি দুৰ্ব্বল অসহায়

OKDISCD

গাওঁবাসীয়ে প্ৰেমেৰে, অহিংসাৰে এই নৰ পিশাচহঁতৰ হৃদয় পৰিবৰ্ত্তন কৰিবলৈ আকূতি জনালে ।

থমকি ৰ'ল ৰতিকান্ত বড়ো ।

গাওঁখনৰ প্ৰতিষ্ঠাত ৰতিকান্তই প্ৰথমতে আগভাগ লৈছিল । সেইজন ৰতিকান্তই আজি নিজৰ গাওঁখন আনৰ বুদ্ধি শুনি ধ্বংস কৰিব কিয় ? গাওঁখন সি ৰক্ষা নকৰিলে কোনে কৰিব ?

জুইকুৰা জ্বলিয়েই আছিল ।

আকাশলৈ উৰিছিল তাৰ শিখা । গাওঁৰ দৈনন্দিন সকলো কাম বন্ধ হৈছিল । জমিৰে হঠাতেই নিজক চিনি পালে । সি যে মুছলমান সেই কথা স্বাৰ্থৰ মোহত পাহৰি আছিল । মুহূৰ্ত্তৰ ভিতৰতে সি কোৰাণৰ নিৰ্দ্দেশ মনত পেলালে । হজৰতৰ কণ্ঠস্বৰ যেন সি শুনিবলৈ পালে—য'ত থাকা সেইটো গাওঁখন নিজৰ গাওঁ, তাক ৰক্ষা কৰা ।

ৰাইজৰ হাতত হাত মিলাই ৰতিকান্ত আগবাঢ়ি আহিল । পিচে পিচে জমিৰ । দুয়োজনৰ পিচত হাজাৰ হাজাৰ গাওঁৰ মানুহ । ৰূঢ় কণ্ঠত দুয়োজনে ৰমাকান্ত চৌধুৰীক ক'লে—

ঃ জুইকুৰা নুমাব লাগে । তুমি আমাৰ লগত আহা । অকলে ইমান ডাঙৰ জুই তুমি নুমাব নোৱাৰিবা । আমি সহযোগ মনোভাবেৰে এই জুই নুমাব লাগিব ।

ৰমাকান্ত চৌধুৰীয়ে চকুৰে সৰিয়হ ফুল দেখিছিল । জ্বলি থকা জুইৰ ফিৰিঙতি যেন সি প্ৰতিজন মানুহৰ চকুতেই দেখিবলৈ পালে । ৰাইজে চাইছিল জমিৰৰ চকুলৈ । জমিৰ শান্ত । এনে লাগিছিল সেইজন যেন জমিৰ নহয়— হজৰত । চাইছিল ৰতিকান্তৰ চকুলৈ । সেয়া যেন ৰতিকান্ত নহয়— গাওঁখনৰ প্ৰথম মানুহজন । ৰমাকান্ত চৌধুৰীৰ মুখত এটাও শব্দ নাছিল ।

যন্ত্ৰ চালিতৰ দৰে অগ্নিনিৰ্ব্বাপক বাহিনীয়ে এটা এটাকৈ জ্বলি থকা ঘৰবোৰ নুমাবলৈ ধৰিলে । শুকদেৱে ভাবিলে— এই জুই যাতে পুনৰ জ্বলাব নোৱাৰে তাৰ বাবে গাওঁবাসীক বুজাব লাগিব । কেতিয়াবা জুই জ্বলিলে যাতে অগ্নিনিৰ্ব্বাপক বাহিনীৰ সহায় নোহোৱাকৈ ৰাইজে নিজে নুমাব পাৰে তাকো বুজাব লাগিব । জুই জ্বলে, ৰাইজৰ ঐক্য আৰু একাত্মবোধ থাকিলে জুয়ে পুৰিব নোৱাৰে । ●

পৰৱৰ্ত্তী সংখ্যাত ঃ নিৰঞ্জনৰ— **যম ৰজাৰ আদালতত**
যমৰজাৰ লগত ভাৰতৰ কেইগৰাকীমান শীৰ্ষস্থানীয় নেতাৰ মুখামুখি !

ব্যক্তি আৰু প্ৰতিভা



# মেদিনী মোহন চৌধুৰী মানুহজন আৰু তেওঁৰ উপন্যাস 'তাত নদী নাছিল'

● নিৰুপমা বৰগোহাঞি

শ্ৰীমেদিনী মোহন চৌধুৰী আমাৰ পৰিয়ালৰ বহু দিনীয়া বন্ধু মানুহ ; আড্ডা জমোৱাত তেওঁৰ দৰে মানুহ জীৱনত বৰ কম লগ পাইছোঁ । এবাৰ বঙালী সাপ্তাহিক 'দেশ'ত তেওঁৰ বিষয়ে সুনীল গঙ্গোপাধ্যায়ে এই বুলি মন্তব্য দিছিল যে মেদিনী চৌধুৰীৰ কথা-বতৰাই মানুহক সহজেই তেওঁৰ প্ৰতি আকৰ্ষিত কৰে । সেইবাৰ সুনীল গঙ্গোপাধ্যায় ডিগবৈলৈ গৈ মাৰ্ঘেৰিটাত এছিছটেন্ট পলিটিকেল অফিচাৰ হৈ থকা মেদিনী চৌধুৰীক লগ পাই সেই মন্তব্য দিছিল । আমিও প্ৰায় সেই একে সময়তে গৈ সপৰিয়ালে শ্ৰীচৌধুৰীৰ ঘৰত আতিথ্য গ্ৰহণ কৰি আছিলোঁ । সেই দিনকেইটা চৌধুৰীৰ লগত হোৱা হৰেক ৰকম কথা-বতৰাই মধুৰ কৰি ৰাখিছিল ।

শ্ৰীচৌধুৰীৰ চৰিত্ৰৰ এটা দিশ হ'ল ল'ৰা-ছোৱালীৰ প্ৰতি পৰম স্নেহ—সি নিজৰে হওক বা লোকৰে হওক । এনে ঘটনাও ঘটিছে যে নিজৰ ল'ৰা-ছোৱালী কেইটা ককাকৰ ঘৰলৈ ফুৰিবলৈ গ'লে তেওঁ ওচৰ চুবুৰীয়াৰ ল'ৰা-ছোৱালীকে আনি লগত ৰাখে—ল'ৰা-ছোৱালী শূন্য ঘৰত থাকি তেওঁ শান্তি নেপায় । শিশুৰ যত্নৰ প্ৰতিও তেওঁ খুব সচেতন । বহুত বছৰৰ আগৰ কথা, তেতিয়া শ্ৰীচৌধুৰী শিৱসাগৰত মেজিষ্ট্ৰেট হৈ আছে, আমি শহৰৰ ঘৰ চকুৰাখনালৈ যাত্ৰা আৰম্ভ কৰি তেওঁক জনাই দিছোঁ বাটত শিৱসাগৰত তেওঁৰ ঘৰত খপি যাম ; সেই সময়ত চকুৰাখনালৈ যোৱা কথাটো এক ধৰণৰ অভিযানৰ দৰেই

হৈছিল। শিৱসাগৰলৈ গৈ তাৰ পৰা দিচাংমুখ, দিচাংমুখত নাওত উঠি বিশাল ব্ৰহ্মপুত্ৰৰ বুকুৰেদি যাব লাগে প্ৰায় তিনি ঘণ্টামান ; সিপাৰৰ টেকেলিফুটা ঘাট পাবলৈ বালিৰে এমাইল মান খোজ কাঢ়ি যাব লাগে ; হাতীয়ে টনা গাড়ীও আছে অৱশ্যে, কিন্তু তাক বোধহয় মাল কঢ়িওৱাত ব্যৱহাৰ কৰা হয়। যিহওক, টেকেলিফুটাৰ পৰা পুনৰ গৰু বা ঘোঁৰাৰ গাড়ীৰে সাত মাইল যোৱাৰ পাছতহে ঢকুৱাখনা পোৱা যায়, যি ঢকুৱা-খনা ইমান দুৰ্গম পথৰ সিপাৰত থাকিও শিক্ষিত আৰু সম্ভ্ৰান্ত লোকেৰে পূৰ্ণ এক উন্নত গাওঁ।

সি যি কি নহওক, আমি ট্ৰেনেৰে গৈ শিমলুগুৰি পাই বাছ ধৰি যেতিয়া শিৱসাগৰ পাওঁ, তেতিয়া কাহিলি কাহিলি পোহৰ হৈছে মাত্ৰ, অতিপাত জাৰ, কুঁৱলিয়ে চাৰিওপিনে ঢাকি ৰাখিছে। বাছ ষ্টেচনত নামিয়ে দেখিলোঁ শ্ৰীচৌধুৰী সৰ্বাঙ্গত এৰি চাদৰ এখন আবৃত কৰি আমাৰ বাবে ৰৈ আছে—আমাৰ প্ৰথম সন্তান কেঁচুৱাটোৰ বাবে তেওঁৰ মনত খুব উদ্বেগ। সেই উদ্বেগ লৈয়ে পিছদিনা ৰাতিপুৱাই আমি দিচাংমুখলৈ যাত্ৰা কৰাৰ আগে আগে নিজেই খা-খবৰ কৰি কেঁচুৱাই বাটত খাব পৰাকৈ গৰুৰ গাখীৰ যোগাৰ কৰি আনি দিলে! সেই উপকাৰটো যে কিমান ডাঙৰ আছিল তাক উপলব্ধি কৰিছিলোঁ ঢকুৱাখানাৰ পৰা ওভতাৰ পথত ব্ৰহ্মপুত্ৰৰ বুকুত নাৱৰ তিনি ঘণ্টাৰ সুদীৰ্ঘ যাত্ৰাত—গাখীৰৰ অভাৱত প্ৰায় গোটেই বাটটোৱে কেঁচুৱাটোৱে কান্দি আহিছিল।

অৱশ্যে শ্ৰীচৌধুৰীৰ লগত অইন প্ৰসংগত মই বিৰুদ্ধাচৰণো কৰিছোঁ আৰু মোৰ কঠোৰ মনোভাৱ নিৰ্দ্বিধাই প্ৰকাশ কৰিছোঁ যাৰ বাবে তেওঁ মোক ক'ব লগা হৈছে যে মই বৰ কথা শুনাওঁ। কিন্তু সি যি কি নহওক, মানুহক পূৰাপূৰি জনাটো বহুতৰে পক্ষে সম্ভৱ নহয়, মোৰ পক্ষেও নহয়, কিন্তু শ্ৰীমেদিনী চৌধুৰী সম্পৰ্কে ইয়াকে মই ক'ব পাৰো যে তেওঁ এজন অতি মৰমিয়াল গৃহস্থী মানুহ।

বহুতো অসমীয়া সাহিত্যিকৰ দৰে শ্ৰীচৌধুৰীয়ে বহুতো কিতাপ লিখা নাই, কিন্তু যি কেইখন লিখিছে তাৰ প্ৰত্যেকখনৰে স্বকীয়তা অসমৰ সাহিত্য জগতত বিৰল। 'অনন্য প্ৰান্তৰ', 'বণ্ডুকা বেহাৰ' আৰু 'তাত নদী নাছিল'—এই তিনিওখন গ্ৰন্থই নিজ বৈশিষ্ট্যৰ স্বাক্ষৰ ৰাখিবলৈ সক্ষম হৈছে। এইকেইখনৰ এখনো সাধাৰণ অৰ্থৰ উপন্যাস নহয়, 'অনন্য প্ৰান্তৰ' একধৰণৰ কাল্পনিক অসম ভ্ৰমণ, 'বণ্ডুকা বেহাৰ' মাধৱদেৱৰ জীৱনৰ ভেঁটিত ৰচিত। আৰু 'তাত নদী নাছিল' গোৱেশ্বৰ অঞ্চলৰ এখন অতি পিছপৰা গাৱঁৰ প্ৰাক্-স্বাধীনতা যুগৰ কাহিনীৰ আলম লৈ লেখা (অৱশ্যে গোৱেশ্বৰৰ নামটোৰ ক'তো উল্লেখ নাই)—সেই পিছপৰা গাওঁখন অৰ্থনৈতিক আৰু অন্যান্য দিশত ইমানেই অনগ্ৰসৰ যে সময় যেন তাত স্থবিৰ, নদীৰ প্ৰবাহমান গতি তাত নাই। সেইবাবেই কিতাপখনৰ নাম প্ৰতীকি অৰ্থত 'তাত নদী নাছিল' দিয়া হৈছে।

কুৰি টকা দামৰ এই উপন্যাসখন মই পইছা ভৰি কিনিব লগা হোৱা নাছিলোঁ, শ্ৰীচৌধুৰীয়ে বন্ধুত্বৰ মৰমেৰে উপহাৰ দি যোৱা কিতাপখন পাই লগে লগেই পঢ়িবলৈ আৰম্ভ কৰিব পৰা নাছিলোঁ, কাৰণ তেতিয়া মই পঢ়ি আছিলো শ্ৰীমতী আশাপূৰ্ণা দেৱীৰ জ্ঞানপীঠ পুৰস্কাৰ প্ৰাপ্ত উপন্যাস 'প্ৰথম প্ৰতিশ্ৰুতি' ; তাৰ পাছত সেইখন শেষ হোৱাত পঢ়িলোঁ 'তাত নদী নাছিল'। উপৰা-উপৰিকৈ দুখন উপন্যাস পঢ়ি উঠাৰ বাবে মনে সেই দুখনৰ তুলনামূলক বিচাৰত ব্যস্ত হৈ পৰিল, অৱশ্যে দুয়োখনৰ মাজত থকা কিছুবিষয়ৰ সামঞ্জস্যৰ বাবেই যে সেই ধৰণৰ বিচাৰত লাগিলো সেইটোও ঠিক আৰু সেইবাবেই এতিয়া অপ্ৰাসংগিক যেন লাগিলেও মই 'প্ৰথম প্ৰতিশ্ৰুতি'ৰ প্ৰসংগ টানিছোঁ।

অসমৰ আৰু বঙ্গৰ দুখন পিছপৰা গাওঁৰ পটভূমিত দুয়োখন উপন্যাসেই ৰচনা কৰা হৈছে ; দুয়োখনৰে আকাৰ বৃহৎ আৰু গাওঁ দুখনৰ নানা বৰ্ণনাৰে জীৱন্ত ছবি ফুটাই তোলা হৈছে, নানা বৰ্ণাঢ্য চৰিত্ৰ উপন্যাসৰ পাতত মূৰ্ত হৈ উঠিছে। দুয়োখন উপন্যাস পঢ়িলে বুজা যায় যে লেখক-লেখিকাদ্বয়ৰ সেই গাওঁবোৰৰ লগত পৰিচয় নিবিড় আৰু আন্তৰিক, তেনে নোহোৱা হলে এনেকৈ মানুহবোৰৰ গাত তেজ মাংস লগাই জীৱন্ত কৰি তুলিব নোৱাৰিলেহেঁতেন।

কিন্তু এই মিলবোৰ এফলীয়া কৰি থৈ যি এক অমিল প্ৰকট হৈ উঠিল তাৰ কথাৰে এতিয়া অৱতাৰণা কৰোঁ। উপন্যাস দুখন আৰম্ভ হৈছে দুটা সৰু ল'ৰা ছোৱালীক নায়ক নায়িকা কৰি ; 'প্ৰথম প্ৰতিশ্ৰুতি'ৰ সত্যৱতী আৰু 'তাত নদী নাছিল'ৰ কেৱল 'সি'— এই সৰ্বনামটোৰেই চৰিত্ৰটোক উল্লেখ কৰি যোৱা হৈছে। এজনী সৰু ছোৱালী আৰু এটা সৰু ল'ৰা, কিন্তু ছোৱালী হ'লেও তাই নৈতিক বলেৰে বলীয়ান আৰু সি ল'ৰা হৈয়ো এক প্ৰকাৰ অসহায় দৰ্শকৰ ভূমিকা লৈয়ে থাকি গ'ল, তাৰ চৰিত্ৰৰ দৃঢ়তা ক'তো ফুটি নুঠিল। খুৰাকে ঘৰৰ কাম কৰা, পথাৰৰ কাম কৰা ল'ৰা দখৰক লঘু শাপতে গুৰু শাস্তি দি গৰু কোবোৱাদি কোবালে, কিন্তু সি মূক সহানুভূতি আৰু যন্ত্ৰণাত নীৰৱ হৈ ৰ'ল, কোনো ধৰণৰ প্ৰতিবাদ নকৰিলে। আনহাতে সত্যৱতী প্ৰতিবাদত সোচ্চাৰ হৈ উঠিল জটা

OKDISCD

ৰুকায়েকে ঘৈণীয়েকক প্ৰবল প্ৰহাৰ কৰাত ; সেই অকণমান ছোৱালী-জনীয়ে এনেকি ৰুকৰা এটাও ৰচনা কৰি সমনীয়া সকলৰ লগত গাৱঁৰ বাটে ঘাটে সেইটো গাই ফুৰিবলৈ ধৰিলে ঃ

‘জটাদাদা, পাও গোধা
যেন ধুমা হাতী,
ঘৈণীক মৰা দাদাৰ মুখত
বেঙে মাৰক লাঠি ।’

কেৱল সেয়ে নহয়, ‘প্ৰথম প্ৰতিশ্ৰুতি’ৰ শেষলৈকে দেখিলো, বিবাহিত জীৱনৰ শেষ পৰলৈকো সত্যবতীয়ে সকলো ধৰণৰ অন্যায় দুৰ্নীতিৰ নৈতিক প্ৰতিবাদেই জনাই থাকিল, কিন্তু ‘সি’ সদায় নীৰৱ নিষ্ক্ৰিয় দৰ্শকৰ ভূমিকা গ্ৰহণ কৰি কৰিয়ে শেষত গুৱাহাটীৰ কলেজলৈ পঢ়িবলৈ গ’ল আৰু তাতেই কাহিনীৰ সমাপ্তি ঘটিল । অইন পাঠকৰ কথা নাজানো, মই ব্যক্তিগতভাবে এই নায়কজনৰ প্ৰতি কোনো ধৰণৰ সপ্ৰশংসভাবেই অনুভৱ কৰিব নোৱাৰিলো । নায়কোচিত কোনো ধৰণৰ ব্যক্তিত্বই তাৰ গাত ফুটি নুঠিল, সি কেৱল সকলো ঘটনা, সকলো কথা কাণ্ড নিৰ্জীব নিষ্ক্ৰিয় দৰ্শক হৈয়ে চাই গ’ল, তাৰ নিজৰ কোনো দৃঢ়ব্যঞ্জক চৰিত্ৰৰ চিন ক’তো ফুটি নুঠিল ।

মোৰ ব্যক্তিগত ধাৰণা ‘তাত নদী নাছিল’ৰ এক লেখত লব-লগীয়া কৃতিত্ব হ’ল, গাৱঁৰ নানা সৰু ছবি, নানা প্ৰাকৃতিক দৃশ্যৰ অতি সূক্ষ্ম আৰু নিপুণভাবে অংকিত কৰিব পৰাটো । মাজে মাজে বৰ্ণনা এনে অপূৰ্ব যে পঢ়ি পঢ়ি মনৰ ভিতৰত স্বগতোক্তি কৰি পেলাও” —ময়ো যদি এনেকৈ লেখিব পাৰিলোহেঁতেন !

আগতেই উল্লেখ কৰি অহা হৈছে গোৰেশ্বৰ অঞ্চলৰ অতি পিছপৰা গাওঁ এখনৰ আধাৰত এই উপন্যাসখন ৰচিত হৈছে । গাওঁখন উন্নতিৰ পথত আগ বাঢ়িব পৰাতো নাই, বৰং ইয়াৰ ক্ৰম অবক্ষয়হে পৰিলক্ষিত হৈছে । মানুহবোৰ যেন আটায়ে নিৰ্জীব, আটায়ে যেন দুখ-দুৰ্গতি-অত্যাচাৰ বিনা প্ৰতিবাদে মানি ল’ব । গাৱঁৰ পোষ্ট মাষ্টৰজনেই যেন একমাত্ৰ ব্যক্তিক্ৰম আছিল, তেওঁৱে যেন প্ৰকৃত শিক্ষিত মানুহ আছিল যি সকলো কথাৰে নব-মূল্যায়ণ কৰি তাৎপৰ্য বাহিৰ কৰি চাব জানিছিল । দৰিদ্ৰতাৰ বলি, অশিক্ষাৰ বলি, সামন্তবাদী শোষণৰ বলি স্থবিৰ জীৱনৰ মানুহবোৰৰ মাজত যেন



তেওঁৱেই কিছু গতি চঞ্চলতা আছিল । পিছে এটা কথা, সৰু কাহিনীৰে উপন্যাসখন মনোৰম হৈ উঠিলেও সেই কাহিনীৰ মাত্ৰাধিক্যই উপন্যাসখনক আমনিদায়কো কৰি তুলিছে, এই কাহিনীবোৰে সঘনে ভুমুকি মাৰি থকাৰ ফলত কাহিনীভাগ অতি মন্থৰ গতিত আগবাঢ়িছে, অৰ্থাৎ মালাত মণিৰ হেঁচা ইমান বেছি হৈছে যে ফলত মালাডালৰ ছিঙি যাওঁ যাওঁ অৱস্থা যদিও মণিবোৰ অপূৰ্ব সুন্দৰ মণি । উপন্যাসৰ কাহিনীৰ অবিচ্ছিন্ন মনোগ্ৰাহিতাই পাঠকৰ মন প্ৰথমৰ পৰা শেষলৈকে অধিকাৰ কৰি ৰাখিব পাৰিব লাগে, কিন্তু ‘তাত নদী নাছিল’ৰ কাহিনীৰ আকৰ্ষণে পাঠকৰ মন মুহি ৰাখিব নোৱাৰে—এই কাহিনীৰ শিথিলতাই হয়তো ‘তাত নদী নাছিল’ৰ ঘাই দুৰ্বলতা । এই প্ৰসংগত এজন চোকা বুদ্ধিৰ সাহিত্যিক বন্ধুৰ মন্তব্য এটা মনলৈ আহিছে, সেই মন্তব্যটোৰে এই ৰচনাখন শেষ কৰোঁ—“মেদিনী চৌধুৰীয়ে আঞ্জাখনৰ যোগাৰবোৰ কৰিছিল উৎকৃষ্ট বিধৰে, কিন্তু ৰন্ধাৰ দোষত আঞ্জাৰ পক নুঠিল ।” ●

## সূৰ্যস্নান

যৌন ক্ৰিয়াৰ বিষয়টোত যে ভয়ঙ্কৰ বা কুৎসিত কিবা এটা আছে এইকথা নিজৰ অজ্ঞাতস’ৰেও আমি ভাবিব নালাগে ।

ল’ৰা আৰু ছোৱালী দুয়োয়ে শৰীৰ-বিদ্যা আৰু স্বাস্থ্যৰক্ষা সম্বন্ধে জ্ঞান লাভ কৰা উচিত ।....যৌনব্যাধিৰ কবলত পৰাৰ নিচিনা বিপদ অহাৰ আগতেই সকলো যুৱক-যুৱতীয়ে এই বিষয়ে জ্ঞান আহৰণ কৰা উচিত ।

মনত ৰখা উচিত যে যৌৱনাৱস্থা প্ৰাপ্ত হোৱাৰ আগতে ল’ৰা-ছোৱালীয়ে এই সকলোবোৰ কথাৰ বিষয়ে জানিব পৰা হব লাগিব ।... সন্তান লাভ কৰা যে অতি গুৰুত্বপূৰ্ণ কথা, এই বিষয়ে যুৱক-যুৱতীক খুব ভাল ভাৱে বুজাই অনুভৱ কৰিবলৈ দিব লাগিব ।

—য’ত পিতা-মাতাই পৰস্পৰক আৰু ল’ৰা-ছোৱালীক খুব ভাল পায় তাতেই সৰ্বোৎকৃষ্ট যৌন সম্বন্ধ বৰ্তমান আছে বুলি কব পাৰি ।

● বাৰ্ট্ৰাণ্ড ৰাছেল ॥ অন্ এডুকেচন ॥



OKDISCD

**নিশাৰ কাহিনী**



# লাজতে এটুপি ধৰা এম, এল, এ,

● ভুবনচন্দ্ৰ কলিতা

ধৰক, মই নহয় যেনিবা আপুনিয়েই শীতৰ ৰাতি কঁপি কঁপি এম, এল, এ,–মন্ত্ৰীৰ ৰাজ্য দিছপুৰ আৰু বেলতলাৰ মাজত থকা আপোনাৰ ঘৰলৈ গতি কৰিছে । ৰিক্সা এখন পোৱাৰ আশাৰে আপুনি ইফালে সিফালে চাইছে । চিটি বাছতো ন–মান বজাতে শেষ ! নাই, ৰিক্সাও নাই । পিছফালে শুনা কেৰেক্ শব্দটোৰ উৎসটোৰ প্ৰতিও আগ্ৰহ–সনা দীঘল দৃষ্টি পেলাইছে । ডাঠ কুঁৱলীৰ কাৰণে তাতো আপুনি একো দেখা নাপায় । ৰাতি প্ৰায় দহ বজাৰ আচহুৱা পৰিবেশ আৰু শীতৰ কঁপনিত আপুনি পৰম অশান্তিৰে খোজৰ পিছত খোজ পেলাইছে । হয়তো আপোনৰ গাৰ কাষৰেই আপোনাক পাছ পেলাই থৈ ৰিক্সা এখন ভুটুঙকৈ পাৰ হৈ গ'ল ।

ঃ এই এই, ৰিক্সা ক'লৈ যাবা ?—আপুনি সুধিলে ।

ঃ পেছেঞ্জাৰ আছে বাবু ।—ৰিক্সাচালকৰ উত্তৰ।

ঃ কেইজন—এজন নে দুজন ?—আকৌ সুধিলে ।

আপোনাক হয়তো নিশাচৰ মদাহী বুলি ভাবি ৰিক্সাচালক জনে যাত্ৰীজনৰ লগতে কিবাকিবি কৈ গৈছে—বেটা ৰাত কা ৰাজা, নিশাৰ ৰজা ।

মহানগৰীত শাসনৰ বিভিন্ন ধাৰা-উপধাৰা চলি আছে । কিবা এটা ধাৰাত পেলাই আপোনাকো বন্দী কৰি থব পাৰে । আপোনাক যদি কোনোবা জালিয়াতে বুকুত ধৰি গোঁফ পকাই পকাই সোধে, "ঐ, এই মাজ ৰাতি ক'লৈ মৰিবলৈ গৈছিলি ? চাওঁ পকেটত কি কি মাল-মছলা আছে ? জল্দী বাহিৰ কৰ। বাঃ, বেটাৰ দাদাগিৰি চা—কি গপচত প'জ লৈ আছে !"

ভিতৰি ভিতৰি ভয়তে মৰি গৈছে যদিও গোলা, কৰ্কশ সুৰেৰে আপুনি মোৰ বন্ধু এজনৰ দৰে ক'লে "বুকুৰ পৰা এৰিদে বুলিছো



নহয়, ধেমালি পাইছনেকি ? মোক চিনি পোৱা নাই ?"

ভয়ত ভিজা মেকুৰী আপোনাক আৰু চিনি পাবলৈ বাকী আছেনে ? ইতিমধ্যে বদমাচৰ সুনিপুন হাতে আপোনাৰ তালাচী সম্পূৰ্ণ কৰিছে । আপোনাৰ হাতৰ ঘড়ীটোও এতিয়া যায় যায় ! দৈবাৎ দূৰৰ পৰা আহি থকা মটৰৰ হেড লাইটৰ পোহৰ আপোনালোকৰ ওপৰত পৰিলহি । পোহৰত আঁৰু নিশাৰ নিশাচৰ তিষ্ঠি থাকিব পাৰেনে ?

বিভিন্ন কথা ভাবি ভাবি আপুনি ৰিক্সাৰ কাৰণে শহাকনীয়া হৈ গৈ আছে । দিছপুৰৰ গণেশগুৰি চ'কটো আপুনি ইতিমধ্যে পালেহি ।

"এই ৰিক্সা, ৰবি ভাই । ময়ো যাওঁ ।" আপুনি ক'লে ।

ৰিক্সাত থকা একমাত্ৰ আৰোহীজনে ৰিক্সাচালকক কলে, "ৰিক্সা, এই বাবু কলৈ যাব সোধ ।"

আপুনিয়ো উত্তৰ দিলে, "মাফ কৰিব, আপোনাৰ যদি বিশেষ অসুবিধা নহয় তেনেহলে মোকো লৈ যাব নেকি ? বৰ ঠাণ্ডা লাগিছে । পান বজাৰৰ পৰা খোজ কাঢ়িয়েই আহি আছো ।"

আৰোহী ভদ্ৰলোকজনে কলে, "উঠক । ইমান ৰাতিলৈ কিয় বাহিৰত থাকেহে । ৰাতি ঘূৰা পাছ আছে নেকি ? নাই যদি পুলিচে মাৰ ভাত খাবলৈ লৈ যাব ।"

ৰিক্সাত উঠি আপুনি স্বস্তিৰ উশাহটো এৰিব পাৰিছে নে নাই পৰা ! হঠাৎ এটা ভেকেটাভেকেট গোন্ধ আপোনাৰ নাকত লাগিলহি । ছিঃ আপুনি কি কুক্ষণত কি অভং মানুহ এটাৰ লগত যাবলৈ ওলাইছে ।

"আপুনি ক'ত নামিব ?" ভদ্ৰলোকে সুধিলে । "ব'লক ব'লক, এম, এল, এ, হোষ্টেল পাৰ হৈ গৈ অলপ আগত মই নামিম। তাৰ পিছত আপোনাক মোৰ ৰিক্সাই থৈ আহিব ।"

মুখখন যথাসম্ভৱ বাহিৰমূৱা কৰি আপুনি ভদ্ৰলোকক ধন্যবাদ জনালে, "আপোনাক বহুত ধন্যবাদ ।"

"মোক ধন্যবাদ যাচিছে ? মই বহুত দিন কাৰো পৰা ধন্যবাদ-চন্যবাদ একো পোৱা নাই । আপুনি মোৰ মুখৰ গোন্ধ পাইছে নেকি ? বুইছে, ধন্যবাদ মোক নিদিব । আজি লাজতে মই জীৱনত প্ৰথমবাৰৰ কাৰণে মদ খাইছো ।"

"বুজিছো । লাজতে আমিও কেতিয়াবা কৰিব নলগীয়া কাম কৰো । এই ধৰক…… ।" আপোনাৰ কথা শেষ হ'বলৈ নিদিয়াকৈ ভদ্ৰলোকেই ক'লে, "মোৰ বহুত বেছি লাজ বুইছেনে ? লাজতে মই দিনত ঘৰৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাব নোৱাৰো,

OKDISCD

লাজতে গাৱঁৰ ঘৰ বাদ দিছো, লাজতে মেল মিটিঙলৈতো যাব নোৱাৰোৱেই, লাজতে নিজৰ ল'ৰা–ছোৱালী আনকি পৰিবাৰকো ভালদৰে এবাৰি মাতিবলৈও নোৱাৰো । বৰ গভীৰ লাজ বুইছেনে ?"

"মই ঠিক ভালদৰে বুজা নাই । তথাপি আপোনাৰ লাজতে মোৰো বৰ লাজ লাগিছে দিয়ক ।" চৰ এটা মাৰিবলৈ মন যোৱা আপনি ব্যঙগভাবে ক'লে ।

ভদ্ৰলোকে আপোনাৰ কাপোৰ চুই চুই সুধিছে, "বৰ দামী কাপোৰ পিন্ধিছেহে ! আমাৰ খদ্দৰী কাপোৰ পিন্ধোতেই দিন যাব যেন পাইছো ।"

ৰবদেই আপোনাক এটা কথা সোধো । বিদেশী নাগৰিক সম্পৰ্কে আপোনাৰ কি ধাৰণা ?" আপুনি সুধিলে ।

"ৰাজনীতিৰ মানুহক সেইবিলাক কথা নুসুধিব, বুইছেনে ? আপুনি চাকৰিৰ প্ৰমোচন, ট্ৰেন্সফাৰ আদিৰ কাৰণে দিছপুৰলৈ আহিব । কিন্তু বিদেশী নাগৰিক–চাগৰিক আমি একো নাজানো ।"

"এইবিলাকতো ৰাজনীতিৰ কথা !" আপুনি ক'লে ।

"আপোনাৰ নামটো কওকচোন ।"—নামটোও ক'লে ।

"অ, আপোনাৰ উপাধিৰ মানুহ আমাৰ এশ ছাব্বিশজন এম, এল, এ,ৰ ভিতৰত নাই । আপোনালোকে কি হাত সাবটি বহি আছে ? এতিয়াৰ পৰাই জোৰ সংগঠন কৰক ।"

"মই ৰাজনীতিৰ মানুহ নহওঁ হেৰি । ৰাজনীতিক এতিয়া নৰ্দমাত ৰাখি দিছোঁ । ভালদৰে ভাত দুমুঠি পাই থাকিলেই সন্তুষ্ট থাকিম ।" আপুনি ক'লে ।

"বেয়া নেপাব । লাজত পৰি মদ খাই মই যা-তা বলকিছো বুলি নাভাবিব । আন্দোলনৰ আৰম্ভ হৈছে যেতিয়া শেষো এদিন হবই । কিন্তু আমাৰ আন্দোলনৰ শেষ নাই—সদায় কেৱল আৰম্ভণিহে থাকে ।" ভদ্ৰলোকে ক'লে ।

তেৰেঁই পুনৰাই কবলৈ ধৰিলে, "এই ৰিক্সা, ৰাখ । বাবুক একদম ঘৰত থৈ আহিবি । বেয়া নাপাব ভাই, মই কিছুদিনৰ পৰা লাজতে ভুগি আছো । মিছেছ ইন্দিৰা গান্ধী আকৌ গাদীলৈ আহিল । দেশজুৰি এম, এল, এ, এম, পি, সকলে ইন্দিৰা কংগ্ৰেছত যোগ দিবলৈ ধৰিছে । আমাৰো অসমত কেইজনমানে ইতিমধ্যে চোং সলাই ইন্দিৰা বাইদেউৰ আঁচলত লাগিছেগৈ । মই একো সিদ্ধান্তলৈ আহিব পৰা নাই । হেৰি, জীৱনত কেইবাৰ পাৰ্টি বদলাব পাৰিহে ? লাজ বোলা বস্তু এটাওতো আছে ! মই এইবাৰ ইন্দিৰা কংগ্ৰেছত যোগ দিম । পাৰ্টি এৰাৰ লাজতে মই মদ খাইছো । ....এই ৰিক্সা, বাবুক লৈ যা । চি ইউ ...






# ॥ সূৰ্য সম্পৰ্কীয় অভিমত ॥

'দৈনিক অসম' কাকত যোগে 'সূৰ্য' নামৰ এখনি নতুন অসমীয়া আলোচনী উলিয়াব বুলি জানিব পাৰি খুব আনন্দ পাইছোঁ । আশা কৰোঁ 'সূৰ্য'ই সূৰ্যৰ জ্যোতিৰে অসমীয়া ভাষা–সাহিত্যৰ পথত পোহৰ বিলাই থাকিব । ৰাজ্যখনৰ এনেকুৱা এটি সংকটপূৰ্ণ মুহূৰ্ত্তত আলোচনী এখন উলিয়াবলৈ আগবঢ়াৰ বাবে শুভেচ্ছা ও অভিনন্দন জনাইছোঁ ।—

—পুতুল চন্দ্ৰ শৰ্মা, প্ৰবক্তা
ডিমৰীয়া মহাবিদ্যালয় ; ক্ষেত্ৰী ।

আপোনালোকে 'সূৰ্য' নামৰ নিৰ্ভিক, স্পষ্টবাদী আলোচনী এখন প্ৰকাশৰ যো-জা কৰা বাবে খুব সুখী হৈছোঁ । 'সূৰ্য' সূৰ্যৰ দৰেই জ্যোতিষ্মান হওঁক, শক্তিবান হওঁক, 'সূৰ্য'ই আমাক ন–পোহৰেৰে উদ্ভাসিত কৰক । অসমীয়া আলোচনীৰ ৰাজ-আলিত 'সূয' হওঁক এক মাইলৰ খুটি । 'সূয'লৈ আন্তৰিক শুভেচ্ছাৰে—

—মৃন্ময় কুমাৰ নাথ
কলাইগাওঁ, মঙ্গলদৈ ।

আপোনালোকৰ অভিনৱ প্ৰচেষ্টাই হেজাৰ 'সূৰ্য-শিখা' নমাই অনাৰ আশা ৰাখিছোঁ । আলোচনীখনে বহন কৰিব খোজা বিভিন্ন শিতানলৈ লক্ষ্য ৰাখি অতিশয় সুখী হলোঁ । আমাৰ আশা আৰু আপোনালোকৰ ঐকান্তিক প্ৰচেষ্টাত 'সূৰ্য'ই জন্ম দিয়ক এচাম নবীন কবি, সাহিত্যিক ! অদূৰ ভৱিষ্যতে 'সূৰ্য'ৰ শিখাই আমাক উজলাই তোলাৰ গভীৰ আশাৰে—

—সুনীলৰঞ্জন চৌধুৰী
সৰুপেটা ।



OKDISCD

উত্তৰ শালমাৰা আঞ্চলিক ছাত্ৰ সন্থাৰ তৰফৰ পৰা বৈপ্লৱিক অভিনন্দন যাচিলোঁ। গ্ৰহন কৰিব নিশ্চয়। আমি অতিকৈ সুখী হৈছোঁ যে বৰ্ত্তমান অসমৰ এই পৰিস্থিতিত আপোনালোকৰ 'সুৰ্য'ৰ পদক্ষেপ সঁচাকৈ প্ৰশংসনীয়। 'সূৰ্য'ৰ উন্নতি কামনা কৰিলোঁ—

—জয়ন্ত বৰুৱা, সম্পাদক
উত্তৰ-শালমাৰা আঞ্চলিক
ছাত্ৰ সন্থা।

৩০ মে'ৰ 'দৈনিক অসম'ৰ বিজ্ঞাপন যোগে এখন নতুন স্পষ্টবাদী, জনগণ–সাপেক্ষ আলোচনীৰ জন্ম বাতৰি পাই অতিশয় আনন্দিত হৈছো। আশা ৰাখিছোঁ এই আলোচনী খনিয়ে অসমীয়া ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাব। আলোচনীখনত ক্ৰীড়া-শিতান থকাটো নিতান্ত প্ৰয়োজন। কিয়নো ভাষা-সংস্কৃতিৰ উপৰিও ক্ৰীড়া–জগতে পৰস্পৰৰ মাজত আদান-প্ৰদানত সহায় কৰে। সেয়েহে আপোনাৰ আলোচনীখনত ক্ৰীড়া-শিতান এটি ৰাখিব বুলি আশা কৰিলোঁ—

—ৰেৱ কুমাৰ হাজৰিকা
ৰজামৈদাম, যোৰহাট।

আপোনালোকৰ দ্বাৰা 'সূৰ্য' নামৰ নতুন আলোচনী এখন ওলাব বুলি জানিব পাৰি সঁচাই ভাল লাগিল। নিজৰ জাতীয় ঐতিহ্যক কিছুমান নিজা বস্তুৰে সুন্দৰ কৰি ৰখাটো সকলো জাতিৰেই কৰ্ত্তব্য—

—দীপাঞ্জলী পূজাৰী
তেং পু।।

প্ৰথমে মই আপোনালোকলৈ মোৰ বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছোঁ। আপোনালোকৰ নতুন পদক্ষেপ আৰু 'সূৰ্য' আলোচনীখনলৈ মোৰ শুভেচ্ছা থাকিল। আলোচনীখনৰ দীৰ্ঘায়ু কামনাৰে—

—কুশল দত্ত
ৰজাপাম, মঙ্গলদৈ।

পৰৱৰ্ত্তী সংখ্যাত : **টাইম কিপিঙৰ পৰা বিস্ময় জগতলৈ** : আলফ্ৰেদ হিচকককৰ জীৱনৰ ওপৰত আলোকপাত কৰি প্ৰদীপ জ্যোতি মহন্তই লিখা এটি অনুপম প্ৰৱন্ধ।



স্মৰণিকা

# কমৰেড ৰাভা নে কলাগুৰু ৰাভা নে ৰাভা ককাইদেউ

যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

একাধাৰে সুগায়ক, প্ৰখ্যাত নৃত্যবিদ, লোককলা বিশাৰদ, মঞ্চ আৰু ৰূপালী পৰ্দাৰ একক বৈশিষ্ট্যপূৰ্ণ অভিনেতা, সত্ৰীয়া গীত–মাত সুৰৰ ওজা, ভাষাতত্ত্ববিদ আৰু ৰাজনৈতিক ক্ষেত্ৰত একালৰ জনগণৰ বিপ্লৱী–ভাবমূৰ্তিৰ জীৱন্ত প্ৰতীক স্বৰূপ বিষ্ণুপ্ৰসাদ ৰাভা এক বিৰল প্ৰতিভা।

অথচ আজি যদি প্ৰশ্ন কৰা যায় বিষ্ণুৰাভাই কোনকেইটা গীত ৰচনা কৰিছিল, তাৰ কোনো উত্তৰ নাই। কাৰণ ৰাভাৰ গীতৰ সম্পূৰ্ণ সংকলন নোলাল। জনা যায় ৰাভাদেৱে তিনিশৰো অধিক গীত ৰচনা কৰিছিল। মুখেমুখেই অসমৰ গাঁৱে-ভূঞে বহু গীত প্ৰচাৰ হৈছিল। সেয়ে বহুতো গীত স্বাভাবিক কাৰণতে হেৰাল। কিছুগীত নষ্ট হ'ল, ১৯৪৮–১৯৫৩ চনৰ ভিতৰত পুলিছ্ "অপাৰেচন"ত। কাৰাগাৰৰ পৰা ওলাই আহি ৰাভাই ঘৰত কোনো লিখিত ৰচনা বিচাৰি নাপালে। ৰাভাদেৱে এবছৰ বিভিন্ন ঠাইত সংগ্ৰহ কৰি বিভিন্ন ৰচনাৱলীৰ লগতে দুশ গীত তেজপুৰৰ নিজা বাস–ভৱনত ৰাখিছিল। জনা যায় ৬২ চনত "চীনপন্থী" বুলি কাৰাগাৰত সুমুৱাই ৰখাত সংগৃহীত ৰচনাৱলীৰ লগতে আধা–আধি গীতৰ পাণ্ডুলিপিও হেৰাল।

হেৰাই হেৰাই বাকী থকা অপ্ৰকাশিত পাণ্ডুলিপিবোৰ কি হ'ল? জনা যায় প্ৰকাশন পৰিষদে এই ৰচনাবোৰ সংগ্ৰহ কৰিছিল। কিন্তু আজি পৰ্যন্ত প্ৰকাশ নহ'ল। হয়তো নহ'ব। যদি হয়, ৰাভাৰ ব্যক্তিত্বৰ বিশেষ দিশবোৰ পৰিস্ফুট হোৱা ৰচনাসমূহ যাতে অবিকৃত ভাবে প্ৰকাশ হয় তাৰ প্ৰতি চকু দিব লাগিব। ৰাভাদেৱৰ সম্পূৰ্ণ ৰচনাৱলী কলাপ্ৰেমী জনগণেও উলিয়াব পাৰে। বৰ্তমান কলাজগতৰ কৃতী সন্তান–সকলৰ ঐতিহ্যহীন, ঠেৰুছিগা, ৰঘুমলাই চুহিখোৱা চিৰি–চেহেৰা দেখিলে অৱশ্যে সেই আশা বাতুলামি বুলিহে ভাব হয়।

আৰু জীৱনী? বিষ্ণুৰাভাৰ জীৱনৰ লগত যোৱা আধা শতিকাৰ



OKDISCD

ইতিহাস জড়িত হৈ আছে। শত সহস্র শিল্পী-সাহিত্যিক ৰাজনীতি-বিদ আৰু হাজাৰ হাজাৰ মানুহৰ হাঁহি-কান্দোন জড়িত হৈ আছে। জড়িত হৈ আছে কামৰূপ, গোৱালপাৰাৰ নাম নজনা ভিতৰ গাঁৱৰ হেজাৰ হেজাৰ 'কৃষক-বনুৱা-ৰণুৱাৰ' ইতিহাস—যি সকলৰ বহুতেই এতিয়াও 'ৰাভা-মৰিল' এই কথা বিশ্বাস নকৰিব। মছলপুৰ, শিলবাৰী ভবানীপুৰ, দতমা ক'ত আছিল আত্মগোপনকাৰী ৰাভাজন? এযুগৰ ইতিহাস খুচৰিব লাগিব। খোচৰাৰ প্ৰয়োজন আছে। নহ'লে অসমৰ কৃষক-আন্দোলনৰ এটি অধ্যায় হেৰাই যাব।

সাহিত্যিক হিচাপে ৰাভাৰ কীৰ্তিৰ মূল্যায়ন কৰাৰ প্ৰয়োজন আছে। অসমীয়া "প্ৰকৃত অসমীয়া ঠাঁচ"ত লিখিব পৰা, বাক্যই বাক্যই নতুন শব্দ জোৰা দি সম্পূৰ্ণ নতুন শব্দ সৃষ্টি কৰিব পৰা ৰাভাক বুলিব পাৰি ভাষাৰ যাদুকৰ।

"মোৰ কবিতাৰ ছন্দ লাগি/স্পন্দন তোৰ জাগেনে; /কথা-মলিকাৰ গন্ধ লাগি/সোণৰ সপোন ভাগেনে?" ★ "বিশ্বৰ ছন্দে ছন্দে/মহানন্দে আনন্দে নাচা/নাচা তমোহৰদেউ/ নাচা!" ★

এয়া এক ৰাভা। ভাষাৰ যাদুকৰ। সোণপাহীৰ দৰে গল্প সৃষ্টিতও ৰাভাৰ একক অবদান। আৰু ৰাভা হ'ল এহাতত ষ্টেনগান এহাতত কলম লৈ গাঁৱে গাঁৱে ঘূৰি ফুৰা ৰাভা। মুখত গান:


**বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যলৈ**

**আমাৰ অভিনন্দন**



লব্ধপ্ৰতিষ্ঠ সাহিত্যিক ডক্টৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱে তেখেতৰ 'মৃত্যুঞ্জয়' নামৰ উপন্যাসখনৰ বাবে ভাৰতীয় ভাষাৰ শ্ৰেষ্ঠ সাহিত্যিক সন্মান জ্ঞানপীঠ পুৰস্কাৰ লাভ কৰিছে। উল্লেখযোগ্য যে 'ইয়াৰুইঙ্গম' উপন্যাসৰ বাবে তেখেতে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল। প্ৰতিপদ, কবৰ আৰু ফুল, কলং আজিও বয় আদি তেখেতৰ উল্লেখযোগ্য কৃতি।

অহা সংখ্যাত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্বন্ধে বিশেষ প্ৰবন্ধ প্ৰকাশ পাব।




"তোৰ বাহুতে আছে লুকাই/অসীম শক্তিবল/ৰণৰ শিঙা বাজে শুন ঐ/আগবাঢ়ি যাওঁ বল।/ধ্বংস কৰ ধ্বংস কৰ/ধনীৰ অহংকাৰ/দয়া মায়া নকৰিবি/ক্ষ মাৰ দিন যে গ'ল/হাল-কোৰ-দা-হাতুৰী লৈ/ৰণলৈ যাওঁ ব'ল।"

উদীপ্ত আহ্বান। কৃষকৰ প্ৰতি। শ্ৰমিকৰ প্ৰতি। "তই খুৱাৰ বিশ্ববাসীক মাটি ফালি ধান, তই যোগাৱ ধনী শ্ৰেণীক অস্ত্ৰ শক্তিবান। কাৰখানা কল তোৰেই সৃজন, পথাৰ সুবহল, নাঙল, কাঁচি, হাতুৰী, দাৰ যাদুকৰী ফল। জগত গঢ়া শক্তি যাৰ সেই শক্তিৰ দল, ৰঙা তেজৰ নিচানটি লৈ আগবাঢ়ি যাওঁ ব'ল।"

জনগণৰ মাজলৈ গৈ জনগণৰ বাবে যুঁজ কৰা এই ৰাভাই দুৰ্জয় ৰাভা। এই ৰাভাই আজিও শুনায় দুৰ্মদ আহ্বান। বিল্পবী ৰাভা নমৰে। মৰা নাই॥ ●

---

★ সাম্প্ৰতিক সাময়িকীৰ ২য় বছৰ দশম-একাদশ সংখ্যাৰ পৰা পুনৰ মুদ্ৰিত।

---

পৰৱৰ্তী সংখ্যাৰ আকৰ্ষণ ঃ

নিপুণ গল্পকাৰ **মহেন্দ্ৰ বৰঠাকুৰ** আৰু তৰুণ গাল্পিক **ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্যৰ** গল্প।


**সূৰ্যলৈ শুভেচ্ছাৰে ঃ**

# ৰাজা মেগাজিন কৰ্ণাৰ

(আলোচনী, বাতৰিকাকত আদিৰ প্ৰতিষ্ঠান)

সকলো ধৰণৰ আলোচনী, বাতৰি কাকত, কমিক আৰু উপহাৰযোগ্য বিশেষ গ্ৰন্থাদিৰ বাবে ইয়ালৈ আহক।

**গণেশমন্দিৰ, দিচপুৰ, গুৱাহাটী-৬**




OKDISCD

# খেলধেমালি

## মস্কো-৮০ :
## প্রস্তুতিৰ শেষ স্তৰ

ভূপেন দাস

ছয় বছৰৰ দীৰ্ঘদিনীয়া প্ৰস্তুতিৰে আৰু কেইদিন মানৰ পিচতে ১৯ জুলাইত মস্কো অলিম্পিক আৰম্ভ হ'ব। পূৰ্ব পৰম্পৰা অনুযায়ী অলিম্পিয়া নগৰত সূৰ্যৰ কিৰণৰ পৰা "অলিম্পিক জ্যোতি" প্ৰজ্বলিত কৰি গ্ৰীছ, ৰুমানিয়া, বুলগেৰিয়া আদি দেশৰ মাজেৰে প্ৰায় ৫০০০ কিঃ মিঃ ৰ দূৰৰ পৰা ১৯ জুলাই তাৰিখে মস্কোৰ লুজ্‌নিকি নামৰ ঠাইখনত নিৰ্মান কৰা কেন্দ্ৰীয় লেনিন ষ্টেডিয়ামত স্থাপন কৰি খেলৰ আৰম্ভণি কৰা হ'ব।

### অলিম্পিকৰ ৮৪ বছৰ

১। এথেন্স-১৮৯৬ চন
( প্ৰথম আধুনিক অলিম্পিক আৰম্ভ )
২। পেৰিচ-১৯০০ চন
৩। সেন্টলুই-১৯০৪ ,,
৪। লণ্ডন---৯৯০৮ ,,
৫। স্টকহ'ম-১৯১২ "
(১৯১৬ চনৰ বাৰ্লিন অলিম্পিক ১ম বিশ্ব)-যুদ্ধৰ বাবে হব নাপালে)
৬। এন্টবাৰ্গ-১৯২০ চন
৭। পেৰিচ-১৯২৪ চন
৮। আমষ্টৰদাম-১৯২৮ ,,
৯। লান্সএঞ্জেল-১৯৩২ ,,
১০। বাৰ্লিন---১৯৩৬ ,,
(১৯৪০ আৰু ১৯৪৪ চনত দ্বিতীয় মহাযুদ্ধৰ বাবে অলিম্পিক খেল নহ'ল)
১১। লণ্ডন---১৯৪৮ চন
১২। হেলসিংকি-১৯৫২ ,,
১৩। মেলবোৰ্ণ-১৯৫৬ ,,
১৪। ৰোম--১৯৬০ চন
১৫। টোকিঅ'-১৯৬৪ ,,
(এচিয়া)
১৬। মেক্সিকো -১৯৬৮ ,,
১৭। মিউনিক-১৯৭২ ,,
১৮। মন্ট্ৰিল---১৯৭৬ ,,
১৯। মস্কো---১৯৮০ ,,
২০। লান্সএঞ্জেল ১৯৮৪ ,,

### খেল আৰু ষ্টেডিয়াম

মস্কোৰ এইবাৰ হব লগীয়া ২১ খন প্ৰতিযোগিতাৰ বাবে ২০৩ টা পদকসেট প্ৰদান কৰা হব। প্ৰতিযোগিতা সমূহ হ'ল— ১। এথেলেটিক্স ২। বক্সিং '। গ্ৰীক ৰোমান আৰু ফ্ৰিণ্টাইল কুস্তী ৪। চাইকেলিং ৫। জিমনাষ্টিক ৬। ৰোয়িং ৭। কেনোয়িং ৮। জুদো ৯। প্ৰাইজ অব নেচনচ ১০। সেইলিং ১১। ডাইভিং আৰু ৱাটাৰ পলো ১২। শুটিং ১৩। ভাৰোত্তলন ১৪। ফেন্সিং ১৫ মডাৰ্ণ পেন্টাথলন ১৬। বাস্কেট বল ১৭। ভলীবল ১৮। হেন্দবল ১৯। তীৰান্দাজী ২০। ফুটবল আৰু ২১। হকী বেছি ভাগ প্ৰতিযোগিতাই পুৰুষ আৰু মহিলা এই দুটা ভাগত সুকীয়াকৈ হ'ব আৰু মহিলাৰ বাবে বেলেগে পদক সেটৰ ব্যৱস্থাও ৰখা হৈছে।

২১ হেক্টৰ আয়তনৰ বিশাল লেনিন ষ্টেডিয়ামত আৰম্ভণি অনুষ্ঠান আৰু ৩ আগষ্টৰ সামৰণি অনুষ্ঠান হোৱাৰ উপৰিও এথেলেটিক্স, ফুলবল আৰু প্ৰাইজ অব নেচন্‌চ প্ৰতিযোগিতা হ'ব। ইয়াত ১ লাখ ৩ হাজাৰ দৰ্শকে চাব পৰা সুবিধা আছে। লুঝ্‌নিকিতে থকা মঞ্চ (তৰণতাল) ৰ আধুনিকীকৰণ কৰা হৈছে য'ত অকল ৱাটাৰ পলো প্ৰতিযোগিতা হ'ব। ইয়াত ১২ হাজাৰ দৰ্শক চাব পৰাকৈ আৰামী চকীৰ ব্যৱস্থা আছে।

লেনিন ষ্টেডিয়ামৰ কাষত সজোৱা আন এটা ইনডোৰ ষ্টেডিয়ামত ভলীবলৰ প্ৰতিযোগিতা হ'ব। ক্ৰীড়াবিশেষজ্ঞ সকলৰ মতে এইখনৰ দৰে ধুনীয়া ষ্টেডিয়াম আন কোনো অলিম্পিকতে হোৱা নাই।

৩৫ ৰ পৰা ৪৫ হাজাৰ দৰ্শকে চাব পৰা এখন বৃহৎ ইনডোৰ ষ্টেডিয়াম নিৰ্মাণ কৰা হৈছে প্ৰস্পেক্টমিৰ এভিনিউত। এই ষ্টেডিয়ামখন ইউৰোপৰ ভিতৰতে ডাঙৰ হব। ইয়াত বাস্কেটবল আৰু কুস্তী প্ৰতিযোগিতা হব।

ক্ৰিলাত্‌সকোয়ে নামৰ ঠাইখন মস্কো অলিম্পিকৰ দ্বিতীয় আকৰ্ষণৰ স্থল হ'ব। ইয়াত হবলগীয়া প্ৰতিযোগিতাবোৰ হ'ল :— ৰোয়িং, কেনোয়িং, ট্ৰেক—চাইকেল ৰেচ, ৰোড চাইকেল ৰেচ আৰু তীৰান্দাজী।

কুস্তী আৰু তৰোৱাল বাজীৰ কাৰণে কেন্দ্ৰীয় সৈনিক স্পোৰ্টচ ক্লাবৰ লগতে এটা বিশাল স্পোৰ্টচ পেলেচ বনোৱা হৈছে। এই ক্লাবৰ লগতে থকা পায়নিয়ৰ আৰু ডাইনামো ষ্টেডিয়ামত যথাক্ৰমে ফুটবল আৰু হকীৰ কেইখন মান খেল হব।

ইয়াৰ উপৰিও স্পোৰ্টচ পেলেচত জুডো আৰু জিমনাষ্টিক, সোকোলনিকিত হেণ্ডবল আৰু শাৰীৰিক-শিক্ষা মহাবিদ্যালয়ত ভাৰ-উত্তোলন প্ৰতিযোগিতা হ'ব।

**থকা-খোৱাৰ-ব্যৱস্থা :—** খেলুৱৈ, বিচাৰক আৰু বিভিন্ন দেশৰ পৰা অহা দৰ্শকৰ থকা-খোৱাৰ বাবে মস্কোত প্ৰায় ১০০ হেক্টৰ মাটিত ১৮ টা ষোলম মহলীয়া ঘৰ সজা হৈছে। এইবোৰ ঘৰত প্ৰায় ১৪,৫০০ মানুহ থাকিব পাৰিব। প্ৰতিটো কোঠালীতে টেলিফোন, টেলিভিছন আদিৰ ব্যৱস্থা আছে। বস্তু বাহানি নিৰ্দ্ধাৰিত মূল্যত আৰু ওচৰতে পাবৰ বাবে বজাৰৰ ব্যৱস্থাও কৰা হৈছে। এই অঞ্চলৰ আটাইতকৈ আকৰ্ষনীয় বস্তু হব—সাংস্কৃতিক ভৱনটো। ইয়াত থিয়েটাৰ হল চলচিত্ৰ গৃহ, অসংখ্য কিতাপৰ দোকান আৰু এটা বৃহৎ হল থাকিব য'ত ২০০ যুগলে একে লগে নৃত্য কৰিব পাৰিব আৰু ১২০০ দৰ্শকে নৃত্য উপভোগ কৰিব পাৰিব। ইয়াত সকলো দেশৰ গায়ক, বাদক, অভিনেতা আদিয়ে নিজৰ নিজৰ কলা প্ৰদৰ্শন কৰিব পাৰিব।



OKDISCD

খেলুৱৈ আৰু অইন দেশৰ পৰা অহা অতিথি আদিৰ খোৱা-বোৱাৰ যোগাৰ সংগঠন সমিতিয়ে কৰিছে। সমিতিয়ে আটাইকেইখন মহাদেশৰ মানুহৰ ৰুচি আৰু সোৱাদৰ প্ৰতি লক্ষ্য ৰাখি খাদ্য প্ৰস্তুত কৰিব। অতিথিশালাৰ ওচৰতে এখন চাৰিটা কোঠাৰ ৰেষ্টুৰেণ্ট থাকিব। তাত ৪ হাজাৰ মানুহে একেলগে বহি খাব পাৰিব।

ইয়াৰ উপৰিও সকলো খবৰ-বাতৰি, ফলাফল আদি তৎক্ষণাত পোৱাৰ বাবে কম্পিউটৰ কেন্দ্ৰ খোলা হৈছে। কম্পিউটৰ কেন্দ্ৰই প্ৰতিটো প্ৰতিযোগিতাৰ পিচতে ইংৰাজী আৰু ফৰাছী ভাষাত সৰু কিতাপ আকাৰত ফলাফল প্ৰকাশ কৰিব। টেলিভিচন ব্যৱহাৰৰ দ্বাৰা পৃথিৱীৰ বিভিন্ন অঞ্চলৰ প্ৰায় ২০ কোটি দৰ্শকে খেল উপভোগ কৰিব পাৰিব।

**অলিম্পিক বৰ্জন : ৰাজনীতি :—** আমেৰিকাৰ দৰে দেশ এখনে যে ৰাজনীতিৰ স্বাৰ্থপূৰণৰ বাবে অলিম্পিকক অস্ত্ৰ হিছাপে ল'ব ই বিশ্বৰ বাবে সপোনৰো অগোচৰ আছিল। ৰাছিয়াই আফগানিস্থানৰ পৰা নিজৰ সৈন্য বাহিনী ঘুৰাই নানিলে আমেৰিকাই অলিম্পিকত যোগদান নকৰে আৰু তেওঁলোকৰ মিত্ৰ ৰাজ্যবোৰকো যোগদানৰ পৰা বিৰত ৰখাব বুলি যি ঘোষণা দিলে সেইটোৱে পৃথিৱীৰ অলিম্পিক প্ৰেমী ৰাইজৰ মনত আলোড়নৰ সৃষ্টি কৰিছে। সেই উদ্দেশ্যে ৰাষ্ট্ৰপতি কাৰ্টাৰে পৃথিৱীৰ বিভিন্ন স্থানলৈ দূত পঠিয়াইছে; আনকি বিশ্বৰ মুষ্ঠি যোদ্ধা মহম্মদ আলিকো এই কামত নিয়োগ কৰিছে। লগতে দুয়োটা মহাশক্তিৰ সন্মানৰ কথা আহি পৰিছে। যদি খুব ধুম-ধামেৰে মস্কো অলিম্পিক সম্পন্ন হয় তেন্তে ৰাছিয়াৰ জয় আৰু যদি অলিম্পিক অনাড়ম্বৰ পূৰ্ণ হয় তেন্তে আমেৰিকাৰ জয় বুলি ধৰা হ'ব। ৰাছিয়াৰ অলিম্পিক সমিতিৰ সভাপতি স্মিৰ্ণভৰ মতে প্ৰায় ১০৬ খন ৰাষ্ট্ৰ অলিম্পিক খেলিবলৈ ৰাজী হৈছে। আনহাতে আমেৰিকাৰ পক্ষতো ৫০ তকৈ বেছি দেশে সহাৰি দিছে। মুঠতে মস্কো অলিম্পিক কি দৰে সম্পন্ন হয়, কোন কোন দেশে যোগদান কৰে সেইটো ১৯ জুলাইতহে জনা যাব।

আচলতে অলিম্পিকত ভাগ লোৱা-নোলোৱা কথাটো কোনো দেশৰ চৰকাৰৰ নিয়ন্ত্ৰণৰ বিষয় নহয়। ইয়াৰ বাবে নিজ নিজ দেশৰ অলিম্পিক সমিতি সমূহক স্বাধীনতা দিয়া উচিত। অৱশ্যে চৰকাৰ যদি সমিতি সমূহৰ সপক্ষে নাথাকে তেনেহলে সমিতি সমূহে স্বাধীনতাৰে একো কৰিব নোৱাৰে। ●



## চেলুলয়ড

# অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ অগ্ৰগতি

অমিতাভ


অসমীয়া চলচ্চিত্ৰ উদ্যোগ আৰম্ভ কৰা আজি প্ৰায় আধা শতিকা হ'লহি। মুক্তি লভা ছবিৰ সংখ্যাও এশ হ'ল। সত্তৰৰ দশকৰ পৰা ছবি নিৰ্মাণৰ সংখ্যা যথেষ্ট পৰিমাণে বাঢ়ে। ৰঙীন ছবিৰো কাম আৰম্ভ হয়। এই বছৰটোত মুক্তি লভা প্ৰথম তিনিখন ছবিৰ ভিতৰত দুখনেই ৰঙীন। তাৰে এখন ইণ্টমেনকালাৰৰ। প্ৰায় সমাপ্ত, অৰ্দ্ধ সমাপ্ত আৰু প্ৰাৰম্ভিক কাম আৰম্ভ হোৱা ছবিৰ সংখ্যাও বৰ কম নহয়। উল্লেখযোগ্য কথা যে, অসমীয়া ছবি উদ্যোগে অগ্ৰগতি লাভ কৰাৰ বাবে অন্যতম প্ৰয়োজনীয় ব্যক্তি অৰ্থাৎ কলাকুশলীৰ বাবে এতিয়া বাহিৰলৈ হাত নেপাতিলেও চলে। চলচ্চিত্ৰ উদ্যোগৰ বিভিন্ন দিশত পেচা হিচাপে এই উদ্যোগকে গ্ৰহণ কৰা লোকৰ সংখ্যা বাঢ়িছে। মুঠতে অসমীয়া ছবি জগত উদ্যোগ হিচাপে গঢ়াৰ পথত।

উদ্যোগ হিচাপে গঢ়াৰ পথত বুলি এই কাৰণেই কোৱা হৈছে যে, এতিয়াও অসমৰ চলচ্চিত্ৰ নিৰ্মাতাই অসমৰ বাহিৰলৈ নোযোৱাকৈ সম্পূৰ্ণকৈ ছবি এখন নিৰ্মাণ কৰিব নোৱাৰে। ইয়াৰ বিভিন্ন কাৰণৰ ভিতৰত মূল কাৰণ হ'ল—অসম্পূৰ্ণ অসমৰ ষ্টুডিঅ' 'জ্যোতি-চিত্ৰবন'। ৰাজহুৱা ক্ষেত্ৰত নিৰ্মিত আৰু চৰকাৰী নিয়ন্ত্ৰণাধীন এই 'ষ্টুডিঅ'টো এতিয়াও স্বয়ং-সম্পূৰ্ণ নহ'ল। এই বিষয়ে কাকতে-পত্ৰই, সভাই-সমিতিয়ে যথেষ্ঠ আলোচনা-বিলোচনা হৈছে যদিও সুফল একো হোৱা নাই। ষ্টুডিঅ' কৰ্তৃপক্ষ নিৰ্বিকাৰ। কলিকতা, বোম্বাই বা মাদ্ৰাজৰ শৰণাপন্ন হৈ থাকিব লগা হোৱা বাবেই প্ৰযোজক বা নিৰ্মাতাৰ ছবি নিৰ্মানত বহু খৰচ অযথা বাঢ়ি যায়। এই উদ্যোগত বিনিয়োগ হোৱা ধনৰ এটা মোটা অংশ প্ৰতিখন ছবিৰ নিৰ্মাতাই অসমৰ বাহিৰত দি থৈ আহিব লাগে। তদুপৰি বাহিৰত কাম কৰোতে তাৰ স্থানীয় কলাকুশলীৰ ওপৰতে ঘাইকৈ নিৰ্ভৰ কৰিব লগা হয়।

উদাহৰণ স্বৰূপে, গীতৰ ৰেকৰ্ডিংৰ বাবে এতিয়াও অসমৰ

OKDISCD

প্ৰয়োজক বা সংগীত পৰিচালকে 'জ্যোতি-চিত্ৰবন'ৰ ওপৰত নিৰ্ভৰ কৰিবলৈ ভয় কৰে। ইয়াৰ কাৰিকৰী কাৰণ আমি নাজানো কিন্তু সংশ্লিষ্ট সকলে জ্যোতি-চিত্ৰবনত গান ৰেকৰ্ডিং নকৰে। কলিকতা বা বোম্বাইলৈ ইয়াৰ কন্ঠশিল্পী, কেতিয়াবা বিশেষ ধৰণৰ বাদ্যযন্ত্ৰী, সংগীত পৰিচালক আদিক প্ৰযোজকে লৈ যাব লগা হয়। তাৰ হোটেলত ৰাখিব লগা হয়। কেতিয়াবা বা খৰচৰ বাবেই বাহিৰৰ



প্ৰথম অসমীয়া ৰঙীন শিশু-ছবি 'অকণ'ৰ এটি দৃশ্যত
ৰঞ্জিত দাস আৰু পবিত্ৰ বৰকটকীৰ সৈতে শিশু শিল্পি সকল।

কন্ঠশিল্পীকে শিকাই বুজাই লয়। দুই-চাৰিয়ে অৱশ্যে ক'বলৈ বিচাৰে যে বাহিৰৰ 'প্ৰফেচনেল' শিল্পীক লৈ কাম কৰিবলৈ সুবিধা। কিন্তু 'জ্যোতি-চিত্ৰবন'ত যদি গানৰ ৰেকৰ্ডিং কৰাই নহয়, ইয়াৰ কন্ঠশিল্পী, ইয়াৰ বাদ্যযন্ত্ৰী, ইয়াৰ 'এৰেঞ্জাৰ' ওলাব কেনেকৈ? একেদিনাই আটাইবোৰ 'প্ৰফেচনেল' কেনেকৈ হ'ব? স্বৰ্গীয় ব্ৰজেন বৰুৱাই সাহ কৰি স্থানীয় ভালেমান ডেকা ল'ৰাক ছবি নিৰ্মাণৰ বিভিন্ন দিশত কামত লগাই দিছিল। পৰবৰ্তী কালত ভালে কেইজন পৰিচালকে স্বৰ্গীয় বৰুৱাক অনুসৰণ কৰে। ফল স্বৰূপে, অসমীয়া ছবিৰ



আলোক-সম্পাত, ৰূপসজ্জা, সহকাৰী কেমেৰামেন, সহকাৰী পৰিচালক আনকি স্বয়ং সম্পূৰ্ণ কেমেৰামেন আদি অসমৰ পৰাই ওলাল। বহু অসমীয়া ছবিত এওঁলোকে কাম কৰি আছিছে। সেইদৰে চিত্ৰনিৰ্মাতা পৰিচালক তথা সংগীত পৰিচালকে শিকাই বুজাই ল'লে আগলৈ আনবোৰ দিশতো প্ৰয়োজনীয় ব্যক্তি স্থানীয় ভাবেই ওলাব। কিন্তু তাৰ বাবে প্ৰথমেই 'জ্যোতি-চিত্ৰবন'টো স্বয়ং সম্পূৰ্ণ কৰাটো একান্তই আৱশ্যক।

উদ্যোগ হিচাপে গঢ়ি উঠাৰ লগতে, ছবিৰ গুণগত দিশটোলৈকো চকু দিবৰ হ'ল। আমাৰ ইয়াত ভালেমান প্ৰতিভা থকা চলচ্চিত্ৰ নিৰ্মাতা তথা পৰিচালক আছে। যি কেইখন ভাল ছবি হৈছে বা হ'ব, সেই ছবিবোৰক দৰ্শকে আদৰি ল'ব লাগিব। অকল হিন্দী ছবিৰ ফৰ-মূলাৰে নিৰ্মিত ছবিকে পৃষ্ঠপোষকতা কৰি থাকিলে ভাল ছবি নিৰ্মাণ কৰিবলৈ পৰিচালক সকলে উৎসাহ নাপাব।

অসমীয়া চলচ্চিত্ৰ উদ্যোগক এক সুস্থ আৰু সবল উদ্যোগ হিচাপে গঢ়ি তুলিবৰ হ'লে এইবোৰ কথা এতিয়াই গভীৰ ভাবে চিন্তা কৰি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাটো উচিত হ'ব বুলি আমি ভাবো।

### ছবিৰ খবৰ

গৌৰী বৰ্মন পৰিচালিত আৰু ডঃ ভুপেন হাজৰিকা সুৰাৰোপিত প্ৰথম অসমীয়া ৰঙীন শিশু চিত্ৰ 'অকণ' মুক্তিৰ অপেক্ষাত। শিক্ষা-মূলক ছবি হিচাপে 'অকণে' প্ৰমাণ-পত্ৰ পাইছে।

দেবকুমাৰ বসু পৰিচালিত আৰু খগেন মহন্ত সুৰাৰোপিত 'মইনা-জান'ৰ কামো শেষ পৰ্যায়ত।

শিৱ ঠাকুৰ পৰিচালিত আৰু ডাঃ উপেন কাকতি সুৰাৰোপিত ৰঙীন ছবি 'বোৱাৰী' সম্পাদকৰ টেবুলত।

ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ ছবি 'অনিৰ্বাণ'ৰ দৃশ্য গ্ৰহণ সমাপ্ত হৈছে আৰু এইখন ছবিও সম্পাদকৰ টেবুলত।

চন্দ্ৰ তালুকদাৰ পৰিচালিত আৰু সুজিৎ সিংহ সুৰাৰোপিত 'জেতুকী'ৰ অলপতে বোম্বাইত গীত বাণীবদ্ধ কৰা হয়। গীতকেইটিৰ অলপতে হ'ব লগীয়া পিকচাৰাইজেচনৰ পিছতে ছবিৰ দৃশ্যগ্ৰহণৰ কাম সমাপ্ত হ'ব।

পুলক গগৈ পৰিচালিত নামস্থিৰ নোহোৱা নবতম ছবিখনৰ কলিকতাত গীত বাণীবদ্ধ হৈ যোৱাৰ পিচতে যোৱা ৩ জুনৰ পৰা দ্ৰুতগতিত দৃশ্যগ্ৰহণৰ কাম চলিছে। সংগীত পৰিচালনা 'শ্ৰীমতী মহিয়ামগ্নী খ্যাত কুল-অতুল যুটীৰ।



OKDISCD

দ্বিবন বৰুৱা পৰিচালিত আৰু সুৰাৰোপিত 'মন আৰু মৰম'ৰ কামো শেষ পৰ্যায়ত ।

আব্দুল মজিদ পৰিচালিত 'পোনাকণ'ও মুক্তিৰ বাবে প্ৰস্তুত হৈ আছে।

'নিৰুপম' ছদ্মনামৰ এজন অভিজ্ঞ পৰিচালকৰ 'শ্ৰীমা কামাখ্যা'ৰ কামো শেষ পৰ্যায়ত। ছবিখন ৰঙীন । সংগীত পৰিচালনা ৰাজেশ্বৰ বৰদলৈৰ।



প্ৰায় সমাপ্ত 'মইনাজান,' 'জেতুকী' আৰু ৰঙীন ছবি 'শ্ৰী মা কামাখ্যা'ৰ উল্লেখযোগ্য চৰিত্ৰত বিদ্যা ৰাওয়ে অভিনয় কৰিছে ।

প্ৰফুল্ল বৰুৱাৰ 'ৰজনীগন্ধা'ৰ সম্পাদনাৰ কাম চলি আছে । সংগীত পৰিচালনা কুমাৰ ৰঞ্জনৰ ।

তথ্য চিত্ৰ নিৰ্মাতা ৱায়েছ কুনী বৰাই তেওঁৰ প্ৰথম কাহিনী চিত্ৰ 'প্ৰিয়জন'ৰ প্ৰাৰম্ভিক কাম শেষ কৰিছে। সংগীত পৰিচালনা কৰিব ডঃভূপেন হাজৰিকাই ।

একাধিক সফল ছবিৰ প্ৰযোজনাৰ পিছত শ্ৰীমতী সুপ্ৰভা দেৱীয়ে নিজা কাহিনী আৰু পৰিচালনাত নিৰ্মাণ কৰিব লোৱা নতুন ছবিখন হ'ব "নয়নমণি"। ছবিৰ সহযোগী পৰিচালক আৰু চিত্ৰনাট্য গুণসিন্ধু হাজৰিকাৰ । সঙ্গীত হেমেন হাজৰিকাৰ। ●


With best Compliment to monthly "SURYA"

Contact :

*Radha Bora*, B. Sc.
RAJGARH ROAD
GAUHATI : 781003
PH. 25368

For : (1) SUITABLE SMALL OR BIG RESIDENTIAL OR INDUSTRIAL PLOTS OF LAND IN GAUHATI.
(2) HIRED CARS AND TAXIES OR ANY TYPE OF TRANSPORT.
3) CONSULTING ANY TYPE OF SOCIAL HELP.

Best Compliments—

M/s STILLWEL ELECTRICALS
A. T. ROAD, Near HIMATSINGHA PETROL PUMP
GAUHATI : 781001
PH. : 24737

Authorised Dealers :

SIEMANS :—
ELECTRIC AND AGRICULTURAL PRODUCTS, MOTORS STARTERS, SWICTH GEARS, PUMPING SETS, TROPODUR CABLES.

ALL TYPES OF MACHINERIES, ELECTRICAL INSTRUMENTS, PANEL BOARD ACCESSORIES, MOTORS, ROTARY SWITCHES AND POWER CAPACITORS


OKDISCD